# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

## NO. 6

The 24th December, 1992.

Price— 26.10

CONTENTS

Winter Session

Volume V No: VI

Dated, the 24th December 1992


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1—54 |
| 2. | Voting on Demands for Grants | 55—126 |
| 3. | Introduction, Consideration & Passing of the Assam Appropriation (No III) Bill, 1992. | 126—135 |
| 4. | Adjournment Sine-die | 135 |
| 5. | Annexure— I to XII | 136—152 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, December, 24 1992

The House met at nine of the clock in the Assembly Chamber, Dispur with Mr: Speaker in the Chair.

বিষয়: আবণ্টিত কেৰাচিন তেলৰ পৰিমান।

শ্ৰীদিলদাৰ ৰেজ্জায়ে সুধিছে:

* ১৮১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ বিভিন্ন বিধান সভা সমষ্টিত যোৱা ১ জানুৱাৰী ১৯৯২ ইং তাৰিখৰ পৰা নবেম্বৰ /৯২ লৈ কেৰাচিন তেলৰ ডিপো, চাব ডিপো ইত্যাদিৰ যোগেদি আৰণ্টন দিয়া কেৰাচিন তেলৰ পৰিমান কিমান? (প্ৰতি মাহে জিলাখনৰ বিভিন্ন সমষ্টি ভিত্তিক আৰণ্টনৰ পৰিসংখ্যা দিব)

(খ) বাঘবৰ সমষ্টিত কেৰাচিন তেলৰ আবণ্টন আটাইতকৈ কম দিয়া হৈছে, এই কথা সঁচানে? এই পৰিমান বঢ়োৱাৰ বিষয়ে বিবেচনা কৰিবনে?

(গ) বাঘবৰ সমষ্টিৰ কেৰাচিন তেলৰ আবণ্টন বৰপেটা ৰোডৰ পৰা নকৰি মন্দিয়া ডিপোৰ পৰা কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী খাদ্য ও অসামৰিক যোগান বিভাগ) য়ে উত্তৰ দিছে:

(ক) বৰপেটা জিলাত মুঠতে ৯টা বিধান সভা সমষ্টি আছে। কেৰাচিন তেলৰ আৰণ্টন বিধান সভা সমষ্টি হিচাবে দিয়া নহয়। গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু নগৰ ভিত্তিত হে দিয়া হয়।

তথাপিও বৰপেটা জিলাৰ বিধান সভা সমষ্টি হিচাৰে ডিপো, চাব ডিপো আদিৰ যোগেদি আবণ্টন দিয়া কেৰাচিন তেলৰ পৰিমাণ এনে ধৰণৰ (See Annexure—I)

(খ) সঁচা নহয়। জিলাৰ বাবে কেৰাচিনৰ আৱণ্টন বঢ়ালে বিবেচনা কৰা হব।

(গ) বাঘবৰ বিধান সভা সমষ্টিৰ ৫ (পাচ) টা গাওঁ পঞ্চায়ত সমবায় সমিতি এলেকাত মন্দিয়া ডিপুৰ পৰা তেলৰ আবণ্টন যোৱা অক্টোবৰ /৯২ মাহৰ পৰা দিয়া হৈছে। বাঘবৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ বাঘমৰাচৰ সমবায় সমিটিৰ বাবে কেৰাচিন তেল নগৰবেৰা ডিপুৰ পৰাহে সুবিধাজনক হোৱা বাবে আবণ্টন দিয়া হয়।

শ্ৰীদিলদাৰ ৰেজ্জা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক বৰপেটা জিলাৰ কেৰাচিন আবণ্টন সম্পৰ্কে মোৰ কিছু কথা কবলগীয়া আছে। মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে হুলস্থূল কৰিৰ লাগে কাৰণে হুলস্থুল কৰি থাকে। তেখেতে অলপ ডিটেল্‌চ কলেই যেনিবা সেই বুলিয়েই হুলস্থূল কৰিৰ লাগেনে ? ( ........... ভইচ............ আপোনাক সহায় কৰিবৰ কাৰণে কৈছো ) ভাল কথা। বৰপেটা আৰু সৰভোগ এই কেৰাচিন বিতৰণত যথেষ্ট আসোৱাহ আছে। আৰু বাঘবৰ আৰু চেঙা অঞ্চলত বিদ্যুৎ সৰবৰাহ নোহোৱাৰ কাৰণে সেই অঞ্চলৰ ৰাইজে কেৰাচিনৰ কাৰণে যথেষ্ট অসুবিধা পাইছে। গতিকে তাত ৰাইজৰ আপত্তি মৰ্মে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তাত সময়মতে কেৰাচিন যোগান ধৰা হয়।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে মই সেইটো বিবেচনা কৰি চাম।

ডাঃ কমলা কলিতা : ৰাজ্যখনৰ সকলো ঠাইতে এই কেৰাচিন তেলৰ নাটনি হৈছে। এই নাটনি পুৰাবৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : আমাৰ কিছুমান লিকেজ হৈ আছে। আমাৰ কিছুমান বগাচ ৰেচন কাৰ্ডৰ কাৰণে লিকেজ হৈ আছে। গুৱাহাটী মহানগৰীত বহুত বগাচ ৰেচন কাৰ্ড ধৰা পৰিছে। এতিয়া আমি আগতে যি ১'৫ লিটাৰ পাৰ কাৰ্ড দিছিলো এতিয়া ৩'৫ লিটাৰ পাৰ কাৰ্ড দিবৰ কাৰণে প্ৰস্তুত হৈছে। আমাৰ বিভিন্ন জিলাত বহুত বগাচ কাৰ্ড ধৰা পৰিছে। ভাগৰ স্কেণ্ডেল ধৰা পৰাৰ কাৰণে নাটনি বহু লাঘৱ হৈছে।

ডাঃ কমলা কলিতা : বগাচ ৰেচন কাৰ্ড নাকচ কৰাৰ ব্যৱস্থা লৈছে তাৰ বাবে ভাল পাইছো। গ্ৰামাঞ্চলত কেৰাচিন তেলৰ অৱস্থা উন্নত হোৱা বুলি কোৱা কথাটোত একমত নহয়। গাওঁ অঞ্চলত মানুহে কেৰাচিনৰ অভাৱত ৬ বজাত ভাত খাই শুই থাকে। গাওঁ অঞ্চলত ৰিটেইলাৰ সকলক যি লাইচেন্স দিছে তেওঁলোকে কলা বজাৰত বেছি দামত বিক্ৰী কৰে। চহৰ অঞ্চলত যি ব্যৱস্থা লৈছে তেনে ব্যৱস্থা গাওঁ অঞ্চলত লবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় সদস্যই যি পৰামৰ্শ দিছে তেনেকুৱা ধৰণৰ ব্যৱস্থা লবলৈ কৈছো। আমাৰ গোটেই অসমত কেৰাচিন তেলৰ প্ৰয়োজন ২৫ হাজাৰ এম টি। তাৰ বিপৰীতে আমি কেন্দ্ৰৰ পৰা পাওঁ ২০ হাজাৰ ৫৯৮ এমটি। আমি কম পৰিমাণে কেৰাচিন তেল পাই আছো।

শ্ৰীচন্দন চৰকাৰ : আমাৰ ডিপু বিলাকলৈ কেৰাচিন তেল নিয়াত আৰু বিতৰণত কিছুমান দুৰ্নীতি পৰায়ণ বিষয়া জড়িত আছে। আমাৰ যিখিনি তেল পায় তাৰ শতকৰা ৫০ ভাগ বিতৰণ নহয়। গতিকে এই দুৰ্নীতি ৰোধ কৰাৰ কাৰণে ব্যৱস্থা লবনে ? আমাৰ গাওঁ আৰু চৰ অঞ্চলত হকাৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : চৰ অঞ্চলত হকাৰ এক পাৰ্চেণ্ট নাই বুলি যিটো কৈছে সেইটো লিখিত ভাৱে দিলে ব্যৱস্থা লম। তেখেতক সন্মান জনাই কৈছো যে দুৰ্নীতিৰ কিবা বিশেষ চাৰ্জ থাকিলে তাক লিখিত ভাৱে জনালে ব্যৱস্থা লম।

শ্ৰীআলাউদ্দিন চৰকাৰ : গাওঁ অঞ্চলত এতিয়া চাহিদা বাঢ়িছে। গতিকে চাহিদাৰ ভিত্তিত ডিপু, চাব ডিপু দিয়াৰ ব্যৱস্থা হাতত লবনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে ডিপু খোলা সংক্ৰান্তত যি প্ৰশ্ন কৰিছে সেই সম্পৰ্কত অসম চৰকাৰৰ হাত নাই। আমি কেৱল ৰিকমেণ্ড কৰি দিব পাৰো। চেণ্টাৰৰ অইল চিলেকচন বৰ্ডে সেইটো কৰে। যোৱা ৪ বছৰ ধৰি বৰ্ড হোৱা নাই। আমি ডিমাণ্ড দি আছো যে অসমৰ পৰা এজন সদস্য লব লাগে যিহেতু অসমত ৩০ হাজাৰ মেট্ৰিক টন কেৰাচিন কেল উৎপাদন হয়। আমি অইল চিলেকচন বৰ্ডত চেষ্টা কৰি আছো। আই অ চি য়ে টেণ্ডাৰ দিব। তাৰোপৰি চাৰ্ভে আদি কৰি তেওঁলোকে

চেণ্টাৰলৈ পঠাৰ। চেণ্ট্ৰেল অইল চিলেকচন ৰৰ্ডে টেণ্ডাৰ কৰি দিব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : সদনত ২০ মিনিট সময় কৈ সময় নষ্ট কৰিলে।

বিষয় : সমবায় সমিতিৰ আবণ্টিত চাউল।

ডা: কমলা কলিতায়ে সুধিছে :

*১৮২। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ছয়গাওঁ সমষ্টিৰ গৰৈমাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ যোৱা জুন মাহৰ আবণ্টিত চাউলৰ পৰিমাণ কিমান ?

(খ) ১৭ জুন তাৰিখে ১৫৪ কুইণ্টল চাউল কলা বজাৰত বিক্ৰী কৰা সত্য নে ?

(গ) উক্ত ১৫৪ কুইণ্টল চাউলৰ বাবে বেংক ড্ৰাফটখন ১৬/৬/৯২ তাৰিখে ধাৰাপুৰ চাৰি আলিৰ বেংকৰ পৰা লোৱাটো সত্য নে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ছয়গাওঁ সমষ্টিৰ গৰৈমাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ যোৱা জুন মাহৰ আবণ্টিত চাউলৰ পৰিমান ৫৫৪'০০ (পাচশ চৌৱান্ন) কুইণ্টল।

(খ) ১৭/৬/৯২ তাৰিখে উঠোৱা ১৫৪'০০ কুইণ্টল চালল কলা বজাৰত বিক্ৰী কৰা অভিযোগ সম্বন্ধে বিষয় তদন্ত চলি আছে।

(গ) সঁচা।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিছাৰো যে এই বিষয়টো কোনে তদন্ত কৰি আছে আৰু বৰ্ত্তমান কি পৰ্য্যায়ত আছে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : আমাৰ বিভাগৰ পৰা এই বিষয়ত তদন্ত আৰম্ভ হৈছে আৰু তদন্তৰ ৰিপৰ্ট কি হৈছে জনাব বিচাৰিছো। যোৱা ২১ তাৰিখে তদন্ত কৰা হৈছে। তদন্তত দেখা গ'ল—

From what has been said above it is clear that the

rice in question have been misappropriated by the Secretary of the Goroimari G.P.S.S. Md Maqsed Ali Choudhury by maintaining false and fictitions accounts.

Hence' for maintaining false and fictitous accounts, the Sectretary of the Goroimari G.P.S.S. Md. Maqsed Ali Choudhury has violated condition No. 3 (a) and (b) of the Licence issued to the C.P.S.S. under Assam Public Distribution of Articles Order 1982 and thereby violated clause 14 & 15 of the Assam Public Distribution of Articles Order, 1982. For the said violation the documents and Registers have been seized from Md. Maqsed Ali Choudhury, Secretary of Goroimari G.P.S.S.

Further necessary action will be taken.

আৰু ডেভলেপ কৰিছো, একচন লৈছো লিখিতভাবে নাই যাবে জনোৱা নহল।

ডাঃ কমলা কলিতা ঃ তদন্তৰ পৰা কৈছে যে সম্পাদক মকচেদ আলি চৌধুৰী। আচলতে এওঁ সম্পাদক নহয়, এজন চেলচ্‌মেনহে এওঁহেই সমবায় খনৰ সভাপতি, সম্পাদক এওঁৰ বাহিৰে অন্য মানুহ নাই। ১৫৪ কুইণ্টল চাউলৰ বাবে বেংক ড্ৰাফট্‌খন ধাৰাপুৰ বেংকৰ পৰা লোৱাটো স্বীকাৰ কৰিছে। এই চাউল ১৬ হেজাৰ টকা লাভ লৈ বিক্ৰী কৰিছে। গুৱাহাটীত ১৫৪ কুইণ্টল চাউল লিফট্‌ কৰা হল আৰু বিক্ৰীও কৰা হ'ল। এই চেলচ্‌মেন গৰাকীয়ে ১৯৯২ চনৰ জুন মাহত গৰৈমাৰী সমবায় সমিতি ১৫৪ কুইণ্টল চাউল ১৬ হাজাৰ টকা লাভ লৈ আত্মসাৎ কৰা কথাটো সত্য বুলি লিখি দিছে। গতিকে জুন মাহৰ পৰা এতিয়ালৈকে এই মানুহজনক কিয় গ্ৰেপ্তাৰ কৰা হোৱা নাই। অতি সোনকালে এই বিষয়টোৰ ব্যৱস্থা লবনে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ চাউল চুৰি কৰা কথাটো সঁচা। আমি পচিদিউৰ মতে ব্যৱস্থা লৈ আছো। তেখেতে যিটো দাবি কৰিছে সেইটো হব।

শ্ৰীআলাউদ্দিন চৰকাৰ : এই সত্যবাদী চোৰজনৰ বিৰুদ্ধে সমবায় বিভাগৰ পৰা নে যোগান বিভাগৰ পৰা ব্যৱস্থা লব ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অপৰাধী অপৰাধীয়েই শাস্তি পাব লাগিব।

ডাঃ কমলা কলিতা : মানুহজন সমবায় বিভাগৰ, আৰু কেলেংকাৰী হ'ল খাদ্য আৰু যোগান বিভাগৰ। বনগাওঁ সমবায় সমিতিত এনেকুৱা এটা কেচ হৈছে। খাদ্য আৰু যোগান বিভাগে একচন লব দিছে সমবায় বিভাগে একচন নললে। খাদ্য আৰু যোগান বিভাগত যিখিনি চাউল আত্মসাৎ কৰিলে তাৰ বাবে যোগান বিভাগে একচন লব পাৰিবনে নোৱাৰে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : পি, ডি এক্টত পৰি যাব। সমবায় বা যোগান বিভাগৰ কথা নহয় কৰ্ট'ত বিচাৰ হ'ব।

শ্ৰীআলাউদ্দিন চৰকাৰ : তেখেতে চুৰ কৰা কথাটো স্বীকাৰ কৰিছে।

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : আমি ব্যৱস্থা লৈছো। লিখিত নাই বাবে সদনত জনোৱা নাই।

## Re : Distribution of surplus land.

Shri Badan Barua asked :

* 183. Will the Minister of Revenue & Land Reforms be pleased to state :

(a) Whether there are any guiding factors for distribution of surplus land acquired under the urban land (ceiling & Regulation) Act, 1976 ?

(b) If so, whether those guiding factors have been followed at the time of distribution of ceiling surplus land acquired in Guwahati City under the Urban Land (ceiling & Regulation) Act, 1976 during the calender years 1990-91 and 1991-1992 ?

(c) A list of persons who have been allotted such surplus land acquired in the city of Guwahati under the urban

* Speech not corrected.

land (Ceiling and Regulation) Act, 1976 during the calender year 1991-92 (upto 30th November 1992) may be placed on the table of the House ?

Sri Mukut Sarma, (Minister of Revenue) replied :

(a) yes.
(b) Yes.
(c) List is placed on the table of the House.

(See Annexure-II)

Shri Badan Barua : May I know from the Honourable Minister, Revenue, what are those guiding factors ?

Shri Mukut Sarma (Minister, Revenue) The guiding factors are given in the Land Policy of 1989. So this is a long list.

Land within Greater Guwahati notified under Government Notification No. RSR: 21/59/126 dated 1st October, 1966 and in any other Towns may be settled on payment of the primium with the indigenous persons of the State in order of preference as follows :

An indigenous persons, who has no land in his name or in the name of any member of his family and who has been in occupation of Government land with members of his family for last 15 years or more.

An indigenous persons, who has land in rural area of the State, but has no land in City or Town in his name or in the name of any member of his family and has been in occupation of Government land with members of his family for last 15 years or more.

An indigenous person, who has no land in rural areas or in City or Town in the State either in his name or in the name of any member of his family, and has been staying in urban area for last 15 years or more with the members of the family.

An indigenous person, who has land in rural areas, but has no land in any urban areas either in his name or in the name of any member of his family, and who has been residing in urban area for last 15 years or more with members of his family.

Provided that such person is required to reside in urban area permanently by very nature of his service/ profession and who has not been able to purchase land in urban area on account of poor pecuniary conditions.

Other indigenous landless person of the State.

So far I know the surplus lands scquired as such under Urban Land Ceiling Act should be distributed for common gocd. It should be given to those who are have nots and it should not be given to them who have lands, etc. But what we have seen in our experience is that when the Revenue Minister have already stated that the Deputy Commissioner, Kamrup is entitled for such a land ? Whether I am entitled to such a land when it is distributed ?

Shri mukut Sarma (Minister, Revenue) : For DCs and MLAs we will look into it.

Shri Hitendra Nath Goswami : Sir, whether the privileges class will get preference in matters of allotment ?

Shri Mukut Sarma (Minister, Revenue) : All are equal.

শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, যিসকল মানুহৰ অৰ্থনৈতিক অৱস্থা বেয়া তেখেতসকলক ভূমি পট্টনৰ অগ্ৰাধিকাৰ দিয়া হয়। এই ক্ষেত্ৰত যি সকলক দিয়া হৈছে সেই সকল গাওঁৰ নহয় চহৰৰ ভিতৰত আছে। তেনেকৈ দিয়া মাটি বিক্ৰী কৰে, এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে অগ্ৰাধিকাৰ দিয়া যিসকল ভূমিহীন মানুহ সেই সকলক আমি মাটি দিয়াৰ ব্যৱস্থা কৰিছো। এম, এন, পি, যোগেদি। আমি অসমৰ বিভিন্ন এলেকাত মাটি বিতৰণ কৰিছো।

শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, কিমান বিঘা চিলিং চাৰপ্লাচ মাটি জনাব নে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত সুকীয়া প্ৰশ্ন লাগিব।

শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, যি সকল মানুহৰ মাটি নাই আৰু যি সকল মাটি পোৱাৰ বাবে যোগ্য তেখেতসকলক এম, এন, পি, যোগে মাটি দিম বুলি ঘোষনা কৰাৰ পিচতো মাটি দিব পৰা নাই। পলাশবাৰীত এইটো হৈছে, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে বেলেগ প্ৰশ্ন লাগিব।

## Re : ILLEGAL HOLDER OF RATION CARD

Shri Chandra Mohan Patowary, asked :

* 184. Will the Minister of Food and Civil Supplies be pleased to state :

(a) Whether it is a fact that there are large number of illegal holder of ration card in Assam at present ?

(b) If so, how many of them have been detected so far and what action has been taken by the Government in that behalf?

(c) Whether the Government is aware that illegal immigrants from Bangladesh residing in Assam are also sending food staff from Assam to Bangladesh through Indian Border ?

(d) What steps have been taken by the State Government to stop such illegal trade ?

Dr. Ardhendu Kumar dey, (Minister) replied :

(a) Yes.

(b) 69,368 nos. of Bogus Family Identity Cards covering a population of 3,93,970 have been eliminated upto 31-11-92 and the process is continuing.

(c) Government does not have such report.

(d) Question does not arise.

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন আমি কেইবাবাৰো উত্থাপন কৰি আছো, এইবাৰ পজেটিভ ৰিপ্লাই পাইছো। এই যে ভুৱা ৰেচনকাৰ্ড ইছু হ'ল এই চোৰ্চ মন্ত্ৰী মহোদয়ে জানেনে ? from which source these cards were issued ?

Dr. Ardhendu Kumar Dey (Minister, Supply) : Sir, the process is going on for the last several years in the Department since independence. I cannot say actually from which year it was started. But it has come to the n tice of the present Government, and since it has come to our notice we have started for elimination of this.

Shri Chandra Mohan Patowari : From which source these identity cards were issued ?

Dr. Ardhendu Kumar Dey (Minister, Supply) : This may be from our Department, and I definitely like to

admit that there are some corrupt in every Department and also in our Department. Those officers who indulge in suco corruptions, they will be definitely taken into task.

শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয় সেই বিষয়া কৰ্ম্মচাৰী সকলৰ বিৰুদ্ধে তৎকালীন বিহিত ব্যৱস্থা লব নে নলয়, কেতিয়া লব ?

Dr. Ardhendu Kumar Dey (Minister) : Sir, these indulgences were made, so far we know in the period from 1985 to 1990, particularly when the oppositions who are sitting now in front of us they were in power. Rather they should appreciate us.

Shri Chandra Mohan patowari : It is not question of either of Governments, whether AGP Government or Congress Government are a continuous process. The fact is that whether those officers who have been detected in issuing bogus identity cards and indulging in such activities whether action will be taken against them.

Dr. Ardhendu Kumar Dey (Minister) : The process is continuing. After processing we will take action. Actually, it is very difficult to tell in the House, Because, the honourable members have already asked a very important question, So what I am feeling is that the process is for elimination is continuing. After that I assure the House and the honourable members that action against these officers who indulges in such practices will be definitely taken.

Shri Chandra Mohan Patowary : Mr. Speaker, Sir, My point is that it is a known fact to the Honourable Minister, Supply that 69,000 bogus Ration Cards issued have already

been detected. It is also known, fact to the Honourable Minister, Supply the issue of bogus Ration Cards have been indulged by some of his corrupted officers of his Department. It is also known to his who are these corrupted officers and so we should also know the names of these corrupted officers. Now let us know whether any corrupted officer has been detected.

Dr. Ardhendu Dey, (Minister, Supply) : Mr. Speaker Sir, I am repeating that the process of enquiry is going on. I am ensuring the Honourable Members that officers who have indulged in such corruption will be detected and punished.

Shri Chandra Mohan Patowari : Mr. Speaker Sir, it is known to us that the process of detecting the corrupted officers are continued and how long it will continue. But the source said that the Honourable Minister, Supply has hiding facts from the Honourable House. All corrupted officers are known to Honourable Minister. My point is that Honourable Minister may kindly make the image of his department clear otherwise we will presumed that hiding the names of the corrupted officers from this House Honourable Minister is also linked up with the corrupted officers.

Dr. Ardhendu Dey (Minister, Supply) : Mr. Speaker, Sir, I am also assuring the House that we definetly take action. The process is going on. I am assuring again this House that we will identify these officers.

Mr. Speaker ; Order Order.

Shri Chandra Mohan Patowary : Mr. Speaker Sir, Let me clear my point.

Mr. Speaker : Next Questions No. 185.

Honourable Minister, Fisheries will reply.

Shri Chandra Mohan Patowary : Mr. Speaker Sir, I am not asking any question. The trend of this session is that most of the Ministers are not preparing with the question. I am seeking your ruling in this regard, So, Sir I seek your rulling.

Mr. Speaker : I will give my ruling.

Now Starred Question No. 185.

শ্ৰীৰেণুপমা ৰাজখোৱা। শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

* ১৮৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ ৰাজহৰ বিল সমূহ আৰু চৰকাৰী মীন পাম সমূহত উংপাদিত মাছৰ দ্বাৰা ৰাজ্যখনৰ চাহিদা পূৰণ হয়নে ?

(খ) অসমলৈ কোন কোন ৰাজ্যৰ পৰা কিমান পৰিমানৰ মাছ প্ৰতিদিনে আমদানি কৰা হয় ?

(গ) এই পৰিমানৰ মাছ ৰাজ্যখনত উৎপাদন কৰি মীন উদ্যোগক ৰাজ্যখনৰ ৰাজহ উংপাদনৰ বাবে চৰকাৰী নীতি ঘোষণা কৰিবনে ?

(ঘ) চৰকাৰে ১৯৯২-৯৩ চনত কিমানখন মীন মহলৰ নিবিদাৰ যোগেদি বন্দৱস্তি দিয়া হ'ল ?

শ্ৰীচিলভিয়াছ কন্দপান (মীন ৰিভাগৰ মন্ত্ৰী)) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) মীন ষিভাগে ৰাজ্যৰ ৰাহিৰৰ পৰা মাছ আমদানি নকৰে।

(গ) মীন ৰিভাগক মাছ উংপাদনৰ উদ্যোগ হিচাবে ঘোষণা কৰিব পৰা যাব

* Speech not corrected.

যদিহে এই বিভাগৰ দ্বাৰা প্ৰচুৰ পৰিমানৰ মাছ উৎপাদিত হৈ চৰকাৰৰ ৰাজহ বৃদ্ধিত সহায়ক হয়। বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) নিবিদাৰ জৰিয়তে মীন মহল পট্টন দিয়াৰ কাম উপায়ুক্ত তথা মহকুমাধিপতিৰ দ্বাৰা সমাধা কৰা হয়। ১৯৯২-৯৩ চনত নিবিদাৰ জৰিয়তে জিলা উপায়ুক্তৰ দ্বাৰা ২২ খন আৰু মহকুমাধিপতি সকলৰ দ্বাৰা ২ খন মীন মহল ৰাজ্যখনত এতিয়ালৈকে পট্টন দিয়া হৈছে। অৱশ্যে উক্ত সংখ্যাৰ কিছু ব্যতিক্ৰম হোৱাৰ সম্ভৱনা আছে, কিয়নো কিছুমান মহল পট্টন দিয়াৰ পাছত অসন্তুষ্ট হৈ বিপক্ষ পাৰ্টিয়ে আদালতৰ সহায় লোৱাত পট্টন কাৰ্য্যকৰি হোৱা নাই।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট জিলাৰ অন্তৰ্গত কাকডোঙা মীন মহলটো কেতিয়া অন্তৰ্ভুক্ত কৰিব এই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচিলভিয়াছ কন্দপান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৰা প্ৰশ্নটো আগতে প্ৰশ্নত উত্থাপন কৰা নাছিল। এই বিষয়ে উত্তৰ দিয়াতকৈ চাই চিতিহে কিধা কৰিব লগা আছে যদি কৰিম।

শ্ৰীজয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, খ উত্তৰটো কি দিছে ? ৰাজ্যৰ বাহিৰৰ পৰা মাছ আমদানি নকৰে নেকি ? অসমৰ বাহিৰৰ পৰা কিমান পৰিমাণৰ মাছ আনে এই কথা মন্ত্ৰী মহোদয়ে কোৱা নাই ?

শ্ৰীচিলভিয়াছ কন্দপান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাছ আমদানি কৰা হয়। বিভিন্ন সামগ্ৰী যেনেকৈ অসমলৈ আহে চৰকাৰী ভাৱে ব্যৱসায়ীৰ খাটিৰত, তেনেকৈ মাছও অসমলৈ আহে। কিন্তু কিমান পৰিমাণৰ আহে বা নাহে এইটো কাউণ্ট কৰিব নোৱাৰি কাৰণে কব পৰা নাযায়।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, ক প্ৰশ্নৰ উত্তৰটো আকৌ এবাৰ কব নেকি ?

শ্ৰীচিলভিয়াছ কন্দপান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, নহয়।

শ্ৰীনিজামুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, নিবিদা পোনপটীয়াকৈ দিয়া হৈছে নেকি ? ১ নং আৰু ২ নং তেওঁলোককো নিবিদাৰ যোগেদি বন্দৱস্তি দিয়া হৈছে নেকি ?

শ্ৰীচিলভিয়াছ কন্দপান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আইনমতে যদি কোনোবা ডিফলদাৰ হয় তেওঁলোকক ৰন্দৱস্তি দিয়া নহয়।

ডা: কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ মীন মহলৰ কাৰণে ১৯৯২-৯৩ চনত নিবিদা দিয়া আৰু নিদিয়া কিমান জনক ৰন্দোৱস্তি দিয়া হৈছে ?

শ্ৰীচিলভিয়াছ কন্দপান (মীন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় এই প্ৰশ্নটোত তথ্যৰ কথা আছে গতিকে মাননীয় সদস্যজনে বেলেগ এটা প্ৰশ্ন কৰিলে ভাল হয়।

শ্ৰীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই মীন মহল বিলাক বন্দোৱস্তি দিয়াৰ ক্ষেত্ৰত কি নীতিৰে বন্দোৱস্তি দিয়া হয় ?

শ্ৰীচিলভিয়াছ কন্দপান (মীন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মীন মহল বিলাকৰ বন্দোৱস্তি দিয়াৰ ক্ষেত্ৰত ৫ টা কথা লক্ষ্য কৰিব লগীয়া হয়।

The Society is composed of cent percent fishermen and the society must be a registered one and the society must be within the area of operation.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মীন মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত নহয় বুলি কৈছে। অধ্যক্ষ মহোদয় তেখেতে আৰু কৈছে, যে আমাৰ ৰাজ্যত মাছৰ উৎপাদন নোহোৱাৰ কাৰণে ৰা চাহিদা পূৰণৰ বাবে পশ্চিমবঙ্গ আৰু অন্ধ্ৰ প্ৰদেশৰ পৰা মাছ আনিব লগীয়া হয়। এতিয়া অসমৰ চাহিদা পূৰণৰ বাবে আৰু বাহিৰলৈ পঠাব পৰাকৈ মাছ উৎপাদনৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

শ্ৰীচিলভিয়াছ কন্দপান (মীন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তথ্য মতে অসমৰ জনসংখ্যাৰ শতকৰা ৯৫ ভাগ মানুহে মাছ খায় আৰু সেই অনুপাতে অসমত মাছ উৎপাদন নহয়। আমাৰ মানুহে সাধাৰণতে খাল-বিল, নদ-নদী আৰু ব্ৰহ্মপুত্ৰৰ পৰাহে মাছ খায়। কিন্তু অন্ধ্ৰ প্ৰদেশ বা পশ্চিমবঙ্গত মানুহে ধান মাহ আদিৰ দৰে মাছৰ খেতি কৰে। কিন্তু আমাৰ অসমত মানুহে মাছৰ খেতি নকৰে আৰু আজি কালি যি অলপ কৰিছে সেইয়া পৰ্য্যাপ্ত নহয়।

অসম চৰকাৰে মীন বিভাগটো টনকিয়াল কৰিবৰ কাৰণে আৰু মাছৰ উৎপাদন বঢ়াবৰ কাৰণে বহুতো আঁচনি লৈছে। আপোনালোকে জানে যে এই মীন বিভাগটো আগতে 'মেজৰ ডাইৰেক্টৰেট' নাছিল। পশুপালন বিভাগৰ এটা অংশহে আছিল। কিন্তু যোৱা ডিচেম্বৰ মাহৰ পৰাহে এই বিভাগটো এটা সম্পূৰ্ণ বিভাগ কৰি তোলা হৈছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই মীন বিভাগটোক উদ্যোগ হিচাবে গঢ়ি তুলিবলৈ নিৰ্দ্দেশ দিছে। সেই অনুসৰি এই বিভাগৰ জৰিয়তে প্ৰতিখন গাওঁ পঞ্চায়তৰ অধীনত একোটাকৈ সমূহীয়া পুখুৰী খনাৰ আঁচনি হাতত লোৱা হৈছে। তাৰোপৰি এনেয়ে পৰি থকা খাল-বিল বিলাক পৰিস্কাৰ কৰি সেইবিলাক দীৰ্ঘম্যাদি হিচাবে বন্দোবস্তি দি আৰু বিত্তীয় অনুষ্ঠান আদিৰ পৰা ঋণ যোগান ধৰি আমাৰ নিবনুৱা যুৱক সকলক সমূহীয়া ভিত্তিত মীন পাম খুলি দি নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণেও চিন্তা কৰি থকা হৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাছ উৎপাদন কৰিবলৈ চৰকাৰে নতুন আঁচনি কি লৈছে। বৰ্ত্তমান জানিব পাৰিছো যে পঞ্চায়ত বিভাগে পুখুৰী বিলাকৰ ওপৰত 'টেক্স' লগোৱাৰ ব্যৱস্থা কৰিছে। হোজাই মহকুমাত এইটো দেখিবলৈ পোৱা গৈছে। মন্ত্ৰী মহোদয়ে ইয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীচিলভিয়াছ কন্দপান (মীন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, টেক্স লগোৱা কথাটোৰ বিষয়ে মই পঞ্চায়ত বিভাগৰ মন্ত্ৰীৰ লগত আলোচনা কৰিম।

বিষয় : **দুটকীয়া দৰত চাউল যোগান।**

শ্ৰীহিতেশ ডেকায়ে সুধিছে :

* ১৮৬। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমানৰ চৰকাৰে দুটকা দৰত চাউল যোগান আঁচনিৰ যোগেদি কাৰ জৰিয়তে এই চাউল যোগান ধৰা হৈছে ?

(খ) এই আঁচনিৰ দ্বাৰা ৰাজ্যখনৰ মুঠ কিমান পৰিয়াল উপকৃত হ'ব ?

---

* Speech not corrected.

(গ) এই আঁচনিৰ জৰিয়তে যোগান ধৰা প্ৰতি কিলো চাউলৰ উৎপাদন ব্যয় অথবা আমদানি ব্যয় কিমান আৰু বছৰি মুঠতে কিমান টকা চৰকাৰৰ হাতৰ পৰা খৰছ হব ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান ছুটকা দৰৰ চাউলৰ যোগান ষ্টেটফেডৰ জৰিয়তে ধৰি থকা হৈছে।

(খ) প্ৰতি মাহে ৪ (চাৰি) লাখ পৰিয়াল।

(গ) এই আঁচনিৰ জৰিয়তে যোগান ধৰা প্ৰতি কিলো চাউলৰ বৰ্ত্তমান আমদানি মুল্য ৭ (সাত) টকা। বৰ্ত্তমান প্ৰতিমাহে চৰকাৰৰ হাতৰ পৰা ৩'২০ কোটি টকা আৰু সেই হাৰত বছৰি ৩৮'৪০ কোটি টকা খৰছ হব।

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয় প্ৰতি কেজিত ৭'০০ টকাকৈ আমদানী কৰি চৰকাৰৰ আঁচনিমতে প্ৰতি কেজিত ২'০০ টকাকৈ যোগান ধৰাৰ ফলত এক বৃহৎ পৰিমাণৰ ধন খৰছ হৈছে। গতিকে এই আঁচনি পৰিত্যাগ কৰাৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিছে নেকি ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আমাৰ বেছি ভাগ পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে, সেইবিলাকৰ কাৰণে এই আঁচনি লোৱা হৈছে, যিহেতু এই আঁচনি ৰাইজৰ কল্যাণৰ কাৰণে লোৱা হৈছে গতিকে ইয়াত কিছু টকা খৰচ হবই। আৰু এই টকা চৰকাৰে বাজেটৰ পৰা খৰছ কৰিব।

শ্ৰীজয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই চাউল অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা মানুহক সহায় কৰাৰ বাবে এই চাউল দি থকা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰী হিচাপমতে অসমত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা কিমান মানুহ আছে আৰু সকলো বিলাকেই এই ছুটকীয়া মুল্যৰ চাউলৰ যোগান পাইছেনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী খাদ্য ও যোগান) : মাননীয় অধ্যক্ষ মহোদয়, চাৰ্ভে ৰিপোৰ্ট মতে অসমত ১৪ লাখ পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। ইয়াৰ ভিতৰত আটাইতকৈ দৰিদ্ৰতম ৪ লাখ পৰিয়ালক বাচি লোৱা হৈছে আৰু তেওঁলোকক এই সুবিধা দি থকা হৈছে।

( Starred Question No 187 could not be taken up as the Question Hours was over. However the answer of the Question deemed to have been laid on the Table of the House. )

বিষয় : মীন উৎপাদনৰ সঞ্চালক ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

* ১৮৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত মীন উৎপাদনৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি এজন স্বতন্ত্ৰবীয় সঞ্চালক আৰু সেই গৰাকী অনুসূচীত জাতিৰ লোকক নিযুক্তি দিয়াৰ ৰাবে চৰকাৰে বিবেচনা কৰিবনে ?

(খ) যদি কৰে কেতিয়া ইয়াক কাৰ্য্যকৰী কৰিব ?

(গ) মীন ক্ষেত্ৰত চাৰ্ভেৰ নামত কিমান টকাৰ আৰু কি ধৰণৰ আঁচনি বৰ্ত্তমান চৰকাৰে প্ৰস্তুত কৰিছে ?

(ঘ) আঁচনি সমূহৰ তালিকা সদনত দাখিল কৰিব ।

শ্ৰীচিলভিয়াচ কন্দপান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এনে ধৰণৰ কোনো প্ৰস্তাব এতিয়ালৈকে লোৱা হোৱা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) ১৯৯২-৯৩ চনৰ ৰাবে পৰিকল্পনাৰ আঁচনিত ২'৭০ লাখ টকা বৰ্ত্তমানে Survey of Fisheries and collection of Statistics নামৰ এখন চলিত আঁচনি ৰূপায়ণ কৰি থকা হৈছে । নতুন আঁচনি প্ৰস্তুত কৰা নাই ।

(ঘ) মীন জৰিপ আৰু পৰিসংখ্যা সংগ্ৰহ Survey of Fisheries and collection of Statistics (১৯৯২-৯৩) । সদনত দাখিল কৰা হ'ল ।)

( See Annexure – III, IV)

(Starred Question No. 188 was postponed)

(Starred Question Nos 189 to 194 could not be taken up as the Questions Hour was over. However the answers of these Questions deemed to have been laid on the table of the House.)

* Speech not corrected.

বিষয়: তালাচী চকী।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে:

* ১৮৯। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ বিভিন্ন অঞ্চলত থকা যোগান বিভাগৰ তালাচী চকী (Supply Check gate) সমূহ বন্ধ কৰাৰ কোনো নিৰ্দেশ চৰকাৰে দিছে নেকি?

(খ) যদি দিছে, উক্ত নিৰ্দেশৰ এটা প্ৰতিলিপি (Copy) সদনৰ মজিয়াত দাখিল কৰিব?

(গ) চৰকাৰে কি উদ্দেশ্যেৰে এনে তালাচী চকী সমূহ স্থাপন কৰিছিল আৰু বৰ্ত্তমান কি কাৰণে এনে চকীসমূহ বন্ধৰ নিৰ্দ্দেশ দিছে?

(ঘ) যোৰহাট মহকুমাত নগালেণ্ড সীমান্তৰ ওচৰত থকা নিউ সোনোৱাল আৰু দেৰেৰাপাৰ চকী দুটা কেতিয়াৰ পৰা বন্ধ কৰা হৈছে?

ডা: শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে, (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) দিয়া হৈছে।

(খ) প্ৰতিলিপি সদনত দাখিল কৰা হ'ল।

(See Annexure— V)

(গ) অত্যাৱশ্যকীয় সামগ্ৰীৰ অবৈধ পৰিবহন বন্ধ কৰাৰ উদ্দেশ্যে এই তালাচী চকী সমূহ স্থাপন কৰা হৈছিল। এনে তালাচী চকীবোৰত বেছি গোচৰ আদি ধৰা নপৰা কাৰণে আৰু তাত নিয়োজিত হৈ থকা কৰ্ম্মচাৰীসকলক অধিক ফলদায়ক কামত লগোৱাৰ উদ্দেশ্যে আন্ত:ৰাষ্ট্ৰীয় সীমাত থকা তালাচী চকীৰ বাহিৰে আন সমূহ বন্ধ কৰাৰ সীদ্ধান্ত লোৱা হয়।

(ঘ) ২/৬/৯২ তাৰিখৰ পৰা।

বিষয়: কাৰুগঞ্জ জলসিঞ্চন সংমণ্ডল।

শ্ৰীপৰিমল শুক্ল বৈদ্যয়ে সুধিছে:

* ১৯০। মাননীয় জলসিঞ্চন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি?

(ক) শিলচর ডিভিজনের কারুগঞ্জ সাবডিভিজনের অন্তৰ্গত কয়টি জলসিঞ্চন প্ৰকল্প আছে।

* Speech not corrected.

(খ) উক্ত প্ৰকল্পগুলিৰ মধ্য কয়টিতে নিয়মিত জলসিঞ্চন হইতেছে?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) শিলচৰ ডিভিজনেৰ অন্তৰ্গত কাৰুগঞ্জ সাবডিভিজনেৰ অধিনে মোট ২০টি জলসিঞ্চন প্ৰকল্প আছে ।

(খ) উপৰোক্ত ২০টি প্ৰকল্পৰ মধ্যে মোট ৪ টা প্ৰকল্প আংশিকভাবে জল দিতেছে ।

বিষয়: কেৰাচিন তেলৰ ডিপোৰ সংখ্যা ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

* ১৯১/ মাননীয় খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ, ঢকুৱাখানা, ধেমাজী আৰু জোনাই মহকুমাত মুঠ কিমান কেৰাচিন তেলৰ ডিপো আছে ?

(খ) উক্ত ডিপোবোৰত মাহে কি হাৰত কেৰাচিন তেলৰ যোগান ধৰা হয় ?

(গ) গাওঁ অঞ্চললৈ উক্ত ডিপোবোৰৰ পৰা কেৰাচিন সৰবৰাহ কি দৰে কৰা হয় ?

(ঘ) উক্ত জিলা ছুখনত কেৰাচিন তেলৰ অধিক ডিপো খোলাৰ আঁচনি চৰকাৰৰ হাতত আছেনে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) মুঠ ১৭ টা । উত্তৰ লক্ষীমপুৰ মহকুমাত ৯ টা ঢকুৱাখানা মহকুমাত নাই ধেমাজী মহকুমাত ৭ টা আৰু জোনাই মহকুমাত ১ টা আছে ।

(খ) জনসংখ্যা ভিত্তিত জনমুৰি ১'৮৮ লিটাৰ হিচাবে নিম্নলিখিত মহকুমাৰ বাবে কেৰাচিন তেলৰ মাহেকীয়া আবণ্টন দি থকা হৈছে । সেই অনুপাতে সেই এলেকাৰ প্ৰতিটো কেৰাচিন তেলৰ ডিপোত চাহিদা অনুসাৰে স্থানীয় প্ৰশাসনে আবণ্টন দি আছে ।

| | জনসংখ্যা — | | কেৰাচিন তেলৰ মাহেকীয়া আবণ্টন |
|---|---|---|---|
| (১) | উত্তৰ লক্ষীমপুৰ | ৬,০৪,২৫৭ | ৬,৮১,০০০ লিটাৰ । |
| (২) | ঢকুৱাখানা | ১,৪৫,৪১৮ | ১,৭৯,৯০০ লিটাৰ । |

* Speech not corrected.

| | | | |
|---|---|---|---|
| (৩) | ধেমাজী | ৩,৫৭,৮৯৪ | ৩,৮৫,৫০০ লিটাৰ। |
| (৪) | জোনাই | ১,১৪,২৮৯ | ১,৪১,৩৫০ লিটাৰ। |

(গ) গাওঁ অঞ্চললৈ স্থানীয় গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ জৰিয়তে উক্ত ডিপোবোৰৰ পৰা কেৰাচিন তেলৰ সৰবৰাহ কৰা হয়।

(ঘ) কেৰাচিন তেলৰ ডিপো খোলাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰোলিয়াম মন্ত্ৰালয়ৰ, সেয়েহে উক্ত জিলাত নতুন কেৰাচিন তেলৰ ডিপো খোলাৰ আঁচনি কেন্দ্ৰীয় চৰকাৰে। ভাৰতীয় তেল নিগমে লব পাৰে। অৱশ্যে ৰাজ্য চৰকাৰে কেৰাচিন তেল ডিপো আৱশ্যকীয় ঠাইত খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেচা দি থাকে।

বিষয়: গড়াখহনীয়া পৰিয়ালৰ পুনৰ সংস্থাপনৰ সংখ্যা।

শ্ৰীগুৰযামাল চৰকাৰে সুধিছে:

*১৯২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বিশ্বনাথ সমষ্টিৰ ছোৱাগুৰি অঞ্চলৰ ৬ খন গাওঁৰ গড়া খহনীয়াত আক্ৰান্ত হৈ বিশ্বনাথ পানপুৰ মথাউৰিত আশ্ৰয় লৈ থকা মানুহখিনিক চৰকাৰে সংস্থাপিত কৰাৰ কিবা ব্যৱস্থা হাতত লৈছেনে?

(খ) যদি লোৱা নাই এই লোক সকলক সংস্থাপন কৰাৰ ব্যৱস্থা কেতিয়াৰ পৰা কৰিব?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) আৰু (খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয়: আই, টি, আইৰ স্থান।

শ্ৰীপ্ৰণব কুমাৰ নাথে সুধিছে:

*১৯৩। মাননীয়, নিয়োগ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি?

(ক) করিমগঞ্জ আই, টি, আই স্থাপনের জন্য স্থান নিৰ্দ্ধারণ হয়েছে কি এবং বৰ্ত্তমান ইহা কোথায় কি ভাবে আছে?

---

* Speech not corrected.

(খ) দক্ষিণ করিমগঞ্জ সমষ্টির নিলামবাজার সংলগ্ন চান্দ্রাবাড়ী বা বাজারঘাট এলাকা অথবা রাটাবাড়ী সমষ্টির হরিনগর অথবা রামকৃষ্ণ নগর অথবা কদমতলা এবং পাথারকান্দি সমষ্টি তুহালিয়া এলাকাই প্রচুর খাছ ভূমি রয়েছে তাই শিঘ্রেই অনুসন্ধান কমিটি গঠন করতঃ বর্ণিত যে কোনো এক স্থানে করিমগঞ্জ আই, টি, আই এর জন্য স্থান চুড়ান্ত ভাবে নির্ধারণের ব্যবস্থা গ্রহণ করবেন কি ?

(গ) করিমগঞ্জ আই, টি, আইতে কি বিভাগ আছে, এবং যে সকল বিভাগ আজ পর্যান্ত চালু হই নাই শীঘ্রেই সেই গুলি চালু করার ব্যবস্থা করবেন কি ?

শ্রীছিলভিয়াচ কন্দপান (নিয়োগ মন্ত্রী) য়ে উত্তর দিছে :

(ক) করিমগঞ্জ আই, টি, আইর স্থায়ী স্থান নির্ধারণ বর্ত্তমান সরকারের বিবেচনাধীন হয়ে আছে। উক্ত আই, টি, আই বর্ত্তমানে করিমগঞ্জ চহরে একটি ভাড়া ঘৰে চলিতেছে।

(খ) সরকারে করিমগঞ্জ আই, টি, আইর স্থায়ী স্থান চুড়ান্ত ভাবে নির্ধারনের জন্য নির্ধারন কমিটি পুনর গঠন করেছেন। এই কমিটি সাম্ভাব্য বিভিন্ন স্থান পরীক্ষা করিয়া নির্ধারিত মান অনুসারে স্থান অনুমোদন করিবে। সরকার যদিও পুর্ব্বের স্থান নির্ধারন কমিটির অনুমোদন গ্রহন করেছিলেন তথাপি কিছু সংখ্যক লোকের আবেদন পাওয়ার পরে এই বিষয়টি আবার পরীক্ষা-নিরীক্ষা করার জন্য একটি নতুন কমিটি পুনর গঠন করিচেন।

(গ) করিমগঞ্জ আই, টি, আইতে বর্ত্তমানে দুইটা বিভাগে প্রশিক্ষণ দেওয়া হয়। যথা (১) Refrigeration and Air Conditioning Machanics আর (২) Dress Making অন্যান্য বিভাগ চালু করার জন্য বর্ত্তমানে কোনো ব্যৱস্থা গ্রহণ করা হয় নাই।

বিষয় : ২ টকীয়া দৰত চাউল যোগান।

শ্রীমতী ৰূপম কুৰ্ম্মীয়ে সুধিছে :

* ১৯৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

* Speech not corrected.

(ক) মৰিয়নি সমষ্টিৰ এটা মৌজা (মধ্য-ন-কচাৰি গাওঁ পঞ্চায়ত) ৰ বাহিৰে কোনো পঞ্চায়ত এলেকাত ২'০০ টকা দৰৰ সস্তীয়া চাউল যোগান ধৰা হোৱা নাই এই কথা সঁচানে ?

(খ) যদি সঁচা ইয়াৰ কাৰণ কি ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

(Starred Question No. 195 was Postponed)

**Re: Special Survey Settlement Operation.**

Shri Dewan Joynal Abedin, asked :

* 196. Will the Minister, Revenue be pleased to state :

(a) Whether it is a fact that a special survey and settlement operation has been ordered by the Government in some of the Char areas of Dhubri District ?

(b) If so, What are the villages ?

(c) Whether it is a fact that most of the villagers in these villages are holders of permanent land pattas ?

(d) Whether it is a fact that the Government contemplating to cancel the pattas of land owners and conduct Block Surveys of the villages ?

(e) If so, why ?

Shri Mukut Sarma (Minister, Revenue) replied :

(a) No.

(b) Does not arise.

---

* Speech not corrected.

(c) Actual number of patta-holders will be known only after campletion of Block Survey.

(d) The Block Survey is in progress and all connected matters are under examination.

(e) Does not arise.

বিষয় : T.S.P. শিতানৰ পৰা অনুদান ।

শ্ৰীপদ্মেশ্বৰ দলে সুধিছে :

* ১৯৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মাজুলী মহকুমাৰ অন্তৰ্গত নামনি চেৰপাই পৰিত্যক্ত বিলৰ বিপৰীতে নামনি চেৰপাই পৰিত্যক্ত বিল পৰিচালনা কমিতিলৈ T.S.P. শিতানৰ পৰা অনুদান মঞ্জুৰ কৰা হৈছিলনে ?

(খ) যদি হৈছিল কিমান টকা মঞ্জুৰ কৰা হৈছিল :

(গ) উক্ত ধন মোকোলাই দিয়া হৈছেনে ?

(ঘ) যদি দিয়া হৈছে, কিমান ধন মোকোলাই দিয়া হৈছে ?

(ঙ) যদি হোৱা নাই, কিয় হোৱা নাই ?

চিলভিয়াছ কন্দপান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মাজুলী মহকুমাৰ অন্তৰ্গত নামনি চেৰপাই পৰিত্যক্ত বিলৰ উন্নয়নমূলক কামৰ বাবে T.S.P. শিতানৰ পৰা অনুদান মঞ্জুৰ কৰা হৈছিল। উক্ত বিলৰ পৰিচালনা কমিতিলৈ কোনো টকা মঞ্জুৰ হোৱা নাই ।

(খ) ৬৪,৫১০'০০ (চৌষষ্ঠীহাজাৰ পাচশ দহ টকা)।

(গ) হয় ।

(ঘ) ৬৪,৫১০'০০ (চৌষষ্ঠী হাজাৰ পাচশ দহ টকা)।

(ঙ) প্ৰশ্ন নুঠে ।

---

* S peech not corrected.

বিষয়ঃ শ্রমিকের বেতনের জন্যে অভিযোগ।

শ্রী বদ্রী নাৰায়ন সিং য়ে সুধিছে :

* ১৯৮। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি :

(ক) কাবুগঞ্জে জলসিঞ্চন সাব-ডিভিজনের কিছু শ্রমিকের বেতন সময় মত ও নির্ধাৰিত হারে দেওয়া হচ্ছে না ?

(খ) একজিকিউটিভ ইঞ্জিনিয়াৰ তাহাদের অভিযোগ তদন্ত করিয়া রিপোর্ট জলসিঞ্চন বিভাগের সচিবের নিকট ২৪।৪।৯২ তারিখে শিলচর থেকে পাঠানো হইয়াছে ইহার সম্পর্কে কি প্রতিকার করা হইয়াছে ?

শ্রীজেহিৰুল ইচলাম (মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) কাবুগঞ্জ জলসিঞ্চন উপ-সংমণ্ডলে শ্রমিকের মজুরী সময়মত নির্দ্ধাৰিত হারে দেওৱা হইতেছে।

(খ) কার্য্যবাহী অভিযন্তার প্রতিবেদনের ভিত্তিতে বিভাগীয় তদন্ত চলিতেছে।

(Starred Question No. 199 was postponed)

Re : **Relief to the killing persons.**

Shri Karendra Basumatary, asked :

* 200. Will the Minister of Relief & Rehabilitation be pleased to state :

(a) Whether relief & Rehabilitation was provided to the victimised families of Budlapara, Kakura Kata Tangla and Nichilamari for the recent brutal killing by extremists ?

(b) What amount as ex-gratia grant has been so far paid to the victimised families by the State Government ?

Dr. Ardhendu Dey, (Minister) replied :

(a) Yes.

* Speech not corrected

(b) Rs. 5,000/- (Rupees five thousand) to the next of kin of each killed persons and Rs. 2,000/- (Rupees two thousand) to the each injured persons.

Unstarred Questions and Answers

বিষয়: ৰাজহ চক্ৰ কাৰ্য্যালয় ।

শ্ৰীপানী ৰাম ৰাভা য়ে সুধিছে :

৪২৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰৰমা ৰাজহ চক্ৰ কাৰ্য্যালয়ৰ গৃহ নিৰ্ম্মাণ কেতিয়াকৈ সম্পুৰ্ণ হ'ব ?

(খ) উক্ত কাৰ্য্যালয়ৰ মণ্ডল ৰেৰেক নিৰ্ম্মাণৰ বিষয়ে আঁচনি লৈছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰৰমা ৰাজহ চক্ৰ কাৰ্য্যালয়ৰ গৃহ নিৰ্ম্মাণৰ কাম চলি আছে ।

(খ) উক্ত আঁচনিত মণ্ডল ৰেৰেক নিৰ্ম্মানৰ আঁচনি নাই ।

বিষয়: জলসিঞ্চন আঁচনি ।

শ্ৰীকোমেশ্বৰ বৰুৱায়ে সুধিছে :

৪২৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিহালী আৰু গহপুৰ সমষ্টিত বিস্তীৰ্ণ ৰাম খেতিৰ পথাৰত পানী যোগানৰ বাবে ইতিমধ্যে লোৱা আঁচনি অনুযায়ী বুৰৈ নদীত জলসিঞ্চন আঁচনিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিহালী আৰু গহপুৰ অঞ্চলৰ ৰাম খেতিৰ পথাৰত পানী যোগানৰ বাবে প্ৰস্তাৱিত বুৰৈ মজলীয়া প্ৰকল্পৰ আঁচনি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে । কিন্তু অৰুণাচল চৰকাৰৰ পৰা অনুমোদন নোপোৱাৰ বাবে এতিয়াও কেন্দ্ৰীয় চৰকাৰে আঁচনিৰ অনুমোদন জনোৱা নাই। অনুমোদন পালেই কাম আৰম্ভ কৰিব পৰা হ'ব ।

বিষয় : উৰপুত কুমেৰীয়া বৰবাকাৰা গো ৰিজাৰ্ভ।

শ্ৰীযতীন মালীয়ে সুধিছে :

৪২৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পলাশবাৰী ৰাজহ চক্ৰৰ উৰপুত কুমেৰীয়া বৰবাকাৰাত গো ৰিজাৰ্ভ থকাটো চৰকাৰে জানেনে ?

(খ) উক্ত গো ৰিজাৰ্ভৰ মুঠ মাটি কালি কিমান আৰু ৰিজাৰ্ভটো বৰ্ত্তমান কি অৱস্থাত আছে ?

(গ) উক্ত ৰিজাৰ্ভত পলাশবাৰী গৰাখহনীয়া ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপন দিয়াৰ অৰ্থে ৰিভাগীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱাটো সঁচানে ?

(ঘ) যদি সচঁা হয়, গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ অনতি পলমে উক্ত স্থানত পুনৰ সংস্থাপন কৰাৰ জোৰ ব্যৱস্থা লবনে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পলাশবাৰী ৰাজহ চক্ৰৰ উৰপুত গাওঁত গো ৰিজাৰ্ভ থকাটো চৰকাৰে জানে।

(খ) উক্ত গো ৰিজাৰ্ভৰ মুঠ মাটি কালি ৬১ বিঘা ২ কঠা ১৭ লেচা। উক্ত গো ৰিজাৰ্ভৰ মাটিৰ ভিতৰত প্ৰায় ১৬ বিঘা মাটিত ২৬ টা পৰিয়ালে বেদখল কৰি আছে আৰু বাকী মাটি বৰ্ত্তমান খালি পৰি আছে।

(গ) উক্ত ৰিজাৰ্ভত উক্ত ২৬ টা নদীখহনীয়া ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপন কৰাৰ অৰ্থে বিভাগীয় সকলো প্ৰস্তুতি সম্পুৰ্ণ হৈ উঠা নাই।

(ঘ) ৰিভাগীয় প্ৰস্তুতি আৰু ৰিজাৰ্ভমুক্ত হোৱাৰ পাছত উক্ত পৰিয়াল কেইটাৰ অনতিপলমে পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা লোৱা হব।

বিষয় : গৰাখহনীয়া লোকক সংস্থাপন।

শ্ৰীমুনিন মহন্তয়ে সুধিছে :

৪২৬। মাননীয় সাহায্য আৰু পুনঃ সংস্থাপন ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই মৰিগাওঁ জিলাৰ কিমানখন গাওঁ নিচিন্ন কৰিলে আৰু গৃহহীন পৰিয়ালৰ সংখ্যা কিমান ?

(খ) এই লোকসকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰী কাৰ্য্যসূচী আছেনে ?

(গ) যদি আছে, এতিয়ালৈকে কিমান লোকক সংস্থাপন কৰা হল আৰু কত কত কৰা হল ?

(ঘ) সংস্থাপিত নোহোৱাকৈ কিমান পৰিয়াল এতিয়াও মথাউৰীত পৰি আছে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৭৩ খন গাওঁ আৰু ১৫,৯৪৪ টা পৰিয়াল ।

(খ) আছে।

(গ) চৰকাৰে এতিয়ালৈকে পুনৰ সংস্থাপন কৰা পৰিয়ালৰ সংখ্যা এনেধৰণৰ—

| | | |
|---|---|---|
| ভোবাগাওঁ চক্ৰত | — | ৩৩০ টা পৰিয়াল । |
| মায়ং চক্ৰত | — | ৪১ টা পৰিয়াল । |
| লাহৰিঘাট চক্ৰত | — | ৯৯০ টা পৰিয়াল । |

(ঘ) এতিয়ালৈকে মথাউৰীত আশ্ৰয়লৈ থকা পৰিয়ালৰ সংখ্যা ১৪,৫৮৩ টা।

## বিষয় : **Work Charge** কৰ্মী ।

শ্ৰীবিনোদ গোৱালায়ে সুধিছে :

৪২৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত জলসিঞ্চন বিভাগত ১৯৭৪ চনৰ পৰা কিমান জন Work Charge কৰ্মী আছে ?

(খ) উক্ত পদ সমুহ স্থায়ীকৰণ কিয় হোৱা নাই ?

(গ) সৰুপথাৰ জলসিঞ্চন উপ-সংমণ্ডলত Work Charge কৰ্মী কেইজন আছে আৰু চলিত বিত্তীয় বছৰত এই পদসমূহ স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) জলসিঞ্চন বিভাগত ১৯৭৯-৮০ চনৰ পৰা মুঠ ৭৯৫৩ জন Work Charge কৰ্মী আছিল আৰু বৰ্ত্তমান মুঠ ৪৩৮০ জন W/C কৰ্মী আছে ।

(খ) উক্ত পদসমূহ যোগ্যতা সাপেক্ষে পৰ্য্যায়ক্ৰমে নিয়মীয়াকৰণ কৰা হয়। বৰ্ত্তমানলৈকে ৩৫৭৩ জনক নিয়মীয়া কৰণ কৰা হৈছে, ৪৩৮০ জনক এতিয়াও নিয়মীয়াকৰণ কৰিবলৈ বাকী আছে ।

(গ) সরুপথাৰ জলসিঞ্চন উপ-সংমণ্ডলত মুঠ ৪২ জন Work Charge কৰ্মী আছিল আৰু তাৰ ভিতৰত ৬ জনক চলিত বিত্তীয় বছৰত নিয়মীয়াকৰণ কৰা হৈছে।

বিষয় : কয়লাৰ কাম কৰা শ্ৰমিক।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

৪২৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপা ৰেলৱেত কয়লাৰ কাম কৰা শ্ৰমিক সকলক মালিক সকলে উপযুক্ত মজুৰি প্ৰাপ্যৰ পৰা বঞ্চিত হৈ থকাটো চৰকাৰে জানেনে ?

শ্ৰীদিলেশ্বৰ তাতী (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপা ৰেলৱেত কাম কৰা শ্ৰমিক সকলক মালিক সকলে উপযুক্ত মজুৰি প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰখা বিষয়ে চৰকাৰ অৱগত নহয়।

(খ) শ্ৰমিক সকলক চৰকাৰী নিয়ম অনুযায়ী মজুৰি দিয়াৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় : মাটি কিনা বেচাৰ বাধা নিষেধ।

শ্ৰীনজমূল হক, য়ে সুধিছে :

৪২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাটি কিনা-বেচাৰ ক্ষেত্ৰত পূৰ্বতে অ, গ, প চৰকাৰে আৰোপ কৰা বাধা নিষেধ বৰ্ত্তমান চৰকাৰে প্ৰত্যাহাৰ কৰাৰ কিবা ব্যৱস্থা লৈছেনে ?

(খ) যদি লৈছে কিয় লোৱা হৈছে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) মাটি বেচা-কিনাৰ ক্ষেত্ৰত আৰোপ কৰা বাধা নিষেধ প্ৰত্যাহাৰ কৰাৰ কথা বৰ্ত্তমান চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

(খ) প্ৰশ্ন নুঠে।

Re : **Office of the Inspector of Factories**

Shri Rameswar Dhanowar asked :

430. Will the Minister of Labour be pleased to state :

(a) When was the Office of the Inspector of Factories opened in Tinsukia District ?

(b) How many officers and staffs are there ?

(c) When and how they are appointed ?

(Please furnish date and time of appointment)

Shri Dileswar Tanti (Minister, Labour) replied :

(a) Initially the Office of the Inspector of Factories for Tinsukia District was opened with effect from 4. 3. 1987 which was functioning at the Zonal Factory Office, Dibrugarh. The said office was shifted to Tinsukia with effect from 1-9-1991.

(d) Two Officers (two Inspectors of Factories) and three staff (one Lower Division Assistant, one Chowkidar and one peon).

(c) The posts of Inspectors of Factories in the Office of the District Factory Office, Tinsukia were filled up by transfer from other District Offices with effect from 25. 3. 91 and 24. 1. 1991 respectively.

The post of Lower Division Assistant was filled up on transfer from Zonal Factory Office, Dibrugarh w. e. f. 5. 9. 91.

The post of Chowkidar was filled up w. e. f. 4. 9. 91 on selection through Employment Exchange.

The post of peon was filled up w. e. f. 6. 3. 92 from the registered candidates with Local Employment Exchange belonging to Ex-Tea Garden.

**Re : Relief to the Bodo People.**

Shri Kamal Brahma, M,L.A.

431. Will the Minister of Relief & Rehabilitation be pleased to state :

Whether State Government extended any relief and rehabilitation to the Bodo People of No. 1 Sibapur, No.2 Sibapur and Panbari Villages affected during the Panbari coverage in last 5th April, 1992 ?

Dr. Ardhendu Dey, (The Minister of Relief & Rehabiliation) replied :

Affected people of Panbari (Faizabad) has already been given rehabilitation grant.

**বিষয় : নগাওঁ জিলাত ধুমুহাত ক্ষয়-ক্ষতি ।**

শ্ৰীমুজিবুৰ ৰহমানে সুধিছে :

माননীয়, ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিগত এপ্ৰিল মাহত হোৱা ধুমুহাত নগাওঁ জিলাৰ বিভিন্ন সমষ্টিত কিমান কিমান পৰিয়ালৰ ঘৰ-বাৰী নষ্ট হৈছিল ? (সমষ্টি ভিত্তিত দেখুৱাব)

(খ) প্ৰতি সমষ্টিত কিমান টকা বিতৰণ কৰা হৈছে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ধুমুহাত সম্পূৰ্ণভাৱে ঘৰবাৰী নষ্ট হোৱা নাই । কিন্তু আংশিক ভাৱে/ বেয়াকৈ প্ৰায় ৪৮ হাজাৰ ঘৰবাৰী ক্ষতিগ্ৰস্ত হৈছে ।

সমষ্টি ভিত্তিত আংশিকভাৱে ক্ষতিগ্ৰস্ত ঘৰৰ সংখ্যা এনেধৰণৰ—

| | | | |
|---|---|---|---|
| ১। | ৰূপহী | — | ১৫,৫৩০ |
| ২। | সদৰ | — | ১০,৯৫০ |
| ৩। | ধিং | — | ৪,৩০০ |
| ৪। | চামগুৰি | — | ৭,৬২০ |
| ৫। | ৰট্‌দ্ৰবা | — | ১,৮৭৫ |

| | | |
|---|---|---|
| ৬। বৰহমপুৰ | — | ৪,৪০০ |
| ৭। ৰহা | — | ১,০০০ |
| ৮। হোজাই | — | ২,০০০ |
| ৯। কলিয়াবৰ | — | ৩২৫ |

(খ) ক্ষতিগ্রস্ত প্রতি পৰিয়ালক ২০০'০০ টকা হাৰে সাহায্য দিয়া সমষ্টি ভিত্তিত মুঠ টকাৰ পৰিমাণ এনে ধৰণৰ—

| | | |
|---|---|---|
| ১। ৰূপহী | — | ৩১,০৬,০০০'০০ টকা |
| ২। সদৰ | — | ২১,৯০,০০০'০০ টকা |
| ৩। ধিং | — | ৮,০০,০০০'০০ টকা |
| ৪। চামগুৰি | — | ১৪ ৭৮০০০,০০ টকা |
| ৫। বট্‌দ্রবা | — | ৩,৭৫,০০০,০০ টকা |
| ৬। বৰহমপুৰ | — | ৮,০০,০০০'০০ টকা |
| ৭। হোজাই | — | ২,৫৬,০০০'০০ টকা |
| ৮। কলিয়াবৰ | — | ৬৫,০০০ ০০ টকা |

## Re : Distribution of Essential Commodities.

Shri Hitendra Nath Goswami asked :

433. Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether the Government is aware that there exists some area in most of the towns in the State called 'extended municipality area' ?

(b) If so, whether the Government is also aware of the fact that the peopie living in the extended area enjoy essential commodities through both Government fair priced shop as well as gaon Panchayat Samabi Sammittee ?

(c) What concrete steps Government is contemplating to stop this practice and from when this steps will be implemented ?

Shri Ardhendu Kumar Dey, (Minister of food & Civil Supplies) replied :

(a) Food and Civil Supplies Department does not have any such report.

(b) No.

(c) The District/Subdivisional authorities are responsible for proper functioning of Public Distribution system. If any specific report about enjoying the benefit of Public Distribution System commodities both from Fair Price shops and Gaon Panchayat Samabai Sammittee is brought to the notice of the Government immediate action will be taken.

বিষয় : **Revenue Town** ঘোষণা ।

শ্ৰীপ্ৰণব কুমাৰ নাথে সুধিছে :

৪৩৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন কি ?

(ক) কৰিমগঞ্জ জিলাৰ নিলাম বাজাৰকে Revenue Town হিচাবে ঘোষনা কৰা হয়েছে কি এবং কোন কোন গ্ৰাম সমূহকে ইহাৰ অন্তৰ্ভূক্ত কৰা হয়েছে ?

(খ) যদি Revenue Town ঘোষণা কৰা হয়, তাহলে উক্ত এলাকাকে নিয়ে একটি ছোট টাউন কমিটি গঠনেৰ ব্যৱস্থা কৰা হবে কি ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হৈছে। উক্ত নিলাম বজাৰ ৰাজহ টাউনত অন্তৰ্ভুক্ত কৰা গাওঁ সমূহ হ'ল ১) ঈশ্বৰ শ্ৰীমৌজা আৰু ২) ফৰাম পাষা খণ্ড-১।

(খ) এই বিষয়ে ৰাজহ বিভাগে ব্যৱস্থা নলয়। পৌৰ প্ৰশাসন বিভাগেহে টাউন কমিটি গঠনৰ ব্যৱস্থা লয়।

Re. **Wages of Tea Garden Workers.**

Shri Parimal Sukla Baidya asked ;

437. Will the Minister of Labour be pleased to state :

(a) It is a fact that the last wage settlement for the Tea Garden Workers has already expired on 31.10.92 ?

(b) If so, why the tea garden workers still getting wags at the rates of Rs. 15.34 per day per worker ?

(c) Whether Government is taking steps to increase by Rs. 25/- per day considering the 50% rise in price index ?

(d) Whether B. M. S. will be invited in the negotiation table for the next settlement of wages ?

Shri Dileswar Tanti (Minister, Labour) replied :

(a) Yes.

(b) Tea Garden Workers are getting wages as per Government Notification No. CLR (RC) 127/87/Pt/19 dtd. 20.2.90 (copy enclosed) (See Annexure— VII & VIII)

(c) Bipartite Negotiation is going on.

(d) B. M. S. is not included as Negotiation agency from the past.

বিষয় : বাঘবৰ ৰাজহ চক্ৰৰ গবাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংখ্যা ।

শ্ৰীদিলদাৰ বেজ্জায়ে সুধিছে :

৪৩৮। মাননীয়, ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ মুঠ কিমানখন গাওঁ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত জাহ গৈছে আৰু আংশিকভাবে ক্ষতিগ্ৰস্ত হৈছে ? (সম্পূৰ্ণ ভাবে ক্ষতিগ্ৰস্ত হোৱা গাওঁৰ পৰিসংখ্যা বেলেগ বেলেগ দিব)

(খ) উক্ত গাওঁ সমূহৰ ক্ষতিগ্ৰস্ত ৰাইজৰ এতিয়ালৈ কিমানটা পৰিয়ালক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু কিমানটা পৰিয়াল এতিয়াও পুনৰ সংস্থাপন চৰকাৰী ভাবে কৰা হোৱা নাই ?

(গ) এতিয়ালৈ পুনৰ সংস্থাপিত নকৰা লোক সকলক বৰ্ত্তমান আৰ্থিক বছৰৰ (১৯৯২-৯৩) ভিতৰত গোবিন্দপুৰ ৰিজাৰ্ভত পুনৰ সংস্থাপন কৰা হৰনে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বাঘবৰ ৰাজহ চক্ৰৰ সম্পুৰ্ণ ভাবে জাহ যোৱা গাওঁবোৰৰ মুঠ সংখ্যা হল ৫৬ খন আৰু আংশিকভাবে ক্ষতিগ্ৰস্ত হোৱা গাওঁবোৰৰ সংখ্যা ৬৪ খন।

(খ) ১৯৯১-৯২ বছৰত নিম্নতম চাহিদা আঁচনিৰ অধীনত ২১ টা পৰিয়ালক পুনৰ সংস্থাপিত কৰা হৈছে। আৰু মুঠ ২৪১৭ টা পৰিয়ালৰ পুনৰ সংস্থাপন হৱলৈ বাকী আছে।

(গ) উপৰোক্ত পুনৰ সংস্থাপন নোপোৱা ২৪১৭ টা পৰিয়ালৰ ভিতৰত চলিত বছৰত ১৮৩ টা পৰিয়ালক নিম্নতম চাহিদা আঁচনিৰ অধীনত পুনৰ সংস্থাপনৰ প্ৰস্তাৱ হাতত লোৱা হৈছে আৰু এই পৰিয়াল কেইটাক কোন ঠাইত পুনৰ সংস্থাপন কৰা হৰ সেইটো পৰীক্ষাধীন হৈ আছে।

বিষয় : চৰকাৰী বিভাগৰ কৰ্মচাৰী নিয়োগ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৪৪০। মাননীয় নিয়োগ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ জুলাই মাহৰ পৰা চৰকাৰী কোন ৰিভাগত কিমান কৰ্ম্মচাৰী বিষয়া নিয়োগ কৰা হৈছে। (১৯৯২ চনৰ ৩০ নৱেম্বৰলৈ)

(খ) এই নিয়োগৰ ক্ষেত্ৰত চৰকাৰী নীতি নিয়ম মানি চলা হৈছেনে ?

(গ) ১৯৯২ চনৰ জুলাই মাহৰ পৰা ৩০ নৱেম্বৰলৈ কোন ৰিভাগত নিয়োগ বন্ধ ৰখা হৈছে ?

(ঘ) চৰকাৰী ভাবে ঘোষিত নিয়োগ বন্ধৰ সময়ছোৱাত কোনো ৰিভাগত নিয়োগ কৰা হৈছে নে ?

(ঙ) যদি হৈছে কোন ৰিভাগত কিমান হৈছে আৰু তাৰ কাৰণ কি ?

শ্ৰীচিলভিয়াচ কন্দপান (নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯২ চনৰ জুনলৈ মুঠতে ৬৩৯ জন তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগ

কৰা হৈছে।

(খ) নিয়োগৰ ক্ষেত্ৰত চৰকাৰী নীতি নিয়ম মানি চলা হৈছে।

(গ) অসম চৰকাৰৰ ২৪/৬/৯২ তাৰিখৰ এ, বি, পি, ৬৬/৯২/৭৭ ৰ নিৰ্দ্দেশ মতে ১৯৯২ চনৰ জুলাই মাহৰ পৰা ৩০ চেপ্তেম্বৰলৈ সকলো নিযুক্তি বন্ধ আছিল।

(ঘ) তেনে তথ্য আমাৰ হাতত নাই।

(ঙ) প্ৰশ্ন নুঠে।

ৰিষয় : ৰামপুৰ হাইস্কুলৰ নামত মাটি আৱণ্টন।

শ্ৰীযতীন মালীয়ে সুধিছে :

৪৪১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ হাইস্কুলৰ (এতিয়া হায়াৰ চেকেণ্ডাৰী) নামত মুঠ কিমান মাটি আৱণ্টন দিয়া হৈছিল আৰু কেতিয়া ? (চিঠা দিব)

(খ) স্কুলৰ মাটিকালি বৰ্ত্তমানো একেদৰে আছেনে ? কোনোবাই বেদখল কৰিছে ?

(গ) যদি বেদখল কৰিছে কোনে কৰিছে আৰু কেতিয়াৰ পৰা কি উদ্দেশ্যেৰে কৰিছে ?

(ঘ) যদি বেদখল হৈছে উচ্ছেদ কৰাৰ বাবে সোনকালে ব্যৱস্থা লবনে ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ হাইস্কুলৰ এতিয়া হায়াৰ চেকেণ্ডাৰী নামত বৰ্ত্তমানলৈকে ৰেকৰ্ডমতে ৰাজহ বিভাগে কোনো মাটি আৱণ্টন দিয়া নাই। গতিকে কেতিয়া হৈছিল তাৰ প্ৰশ্ন নুঠে।

(খ) ৰামপুৰ মৌজাৰ ২ নং ৰামপুৰ গাওঁৰ ৬৮৭, ৬৯৩' ৮৩৪ নং দাগৰ মুঠ ২০ বিঘা ৩ কঠা ৫ লেচা মাটিত ৰামপুৰ হাইস্কুল (বৰ্ত্তমান হায়াৰ চেকেণ্ডাৰী) ৰামপুৰ এম, ভি স্কুল আৰু অমঞ্জুৰী প্ৰাপ্ত কালিপ্ৰসাদ ছোৱালী হাইস্কুল আছে। উক্ত মাটিৰ চিঠাৰ মন্তব্যৰ ঘৰত স্কুল বুলি লিখা আছে আৰু স্কুলৰ বাহিৰে কাৰো বেদখল নাই। (চিঠাৰ নকল গাঠি দিয়া হ'ল)।

(See Annexure IX)

তাৰোপৰি ৩ নং ৰামপুৰ গাওঁৰ ১৭৬ নং দাগৰ ৩ বিঘা ৪ কঠা ৮ লেচা মাটি চিঠাৰ মন্তব্যৰ ঘৰত ৰাইজৰ লাগতিয়াল মাটি আৰু স্কুল ফিল্ড বুলি লিখা আছে উক্ত ৩ বিঘা ৪ কঠা ৮ লেচা মাটিৰ ভিতৰত ২ কঠা ১০ লেচা মাটিত দক্ষিণ ৰামপুৰ সমবায় সমিতিৰ কাৰ্য্যালয় ও দোকান, ১ কঠা ৫ লেচা মাটিত ৰামপুৰ মণ্ডল কংগ্ৰেছৰ কাৰ্য্যালয় আৰু ১ কঠা ১৫ লেচা মাটিত জিলা গ্ৰামীন বিকাশৰ দ্বাৰা অৰ্দ্ধনিৰ্মিত ঘৰ আছে। (চিঠাৰ নকল গাঠি দিয়া হ'ল)।

(গ) উক্ত ১৭৬ নং দাগৰ চিঠাৰ মন্তব্যৰ ঘৰত স্কুল ফিল্ড আৰু ৰাইজৰ লাগতিয়াল মাটি বুলি লিখা থকা ৩ বিঘা ৪ কঠা ৮ লেচা মাটিৰ ভিতৰত ১ কঠা ৫ লেচা প্ৰায় ২০ বছৰ আগৰ পৰাই মণ্ডল কংগ্ৰেছে ২ কঠা ১০ লেচা দক্ষিণ ৰামপুৰ সমবায় সমিতিয়ে ৮ বছৰ আগৰ পৰা ১ কঠা ১৫ লেচা জিলা গ্ৰামীন বিকাশে ৩ বছৰ আগৰ পৰা আৰু বাকী ২ বিঘা ৩ কঠা ১৮ লেচা ৰামপুৰ হাইস্কুলে খেলপথাৰ হিচাবে ৰাজহ বিভাগৰ হুকুম নোহোৱাকৈ বেদখল কৰি আছে।

(ঘ) উক্ত বেদখলকাৰী সকলক বেদখল উচ্ছেদ কৰাৰ কাৰণে কোনো ব্যৱস্থা হাতত লোৱা নাই।

বিষয়ঃ জলসিঞ্চন বিভাগৰ আঁচনি।

শ্ৰীমুনিন মহন্তয়ে সুধিছে :

৪৪২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমানলৈকে মৰিগাওঁ জিলাত কিমান জলসিঞ্চন আঁচনি গ্ৰহণ কৰা হৈছে আৰু আঁচনি বোৰৰ নাম কি কি ?

(মৰিগাওঁ জিলাৰ সমষ্টি ভিত্তিত লিষ্ট সদনৰ মেজত দাখিল কৰিব)

(খ) এই আঁচনি সমূহৰ কাৰ্য্যক্ষম / অকাৰ্য্যক্ষম কেইটা আৰু অকাৰ্য্যক্ষম কেইটাৰ মেৰামতিৰ ব্যৱস্থা লোৱা হৈছেনে ?

(গ) সকলোবোৰ আঁচনি সম্পূৰ্ণ কৰা হৈছেনে ?

(ঘ) বৰ্ত্তমান বছৰত মৰিগাওঁ সমষ্টিত জলসিঞ্চন আঁচনিৰ অনুমোদন হৈছেনে ?

(ঙ) যদি হৈছে, আঁচনিসমূহৰ নাম কি ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন) বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈকে মৰিগাও জিলাত মুঠ ৬৬ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি জলসিঞ্চন বিভাগে গ্ৰহণ কৰিছে আৰু সমষ্টি ভিত্তিত আঁচনি সমুহৰ নাম সদনৰ মেজত দাখিল কৰা হ'ল। (See Annexure X)

(খ) ১৯ খন আঁচনি কাৰ্য্যক্ষম হৈ আছে। ৪ খন আঁচনি সম্পুৰ্ণ কাৰ্য্যক্ষম কৰিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লৈ থকা হৈছে। বাকী ৪৩ খন আঁচনি নিৰ্ম্মান স্তৰত আছে।

(গ) ওপৰৰ উত্তৰত উল্লেখ কৰা মতে ২৩ খন আঁচনি সম্পুৰ্ণ কৰা হৈছিল।

(ঘ) বৰ্ত্তমানলৈকে হোৱা নাই।

(ঙ) ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বিষয় ঃ গভীৰ নলী-নাদ আঁচনি

শ্ৰীবিনোদ গোৱালায়ে সুধিছে ঃ

৪৪৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(১) ১ নং জনগন্ধ কবৈ পথাৰ, নলনী পথাৰ, টেঙা হোলা ওপৰ লাংঠা বাৰঘৰীয়া পথাৰ, হাজাৰী, সৰু লাংঠা পথাৰত D.T.W. আঁচনিৰ লোৱা ব্যৱস্থা চৰকাৰে কৰিছেনে ?

(২) যদি কৰা নাই আঁচনি লোৱা ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বিত্তীয় বছৰত গন্ধকবৈ পথাৰত ২টা গভীৰ নলী-নাদ আঁচনি প্ৰস্তাৱ আছে।

নলনী পথাৰত ৪ টা গভীৰ নলী-নাদ আঁচনি ইতিমধ্যে কাৰ্য্যকৰী কৰা হৈছে। এই চাৰিওটা নলী-নাদেই বৰ্ত্তমান কাৰ্য্যক্ষম আৰু ইয়াৰ দ্বাৰা নলনী পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰি থকা হৈছে।

টেঙাহোলা পথাৰত ১টা গভীৰ নলী-নাদ আঁচনি চলিত বছৰত ইতিমধ্যে কাৰ্য্যক্ষম কৰি তোলা হৈছে। আৰু বৰ্ত্তমানে উক্ত নলী-নাদৰ দ্বাৰা টেঙাহোলা পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

লাংঠা পথাৰত বৰ্ত্তমানলৈকে কোনো আঁচনিৰ প্ৰস্তাৱ লোৱা

হোৱা নাই।

ৰাৰঘৰীয়া পথাৰত এটি উত্তোলন জলসিঞ্চন আঁচনিৰ কাম কৰি থকা হৈছে আৰু প্ৰায় ৭০% কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

হাজাৰী পথাৰত বৰ্ত্তমানলৈকে কোনো আঁচনিৰ প্ৰস্তাৱ লোৱা হোৱা নাই।

সৰু লাংঠা পথাৰত ১ টা গভীৰ নলী-নাদৰ আঁচনি চলিত বছৰত ইতিমধ্যে কাৰ্য্যক্ষম কৰি তোলা হৈছে আৰু বৰ্তমানে উক্ত নলী-নাদৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(খ) ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বিষয়: মাটি বেচা-কিনাৰ অনুমতি।

শ্ৰীচন্দন কুমাৰ চৰকাৰে, সুধিছে:

৪৪৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) মাটি বেচা-কিনা কৰাৰ বাবে চৰকাৰৰ আগতীয়াকৈ অনুমতি লাগে, কিন্তু ৫ বিঘা মাটি, বেচা-কিনা কৰিবলৈ অনুমতি নেলাগিব বুলি নিৰ্বাচনী ইস্তাহাৰত কংগ্ৰেছ (ইং) পাৰ্টিয়ে প্ৰতিশ্ৰুতি দিছিল নেকি আৰু উক্ত প্ৰতিশ্ৰুতি বৰ্ত্তমান চৰকাৰে পালন কৰিছেনে?

(খ) ভৱিষ্যতে মাটি বেচা-কিনাৰ অনুমতি পত্ৰ উঠাই দিয়াৰ ব্যৱস্থা চৰকাৰৰ হাতত আছে নেকি?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়, প্ৰতিশ্ৰুতি দিছিল আৰু উক্ত প্ৰতিশ্ৰুতি সম্পৰ্কত বৰ্ত্তমান চৰকাৰে এতিয়াও সিদ্ধান্ত লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

**Re. P. F. Contribution.**

Shri Rameswar Dhanowar asked:

445. Will the Minister of Labour be pleased to state:

(a) How many Tea gardens are defaulters in depositing of P.F. contribution as per provisions of the A.T.P.

P.F. and pension scheme Act 1995 ?

(b) How many Tea gardens are habitual defaulters ? (Furnish name districtwise and amount)

Shri Dileswar Tanti (Minister, Labour) replied :

(a) 101 Tea Estates and tea factories.

(b) 22 Tea Estates.
District-wise name and amount are shown in annexure enclosed.

(See Annexure- XI)

বিষয় : ২ টকীয়া দৰত চাউল যোগান।

শ্ৰীমুজিবুৰ ৰহমানে সুধিছে :

মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বৰ্ত্তমান কিমান পৰিয়ালক ২ টকীয়া চাউল যোগান ধৰি থকা হৈছে ?

(খ) এই চাউল নিয়মিত হিচাবে সকলোতে সৰবৰাহ কৰা হৈছেনে ?

(গ) ২ টকীয়া চাউল প্ৰাপ্ত পৰিয়ালৰ সংখ্যা বৃদ্ধি কৰাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছেনে আৰু যদি লোৱা হৈছে কেতিয়াৰ পৰা বৃদ্ধি কৰিব ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰতি মাহে ৪ (চাৰি) লাখ পৰিয়ালক ২ টকীয়া চাউলৰ যোগান ধৰাৰ ব্যৱস্থা কৰি থকা হৈছে।

(খ) এই চাউল নিয়মিত হিচাবে সৰবৰাহ কৰাত কিছু অসুবিধা হৈছে, কাৰণ অসমৰ বাহিৰৰ পৰা নানা কাৰণত সময়মতে গুকত চাউল আনিব পৰা নাই।

(গ) বৰ্ত্তমান ধাৰ্য্য কৰা ৪ (চাৰি) লাখ পৰিয়ালতকৈ আৰু সংখ্যা বৃদ্ধি কৰাৰ আঁচনি নাই।

বিষয়ঃ চাহ সম্প্ৰদায়ৰ নিবনুৱাক নিযুক্তিৰ সুবিধা ।

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ চাহ বাগিছা আৰু প্ৰাক্তন চাহ বাগিছাৰ বনুৱা সম্প্ৰদায়ৰ শিক্ষিত নিবনুৱা সকলৰ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীছিলভিউছ কন্দপান (নিয়োগ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমৰ চাহ বাগিছা আৰু প্ৰাক্তন চাহ বাগিছা বনুৱা সম্প্ৰদায়ৰ শিক্ষিত নিবনুৱা সকলৰ নিযুক্তিৰ ক্ষেত্ৰত এখন কুৰি দফীয়া আঁচনি বিবেচনাৰ বাবে চৰকাৰে অলপতে এখন কমিটি গঠন কৰিছে ।

বিষয়ঃ নগাওঁ জিলাত জলসিঞ্চন আঁচনি!

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

৪৪৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ কিমানখন জলসিঞ্চন আঁচনিৰ জৰিয়তে পানী যোগান ধৰি খেতিয়কক সহায় কৰিব পাৰিছে ?

(খ) ফুলগুৰি সোঃ আৰু বাওঁফালৰ আঁচনি দুটা বৰ্তমান কি অৱস্থাত আছে ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নগাওঁ জিলাত মুঠ ২টা বৃহত, ১ টা মজলীয়া আৰু ৪০ টা ক্ষুদ্ৰ জলসিঞ্চন আঁচনিয়ে পানী যোগান ধৰি আছে ।

(খ) ফুলগুৰিৰ সোফাল আৰু বাওঁফালৰ কেন্দ্ৰ দুটা সংযোজিত কলং জলসিঞ্চন (বৃহত) আঁচনিৰ অধীনত। ফুলগুৰিৰ সোফালৰ জলসিঞ্চন কেন্দ্ৰৰ কাম ৯০% শতাংশ সম্পূৰ্ণ হৈছে আৰু এই কেন্দ্ৰৰ যোগেদি ১১৪০ (A A) হেক্টৰত ১৯৮৪ চনৰ পৰা পানী যোগান ধৰি থকা হৈছে।

ফুলগুৰিৰ বাওঁফালৰ জলসিঞ্চন কেন্দ্ৰৰ কাম ১৯৮৫ চনৰ পৰা আৰম্ভ কৰা হ'য়। আৰু ৪০% শতাংশ কাম সম্পূৰ্ণ কৰা হৈছিল।

কিন্তু ১৯৮৬-৮৭ আৰু ১৯৮৯-৯০ চনৰ বানপানীয়ে এই কেন্দ্ৰৰ নলা ও উত্তোলন কেন্দ্ৰৰ ঘৰটো বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে।

Re: **Lo- Jania D.T.W.S.**

Shri Rupam Kurmi asked :

449. Will the Minister of Irrigation be pleased to state :

(a) Whether the estimate for A.A. of Lo-Jania D.T.W.S. under Mariani L.A.C. has been prepared ?

(b) If not, what early measures has been taken by the Government in this regard ?

Shri Zahirul Islam (Minister, Irrigation) replied :

(a) Yes.

Does not arise..

বিষয় : চিৰামিলৰ অনুজ্ঞাপত্ৰ।

শ্ৰীযতীন মালীয়ে সুধিছে :

৪৫০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯২-৯৩ বিত্তীয় বছৰটোত চৰকাৰে মুঠ কিমানটা চিৰামিল আৰু মিনি মৰ্ডান ৰাইছ মিলৰ অনুজ্ঞা দিবলৈ সিদ্ধান্ত লৈছে ?

(খ) উক্ত মিল সমুহ সমষ্টি ভিত্তিত দিবনে ?

(গ) যদি সমষ্টি ভিত্তিত দিয়ে তেন্তে প্ৰতি গৰাকী বিধায়কৰ অনুমোদন সাপেক্ষে দিবনে আৰু যদি দিয়ে কিমানকৈ দিব ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৯২-৯৩ বিত্তীয় বছৰটোত চৰকাৰে সৰ্বমুঠ ৭৪৩ টা চিৰামিল আৰু ক্ষুদ্ৰ আধুনিক ধানবনা কল স্থাপনৰ বাবে অনুজ্ঞা দিবলৈ সিদ্ধান্ত লৈছে।

(খ) নহয়।

(গ) প্ৰশ্ন নুঠে।

Re: New Tea Estates

Shri Rameswar Dhanowar asked :

451. Will the Minister of Labour be pleased to state :

(a) How many new Tea Estates were so far been brought under the provision of A.T.P.P.F. and pension scheme Act (Assam Act X) of 1995 from 1987 to 1992 ?

(b) What are the names of these Tea gardens ? (Furnish the name districtwise.)

(c) Whether the schemes were properly implemented as per provision of section 4 of the said Act ?

Shri Dileswar Tanti (Minister, Labour) replied :

(a) 51 Tea Estates and Tea Factories.

(b) List of new Tea Estates and Tea Factories is enclosed in Annexure.

(See Annexure-XII)

(c) Yes.

বিষয় : রাম নগর F.C.I. গোদাম ।

শ্রীপরিমল শুক্ল বৈদ্যয়ে সুধিছে :

৫৫২। মাননীয় খাদ্য ও অসামরিক যোগান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) শিলচর রাম নগরস্থিত F. C. I. গোদামের চাল কেলেংকারীর ব্যাপারে সরকার ওয়াকিবহাল আছেন কি ?

(খ) উক্ত ব্যাপারে অসাম সরকারের পক্ষথেকে কি ব্যাবস্থা নেওয়া হইয়াছে ?

Dr. Ardhendu Kumar Dey (Minister, Food & Civil Supplies) replied :

(ক) না ।

(খ) কোন প্রশ্ন উঠে না ।

**Re : Centralisation of Trade Unions.**

Shri Parimal Sukla Baidya asked :

453. Will the Minister of Labour be pleased to state :

(a) It is a fact that because of Centralising the registering of Trade Unions under Registrar of Tarde Union, Guwahati since 1987 new trade unions are facing extreme difficulty for registration ?

(b) If so, whether the Goverenment will take steps for Registering trade unions under respective Zonal Office as it was prior to 1987 ?

Shri Dileswar Tanti (Minister, Labour) replied ?

(a) It is not a fact.

(b) Does not arise.

Mr. Speaker : Question Hour is over. Now short Notice Questions.

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই 'জিৰ আৱাৰত' ৰাজহ মন্ত্ৰীক এটা প্ৰশ্ন কৰিছিলো। তেখেতে আজি এখন চিঠি দিছে যে 'ল' এণ্ড অৰ্ডাৰ'ৰ কাৰণে উত্তৰ আহি পোৱা নাই গতিকে পিচুৱাব লাগে। মই জনাত দৰং জিলাত ল' এণ্ড অৰ্ডাৰৰ একো হোৱা নাই। গতিকে অধ্যক্ষ মহোদয় আমাৰ সদনত এতিয়া এটা পিচুৱাই থকা পৰম্পৰা চলি আছে। অধ্যক্ষ মহোদয় ইয়াৰ কি ব্যৱস্থা হ'ব।

Mr. Speaker : I will give my rullings

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয় যোৱা কালি 'জিৰ আৱাৰত' মই আপোনাৰ দৃষ্টি আৰ্কষন কৰিছিলো যে যোগীঘোপা কাগজ কলৰ পানী যোগান আৰু দেৰগাৱৰ চেনিকলৰ কৰ্ম্মচাৰী সকলে যোৱা চাৰি মাহে দৰ্মহা পোৱা নাই। যোৱা কালি তেওঁলোকে বিজ্ঞান সভাৰ আগত ধৰ্ণাও দিছে। তেওঁলোকে মোক সুধিছে, এই বিষয়ে কিবা সিদ্ধান্ত লৈছে নেকি ?

এতিয়া চেনিকলটো ব্যক্তিগত খণ্ডকে দিয়ক বা চৰকাৰৰ হাততে থাকক এই কৰ্ম্মচাৰী সকলৰ কাৰণে কিবা এটা ব্যৱস্থা লব লাগে।

(Point of order Sir, point of order from the various members)

Mr. Speaker : Point of order is not a point of order. See Mr. Patowary, please discuss with the concerned Minister.

Now, short Notice Question No I

## Short Notice Questions & Answers

বিষয়ঃ গোগামুখ-ঘিলামৰা বিদ্যুৎ লাইন নিৰ্মাণ সম্পৰ্কে।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

১। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোগামুখৰ পৰা ঘিলামৰা ৩৩ কে, ভি লাইন নিৰ্ম্মান কৰা কথা সঁচানে ?

(খ) যদি সঁচা, উক্ত লাইনৰ যোগেদি ঘিলামৰা আৰু ঢকুৱাখানাত বিদ্যুৎ যোগান দিয়া হৈছেনে ?

(গ) কোন চনৰ কোন তাৰিখৰ পৰা উক্ত লাইনৰ যোগেদি বিদ্যুৎ যোগান ধৰা হৈছে ?

(ঘ) বৰ্ত্তমান বিদ্যুৎ যোগান অব্যাহত আছেনে ?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) হয়, নিৰ্ম্মাণ কৰা হৈছে।

(খ) ১৯৯২ চনৰ ১ এপ্ৰিল তাৰিখে জেষ্ঠ বৈদ্যুতিক পৰিদৰ্শকৰ অনুমতি সাপেক্ষে

(গ) লইনটোত ৩৩ কে, ভি বিজুলী সঞ্চাৰ কৰা হৈছিল আৰু এই লাইনৰ

(ঘ) যোগেদি ঘিলামৰালৈ ১০/৪/৯২ তাৰিখলৈকে শক্তি যোগান ধৰা হৈছিল। কিন্তু জেষ্ঠ বৈদ্যুতিক পৰিদৰ্শকৰ অনুমতি নোপোৱা হেতুকে ১০/৪/৯২ তাৰিখৰ পৰা বিদ্যুৎ যোগান ব্যাহত হৈ আছে। লাইন আৰু উপ-কেন্দ্ৰৰ সন্দৰ্ভত জ্যেষ্ঠ বৈদ্যুতিক পৰিদৰ্শকক উন্নুকিওৱা আসোঁৱাহ সমুহ

দুৰ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মহোদয়, এই তাকৰীয়া সময়ৰ প্ৰশ্নটো মই যোৱা বাজেট অধিবেশনতো কৰিছিলো আৰু মন্ত্ৰী মহোদয়ে সেই একে উত্তৰ দিছিল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, জ্যেষ্ঠ বৈদ্যুতিক পৰিদৰ্শকৰ পৰা কি অনুমতি পোৱা নাই। আৰু মন্ত্ৰী মহোদয়ে আসোঁৱাহৰ কথা কৈছে কিন্তু কি আসোঁৱাহ যোৱা বাজেট অধিবেশনত মন্ত্ৰী মহোদয়ে মোক প্ৰতিশ্ৰুতি দিয়া মনত আছে যে এই বিলাক ঠিক কৰি দিব। আজি ইমান মাহ পাৰ হৈ গ'ল একো ঠিক নহল। মন্ত্ৰী মহোদয়ে এই অনুমতি আৰু আসোঁৱাহৰ কথা জনাবনে?

শ্ৰীদেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আসোঁৱাহ মানে বিদ্যুৎ উপকেন্দ্ৰৰ আসোঁৱাহ, লাইনৰ আসোঁৱাহ। লাইনত আসোঁৱাহ থাকিলে বিদ্যুৎ সঞ্চাৰ কৰিব নোৱাৰি। গতিকে এই আসোঁৱাহ সমূহ দুৰ কৰাৰ কাৰণে মই ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীনগেন শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, শক্তি মন্ত্ৰীয়ে আসোঁৱাহ দুৰ কৰিম বুলি কৈছে। কিন্তু আসোঁৱাহ কেতিয়া দুৰ কৰিব। শক্তি মন্ত্ৰীয়ে যোৱা অধিবেশনতে তেখেতৰ শক্তি প্ৰদৰ্শন কৰি দেখুৱাম বুলি কৈছিল। কিন্তু এতিয়াও শক্তি প্ৰদৰ্শন কৰি দেখুৱাব পৰা নাই।

শ্ৰীদেৱানন্দ কোঁৱৰ (শক্তি মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয় মই শক্তি প্ৰদৰ্শন কৰাৰ কথা নহয়, বিদ্যুৎ লাইনৰ আসোঁৱাহ বিলাক দুৰ কৰিব পাৰিলেই বিদ্যুৎ সঞ্চাৰ কৰিব পৰা হ'ব। এই আসোঁৱাহ বিলাক দুৰ কৰিবলৈ কিছুমান যন্ত্ৰ পাতিৰ দৰকাৰ আৰু এই যন্ত্ৰপাতি বিলাক আহি পালেই সকলো ঠিক হৈ যাব।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মহোদয়, মই ঢকুৱাখানাৰ পৰা এম, এল, এ হিচাবে নিৰ্বাচিত হৈ আহিছো আৰু গতিকে সেই অঞ্চলৰ অভাৱ অভিযোগ বিলাক সদনত উত্থাপন কৰাতো মোৰ দায়িত্ব। সেইদৰে মন্ত্ৰী মহোদয়োৰো এই সমস্যাবিলাক দুৰ কৰাতো এটা দায়িত্ব। মই এম, এল, এ হিচবে আপোনাক প্ৰশ্ন কৰাৰ অধিকাৰ আছে। আপুনি যদি এইখিনি নকৰে মই কেনেকৈ গণতন্ত্ৰক বিশ্বাস কৰিম বা আপুনিয়েই বা কেনেকৈ মন্ত্ৰী হৈ থাকিব।

আপোনাৰ পৰা মই স্পষ্ট ভাৱে জানিব বিচাৰিছো অহা বাজেট অধিবেশনৰ আগে আগে গোগামুখ-ঘিলামৰাৰ বিদ্যুৎ লাইনৰ বিদ্যুৎ সঞ্চাৰ নিয়মীয়া কৰিবনে নকৰে ।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয় যদি গণতন্ত্ৰক ৰক্ষা কৰিব খোজে তেন্তে দুয়োজনেই পদত্যাগ কৰা ভাল হব ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, অহা বাজেট অধিৱেশনৰ আগে আগে যদি ভাল নহয় তেন্তে মই পদত্যাগ কৰিম আৰু মন্ত্ৰী মহোদয়েও কওঁক যদি তেওঁ বাজেট অধিবেশনৰ আগে আগে বিদ্যুৎ যোগান নিয়মীয়া কৰিব নোৱাৰে তেওঁ পদত্যাগ কৰিবনে নকৰে ।

শ্ৰীদিলীপ শইকীয়া সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, লক্ষীমপুৰ আৰু ধেমাজী অঞ্চলত এতিয়ালৈকে বিজুলী যোগানৰ ব্যৱস্থা কৰা হোৱা নাই । এই অঞ্চলত বিজুলী যোগানৰ ব্যৱস্থা কেতিয়ালৈকে কৰিব ? আৰু বিজুলী যোগানৰ ব্যৱস্থা কৰিব নোৱাৰালৈকে ডিজেল জেনেৰেটাৰৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মই দুটা প্ৰশ্নৰ উত্তৰ একেলগে দিবলৈ বিছাৰিছো । মাননীয় সদস্য নৰহ ডাঙৰীয়াই বিধায়ক হিচাবে নিশ্চয় মোৰ ইস্তাফা দাবী কৰাৰ অধিকাৰ আছে । আৰু মোৰ মন্ত্ৰী হিচাবে তেখেতৰ কথাৰ লগত একমত নোহোৱাৰ অধিকাৰ আছে । যিহেতুকে তেখেতে যিবিলাক কামৰ কথা কৈছে সেই কাম বিলাক কৰি থকা হৈছে । এই বিলাক যান্ত্ৰিক কথা গতিকে বাজেটৰ আগে আগে সম্পূৰ্ণ হৈ যাব বুলি মই নিশ্চয়তাৰে আশ্বাস দিব নোৱাৰো । তেখেত সকলে উত্থাপন কৰা মতে মই এচুৰেঞ্চ দিছো । আৰু সেই মতে কাম কৰি থকা হৈছে । চেফটি কোনচৰ কথা আছে । এই বিলাক বাহিৰৰ ৰাজ্যৰ পৰা আহে । পুনা, বেম্বে আদিৰ পৰা এই চেফটি কোমোডিটিচ বিলাক আহে । কিন্তু এই বস্তু বিলাক চাপ্লায়াৰে যোগান ধৰিব পৰা নাই । ৩০ কে, ভি বস্তু এতিয়ালৈ যোগান ধৰিব পৰা নাই । এইবিলাক ব্যৱস্থা কৰি আছো কিন্তু কেৱল যে ঘিলামৰাৰ কথা তেনে নহয় অসমৰ আৰু বহুতো গাওঁ আছে সেই বিলাকতো বহুতো অসুবিধা আছে । সেই সকলোবিলাক তথ্য সদনত জনাইছো । মই চেষ্টা কৰি আছো চেষ্টাৰ কোনো ক্ৰুটি কৰা নাই । চেষ্টা কৰি থকা স্বত্বেও যান্ত্ৰিক বস্তু বিলাক যিহেতু

বাহিৰৰ পৰা আহে বহুতো অসুবিধা হৈ আছে। ভাৰত হেভী ইলেকট্ৰিকেলচৰ অৰ্ডাৰ পৰি আছে কিন্তু চাপ্লাই হোৱা নাই। বিধায়ক গৰাকীয়ে গণতান্ত্ৰিক পদ্ধতি উদ্ভাৱন কৰি যি সমস্যাৰ উত্থাপন কৰিছে সেই গণতান্ত্ৰিক পদ্ধতিৰে গৈ মই সমস্যা সমাধান কৰিব পাৰিম।

শ্ৰীদিলীপ শইকীয়া সোনোৱাল : ডিজেল জেনেৰেটাৰৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : ডিজেল জেনেৰেটৰৰ কথাটো বিদ্যুৎ বিভাগেও লোৱা নাই। এইটো লোৱাত কিছু অসুবিধা আছে।

বিষয় : ঢকুৱাখানা আৰু ঘিলামাৰা **R. E. C. Sub-Division** ৰ বিষয়া কৰ্মচাৰী সম্পৰ্কে।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) REC Sub-Division ৰ কাৰ্য্যালয়ত বিষয়া কৰ্ম্মচাৰীৰ মুঠ সংখ্যা কিমান থাকে ?

(খ) ঢকুৱাখানা আৰু ঘিলামাৰা REC Sub-Division ৰ কাৰ্য্যালয়ত বিষয়া কৰ্ম্মচাৰীৰ মুঠ সংখ্যা কিমান ? (পৃথক পৃথককৈ দেখুৱাব)

(গ) মঞ্জুৰীকৃত পদৰ বিপৰীতে উক্ত কাৰ্য্যালয় দুটাত বিষয়া কৰ্ম্মচাৰী নিয়োগ কৰা হৈছেনে ?

(ঘ) উক্ত কাৰ্য্যালয় দুটাত খালী পদ সমূহত বিষয়া কৰ্ম্মচাৰী কেতিয়া নিয়োগ কৰিব ?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) (১) এজন উপ-সংমণ্ডল অথবা ১ (এক) জন সহকাৰী কাৰ্য্যবাহী অভিযন্তা, কনিষ্ঠ অভিযন্তা ২ (দুই) জন অন্যান্য কৰ্ম্মচাৰীৰ সংখ্যা (১১) এঘাৰৰ পৰা (৩৭) সাতত্ৰিশ জনলৈকে থাকে।

(খ) ঢকুৱাখানা আৰু ঘিলামৰা এই দুটা গ্ৰাম্য উপ-সংমণ্ডলত বৰ্ত্তমান বিষয়া কৰ্ম্মচাৰীৰ মুঠ সংখ্যা ক্ৰমে ২৭ জন আৰু ১৮ জন। এই সংক্ৰান্তত বিতং তথ্য পৰিশিষ্ট—১ ত সন্নিবিষ্ট কৰা হৈছে।

(See Annexure VI))

(গ) R.E.C Sub-Division আৰু Division গঠন কৰা হয় মাথোন গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি ৰূপায়ন কৰিবলৈহে। ই এটা স্থায়ী ব্যৱস্থা
(ঘ) নহয়। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কৰ্ম ভিত্তিত আৱশ্যকীয় কৰ্ম-ক্ষেত্ৰৰ পুনৰ গঠন আৰু জন শক্তিৰ পুনৰ্বিন্যাসৰ পৰ্য্যালোচনা কৰি আছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মহোদয়, ঘিলামৰা আৰু ঢকুৱাখানাত যিমান কেইজন অফিচাৰ দেখুৱাইছে, ঠিক তেনেকৈ তাত নাই। ঘিলামৰা আৰু ঢকুৱাখানাত ক্ৰমে দুজন/এজনকৈহে অফিচাৰ আছে। মুঠ ৬ জন অফিচাৰ আছে। গতিকে এনে ভুল তথ্য যিজন বিষয়াই দেখুৱাইছে মন্ত্ৰী মহোদয়ে তদন্ত কৰি যদি মই কোৱাটো সঁচা হয় সেই বিষয়া জনৰ ওপৰত বিহিত ব্যৱস্থা লবনে?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা কথাটো মই তদন্তৰ ব্যৱস্থা কৰি বিহিত ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিম আৰু সদনত জানিবলৈ দিম।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে, যদি সেই পদ বিলাক খালি হৈ আছে সেই বিলাক কেতিয়া পূৰণ কৰাৰ ব্যৱস্থা লব?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): অনুসন্ধান কৰাৰ পাচত, এইটো বিবেচনা কৰিম।

বিষয়: তাৰ্কৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে:

৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ধেমাজী জিলাৰ নদ-নদী, মঠাউৰী সমুহ শিলৰ বুৰুজ দি উন্নত ধৰণে নিৰ্ম্মাণ কৰাৰ কিবা আঁচনি হাতত লৈছে নেকি?

(খ) যদি লৈছে তেন্তে কি কি আঁচনি আৰু কিমান টকাৰ আঁচনি ধাৰ্য্য কৰিছে জনাবনে?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, ধেমাজী জিলাৰ মথাউৰী সমূহৰ ৰক্ষনাবেক্ষণ আৰু নদ-নদীৰ খহনীয়া প্ৰতিৰোধৰ কেইখনমান আঁচনি হাতত লোৱা হৈছে।

(খ) এই বছৰৰ বাৰ্ষিক পৰিকল্পনাত তলত উল্লেখ কৰা অঁাচনি কেইখন অন্তভু্ক্ত কৰা হৈছে।

(1) A/E measures at 10th K.M. of Kumutia dyke R/B from Borbilla to Moralchuk, including widening of embankment Estt. cost = Rs. 17.73 Lakhs.

(2) A/E measures at 1st K.M. of M/E alone left Bank of Gainadi up-stream of Railway line to Barutigaon, Estt. cost = Rs. 24.02 Lakhs.

(3) A/E measures at 12th K.M. of Kumutiya dyke R/B from Borbilla to Moralchuk. (11.90-12.40 K.M.) Es t: cost = Rs. 16.07 Lakhs.

(4) A/E measures including widening of embankment 15.50 K.M. of Kumutiya R/B from Borbilla to Moralchuk:
Estt. eost = Rs. 47.32 Lakhs.

(5) A/E measures including widening of embankment around 13.50 K.M. of Kumutiya dyke R/B from Borbilla to Moralchuk:
Estt. cost = Rs. 55.58 Lakhs.

(6) A/E measures of Subansiri River near Dirpai village.
Estt. cost = Rs. 63.96 Lakhs.

(7) A/E measures at 6th K.M: of Marginal embankment along R/B of River Silley in Jonai Civil Sub-Divisson, from Leku C.P.W.D. Bridge to Bahir Silley ph-11
Estt. cost = Rs. 19.40 Lakhs.

(8) A/E measures at 20th K.M. of Brahmaputra dyke from Digmore to Sonarigaon, including construction of Blind Dam at Arney Nallah. Estt. cost =
Rs. 13.25 Lakhs.

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তিনিঘৰীয়া জীয়াঢল ফেজ নং ১ আৰু ২ৰ ৭'৫০ কিলোমিটাৰ এটা মথাউৰীৰ কাৰণে আঁচনি প্ৰস্তুত কৰা সঁচানে? ধেমাজী মহকুমা বানপীড়িত অঞ্চল এই পীড়িত মহকুমাৰ জনসাধাৰণক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ তাৰ পৰা ৰাইজ আহি মন্ত্ৰী মহোদয়ক স্মাৰকপত্ৰ দিয়াটো সঁচানে? ধেমাজী ডিভিজনৰ ঠিকাদাৰ সকলক বিলৰ টকা আদায় নিদিয়া কাৰণে তেওঁলোকে নতুন কাম কৰিব নোৱাৰো বুলি প্ৰস্তাৱ লোৱা সঁচানে? এতিয়ালৈকে ঠিকাদাৰ সকলক কিমান টকা দিবলৈ আছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহৰেণ ভুমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি কেইটা আঁচনি হাতত লোৱা হৈছে তাত এই আঁচনিটোৰ কথা উল্লেখ নাই। সেই তথ্য মোৰ হাতত নাই।

শ্ৰীদিলীপ শইকীয়া : যোৱা ১ তাৰিখে বিভাগীয় মন্ত্ৰী, সচিব, মুখ্য অভিযন্তা আৰু মোক তাৰ স্থানীয় বিধায়ক হিচাবে ৰাইজ আহি স্মাৰকপত্ৰৰ দ্বাৰা জনাইছে যে যোৱা বানত এই তিনিকিলোমিটাৰ ভাঙি নিছে সেইখিনি যদি এতিয়া সোনকালে বান্ধি নিদিয়ে তেনেহলে প্ৰায় ৬৫ খন গাওঁৰ হাহাকাৰ অৱস্থা হব তেওঁলোকে পানীৰ তলত থাকিব লাগিব।

শ্ৰীহৰেণ ভুমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) : সেই অঞ্চলৰ ৰাইজে স্মাৰকপত্ৰ দিয়া সঁচা আৰু স্মাৰক পত্ৰ পৰীক্ষা কৰিবলৈ দিয়া হৈছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : এই বিষয়টো লৈ মই ইয়াৰ আগতেওঁ বিধান সভাত বক্তৃতা ৰাখিছো। এই দাইকচোৱা যদি ডিচেম্বৰ মাহৰ ভিতৰত বন্ধা নহয় তেতিয়াহলে ৰাইজৰ সৰ্বনাশ হব। আনহাতে তাত বৰ্ত্তমান যিজন কাৰ্য্যবাহী অভিযন্তা আছে তেওঁ ধেমাজীত নাথাকে। বিল পেমেণ্ট কৰিবলৈ গৈ এই বিষয়াজনে ঠিকাদাৰৰ ওপৰত লাঠি চাৰ্জ কৰাইছে যাৰ কাৰণে বহুত ঠিকাদাৰৰ জখম হৈছে। এতিয়া মোৰ প্ৰশ্ন হৈছে এই জীয়াঢল কুমুতীয়া ৭'৫০ কি: মি: কাম ডিচেম্বৰৰ ভিতৰত কৰিব নে নাই?

শ্ৰীহৰেণ ভুমিজ (মন্ত্ৰী) : ধেমাজী ডিভিজনত কিমান টকা দিবলৈ আছে সেইটো তথ্য মোৰ হাতত নাই কিন্তু যোৱা ছেপ্তেম্বৰ মাহ পৰ্য্যন্ত এই ডিভিজনত

বিভিন্ন হেডত এল-ও-চি ইচু হৈছে ৫৮·৪৮ টকা।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : এই দাইকটো অতি গুৰুত্বপুৰ্ণ। বাননিয়ন্ত্ৰন বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াইও বিষয়টো জানে। গতিকে তেখেতে কেবিনেট মন্ত্ৰীৰ লগত আলোচনা কৰি বিহীত ব্যৱস্থা সোনকালে লব নে ?

শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক বান নিয়ন্ত্ৰণ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথা সঁচা। মই নিজে গৈ চাই আহিছো। সেইখিনি যদি ভেটা নাযায় ৬৫ খন গাওঁ নহয় ধেমাজী টাউনখনে যাব। আঁচনি প্ৰস্তুত কৰা হৈছে। টি-এ-চিত পাছ কৰাৰ পাছত নিশ্চয় ব্যৱস্থা কৰা হব।

শ্ৰীভৰত নৰহ : অধ্যক্ষ মহোদয়, ধেমাজী জিলাখনেই ফ্লাড প্ৰন এৰিয়া। এই চৰকাৰৰ দিনত সোৱানশিৰীৰ বাওঁপাৰে ৰুপহীহাট গগামুখ এই আঁচনি দুটা দুবাৰ টি-এ-চিত পাছ কৰিলে আনকি এলুৱেল প্লেনতো ধৰা হ'ল কিন্তু এতিয়ালৈকে আঁচনিৰ কাম আৰম্ভ কৰা নাই। মই বান নিয়ন্ত্ৰণ মন্ত্ৰীক নিজে ৪ বাৰ মুখ্য অভিযন্তা আৰু সচিবক ৬ বাৰ লগ কৰিছো কিন্তু আজিলৈ টেণ্ডাৰ কল কৰাব নোৱাৰিলো এতিয়া বাৰিষা আহিল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কেতিয়া টেণ্ডাৰ কল কৰিব ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) : মই যোৱা অধিবেশনতে কৈছিলো upto September, 1992 LOC issued under three Heads, the total amount of Rs. 53.48 Lakhs.

শ্ৰীদিলীপ কুমাৰ শইকীয়া : এই কাৰ্য্যবাহী অভিযন্তাজন তাত নাথাকে। আমাৰ ৰাজ্যিক ৰাজহ মন্ত্ৰীয়েও জানে মুৰ তুপিয়াই আছে, ঠিকাদাৰক পেমেণ্ট কৰোতে লাঠি চাৰ্জ কৰাইছে, ঠিকাদাৰৰ জখম হৈছে হাজৰিকা নামৰ এই কাৰ্য্যবাহী অভিযন্তা জনে কাৰো কথা নামানে ভুৱা বিল বনাই টকা আত্মসাৎ কৰিছে তেওঁৰ ওপৰত বিহীত ব্যৱস্থা সোনকালে লবনে ?

শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী) : অনুসন্ধান কৰি বিহীত ব্যৱস্থা লোৱা হব।

Shri Haren Bhumij (Minister): Sir, The breaches of embankment in the last part of 1991 were closed. It would be endeavour of the Government to see that the most of the breaches are closed up and the remaining breaches would be taken up as soon as. The found position is improved.

শ্ৰীদিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ ধেমাজীৰ কাৰ্য্যবাহী অভিযন্তাজন ধেমাজীত নাথাকেই— তেওঁ প্ৰায়েই গুৱাহাটীতেই থাকে। ধেমাজীত থকা সময়ত তেওঁ কেৱল অসত্য বিল সমূহ দিবলৈ দি পাছ কৰে। গতিকে এই কাৰ্য্যবাহী অভিযন্তাজনৰ বিৰুদ্ধে কি বিহিত ব্যৱস্থা লৈছে আমি জানিব বিচাৰিছো।

শ্ৰীহৰেন ভূমিজ (মন্ত্ৰী) : তেওঁৰ বিৰুদ্ধে থকা অভিযোগ সমূহ পৰীক্ষা কৰি ব্যৱস্থা লোৱা হব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ। যোৱা ২১ ডিচেম্বৰ, ১৯৯২ তাৰিখে মাননীয় সদস্য শ্ৰীহিতেশ ডেকা আৰু মই মেডিকেল আৰু ৰাজহ বিভাগৰ ওপৰত একোটাকৈ প্ৰশ্ন আনিছিলো। তাৰ উত্তৰ চলিত বিধান সভাতে দিয়াৰ কথা আছিল। আজি বিধান সভা শেষ হবই। গতিকে ষ্টেটমেণ্টটো কেতিয়া দিব ?

অধ্যক্ষ : ষ্টেট্মেণ্ট্ দিব।

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ষ্টেট্মেণ্ট্ ৰেডি কৰি থোৱা আছে কেৱল আপোনাৰ অনুমতিৰ বাবে ৰৈ আছো।

Mr· Speaker : It will be given today.

Now, Item No. 2

Shri Promod Gogoi : On this item No. 2 regarding the charges on the consolidated fund of the state for the year 1993-94, Speaker Sir, according to explanation provided in the document most of the money had to be paid to meet the decretal amount i.e. in respect of the District Administration it amounted to more that 2 Lakhs and similar is the case in the Police Deptt. more than 2 lakhs in the case of the Administration of Personnel Building 17 lakhs.

Speaker Sir, in most of the Department they had to pay the decretal amount as per decision of the Court.

Therefore, we would like to know from the Government whether this ease were properly defended by the Government or by the Law Department and why such a huge amount had to be paid. According to our information most of the cases were not properly defended by the Government in the court of law. Therefore we would like from the Government actually what happen, what steps were taken by the Government or by the respective Department to defend the cases? There is no details regarding the cases against which the decrease were made by the respective Courts. Therefore we would like to know the Government the details about the cases and the causes for which these amount were decreted by the respective Courts.

Shri Giasuddin Ahmed : Mr. Speaker, Sir, in addition to what had been stated by Honourable Member Shri Promod Gogoi, I would like to know what steps Government have taken regarding the follow up actions on the matters and the procedure is that when a civil suit is filed a notice is given to the Government, a two months notice, before filing the suit and this notice is given as per Provision of the Civil Procedure Court only to enable the Government to settle the matter before it is raised in a Court of Law. What steps Government took in response to the notices under section 80 CBC before these cases were raised in the Court of Law.

Mr. Speaker : Minister Finance to reply :

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker, Sir, Honourable Member Shri Promod Gogoi has raised

the point of decretal amount and wanted to know whether the Government took action to defend the cases. Sir, I will look into it and the appropriate steps would be taken on the matter as raised by Honourable Member, Shri Promod Gogoi.

I will also look into the points raised by Mr. Giasuddin Ahmed and I will take necessary steps.

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ। ইয়াৰ ষ্টেট্‌লিষ্টত যিটো হেড্‌চাৰ্জ অনা হৈছে— সেইটো আলোচনা নহলে নহব। এতিয়া দেখিছো ইয়াত ৫ লাখ টকা এন্‌মাৰ্ক কৰা আছে। এইটো আমি সদস্য সকলে আলোচনা কৰিব বিচাৰো।

Mr. Speaker : It has been sorted out. Now, Honourable Minister Parliamentary Affairs to move Grant No.1.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to move that an additional amount of Rs. 30 lakhs only be granted to the Minister-in-charge defray certain charges which will come in the course of payment during the year ending the 31st March, 1993 in connection with the administration of "State Legislature".

Mr. Speaker : There is no Cut-motion. So I put the motion before the House. The Motion is that on the recommendation of the Governor an additional amount of 0.30 lakhs only be granted to the Minister in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1993 in connection with the administration of "State Legislature".

Those who are in favour say "Eyes"

Eyes have it, Eyes have it, Eyes have it' Motion is passed, the Grant No. 1 is passed.

Now, Grant No. 3.

Honourable Law Minister will move.

শ্ৰীনগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ। অসম বিধান সভাত আজি চাৰ কমিটিৰ প্ৰস্তাৱ ইংৰাজীত প্ৰকাশ কৰা পাইছো— কিন্তু ইয়াৰ অসমীয়া ভাৰ্চন আমি পোৱা নাই। এইটো উথাপন কৰাৰ আগতে আমাক আলোচনাৰ বাবে লাগিব— তেতিয়াহলেহে আমি দফাই দফাই আলোচনা কৰিব পাৰিম।

অধ্যক্ষ ঃ সময়ৰ অভাৱৰ কাৰণে সেইটো কৰিব পৰা নহব। ভৱিষ্যতে আৰু নহব।

শ্ৰীনগেন শৰ্ম্মা : এইটো অসম বিধান সভা বৃটিছ পাৰ্লিয়ামেণ্ট নহয়। অসম বিধান সভাতে যদি অসমীয়া ভাৰ্চন নহয় তেতিয়াহলে ক'ত হব? অসমীয়া ভাষাটোক অৱমাননা কৰা হৈছে— লগতে অসমীয়া জাতিটোক অপমানিত কৰা হৈছে। এইটো সাংঘাটিক ডাঙৰ কথা হৈছে।

(সদনত হুলস্থুল)

(ভইচেচ— অসম বিধান সভাতেই যদি অসমীয়া কপি নাপাও— এইটো বৰ দুভ্যাৰ্গ্যজনক। ইয়াৰ দ্বাৰা অসমীয়া জাতিটোক ইনচাল্ট কৰা হৈছে)

Mr. Speaker : We regret for this and I assure you that this it will not be repeated again. We regret our inability to supply Assamese version.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, আপুনি যিটো ৰুলিং দিছে এইটো যাতে ভৱিষ্যতে নহয় তাৰ বাবে সতৰ্ক থাকে যেন। আপুনি দোষ প্ৰকাশ কৰাৰ কাৰণে আমি মান্তি হৈছো।

অধ্যক্ষ : ৰিগ্ৰেট কৰাৰ পিচত তেনেকৈ কব নালাগে।

Now Grant No 3 Minister, Law is to move.

* Shri Devananda Konwar, (Minister) Sir, I beg to move that an additional amount of Rs. 12 lakhs only be granted to the Minister in-charge to defracy certain charges which will come in the course of payment during the

year ending the 31st March, 1993, in connection with the Administration of Justice.

Mr. Speaker : Now Shri Samarendra Nath Sen to move.

Shri Samarendra Nath Sen : Sir, I beg to move that the total provision of Rs. 12,00,000 under Supplementary Demand for Grant No. 3 in respect of "Administration of Justice" at page 2 of the List of Supplementary Demands to be reduced by Rs. 100.00 i.e. the amount of the whole Supplementary Demand of Rs. 12,00,000 stand reduced by Rs. 100.00.

Mr. Speaker : Now, Shri Jew Ram Boro to move.

Shri Jew Ram Boro : Sir, I beg to move that the total provision of Rs. 12,00,000 under Supplementary Demand for Grant No. 3 in respect of "Administration of Justice" at page 2 of the List of Supplementary Demands be reduced by Rs. 100.00 i.e. the amount of the whole Supplementary Demand of Rs. 12'00,000 do stand reduced by Rs. 100.00.

Mr. Speaker Now, I call upon Shri Samarendra Nath Sen to speak.

* Shri Samarendra Nath Sen : We find that the Advocate appearing for Government cases do not get their fees even after two three years. On one pretext or other, they have been denied payment or caused to be waited for payment for an indefinite period. In such a situation, the Government cases get lost in the Court. I have seen that the Government Advocates who have retired do not get their

* Speech not corrected.

payment for years end. Similarly, the PPs do not get their fees regularly. So, Justice delayed is justice denied. We have seen, there are several vacancies in the High Court which have not been filled up. There is another problem of accommodation for Judical Officers who have been facing this to the detriment of the work. We request the Honourable Minister to look into this matter.

Thank you.

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যি কেইজন মাননীয় সদস্যই অংশ গ্ৰহন কৰিব, তেখেত সকলে প্ৰথমতে কাট-মোশ্যনটো মুক্ত কৰিব লাগে। তাৰ পাচতহে আলোচনা কৰিব লাগে।

Mr. Speaker: Now, I call upon Shri Jew Ram Boro to speak.

শ্ৰীজীউ ৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, যিটো অন্যস্থা প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱৰ যিটো গ্ৰাণ্ট তাত এড্‌ভোকেট জেনেৰেল, পৰামৰ্শ দাতা আৰু চৰকাৰী উকীল সকলক সুবিধা দিয়াৰ কাৰণে গ্ৰাণ্টটো আহিছে। আজি এই বিধান সভাতে অলপ আগতে কেইগৰাকীমান মাননীয় সদস্যই অভিযোগ কৰিছে যে অসমীয়া ভাষাত হব লাগে সেই সম্পৰ্কত মই কব খোজো যিহেতু বড়ো ভাষাকো ৰাজ্যৰ সহযোগী ভাষা হিচাবে পৰিগনিত কৰা হৈছে তেনে ক্ষেত্ৰত বড়ো ভাষাতো কোৰ্টৰ কাম কাজত ব্যৱহাৰ কৰিবলৈ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। বহুক্ষেত্ৰত আমি দেখা পাইছো আমাৰ বেচিভাগ লোকে বড়ো ভাষা ব্যৱহাৰ কৰে গতিকে উকীল বা এডভোকেট জেনেৰেল অফিচৰ কথা-বাৰ্ত্তা বিলাক বড়ো ভাষাত তৰ্জমা কৰি দিব পাৰিলে ভাল হয়। মই এটা বিশেষ কথা জনাব বিচাৰিছো আমাৰ মঙ্গলদৈ কোৰ্টত দুটা এচিষ্টেণ্ট পোষ্ট বহুদিন ধৰি বেক লগ হৈ আছে। গতিকে এই বেকলগ হৈ থকা পোষ্ট দুটা অনতিপলমে ফিলআপ কৰাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। দুখৰ বিষয় আমাৰ তিনিজন বিধায়কক পুলিচ কাচটডিত ৰখা হৈছে আৰু তেওঁলোকে এইবাৰৰ বিধান সভাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে, এতিয়াও বিচাৰ চলি আছে, আজি ২৫ দিন পাৰ হল

বিচাৰ শেষ হোৱা নাই। গতিকে আৰু দীৰ্ঘদিন পুলিচ কাষ্টডিত নাৰাখি যেতিয়া বিচাৰৰ সময় হব কোৰ্টত অনাৰ ব্যৱস্থা হব লাগে কিয়নো ইণ্টাৰোগেশ্যন কৰোতে ইমান দিন লাগেনে? মই আন এটা কব খুজিছো যে আমাৰ বিধান সভাত অসমীয়া বঙালী বা হিন্দী ভাষাৰ ট্ৰেন্সলেটৰ আছে গতিকে আমি সকলো কথা ভাল দৰে বুজা-বুজিৰ কাৰণে বড়ো ভাষাৰো ট্ৰেন্সলেটৰ ৰখাৰ ব্যৱস্থা কৰিব লাগে। অনাস্থা প্ৰস্তাৱত কও যে এডভোকেট জেনেৰেল আৰু চৰকাৰী উকীল আৰু পৰামৰ্শ দাতাৰ কাম বিলাকত বড়ো ভাষাৰ লোক নিযুক্তি দিব লাগে।

বিষয়ববীয়া বড়ো ভাষা জনা লোক হব লাগে নতুবা সেই পদবোৰত বা বিভাগত বড়ো ভাষা জনা লোকক নিযুক্তি দিব লাগে অনুৰোধ কৰি কৰ্ত্তন প্ৰস্তাৱৰ সম্পৰ্কত এইখিনিকে বক্তব্য ৰাখি সামৰিলো।

শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত যিহেতু বিভিন্ন ভাষা ব্যৱহাৰ হয়। আমি সকলো বিলাক ভাষা বুজি-নাপাও। গতিকে আমাৰ ইয়াত ইণ্টাৰপ্ৰিটাৰৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত যথেষ্ট এপইণ্টমেণ্ট হৈ আছে। ইয়াত হিন্দী স্পিকিং মানুহ আছে, হিন্দী ট্ৰেনছলেটৰ লাগে। বেঙ্গলী ভাষাত কথা কোৱা মানুহ আছে, বেঙ্গলী ট্ৰেনছলেটৰ লাগে। whether it has been recognised by the constitution or not. (সদনত হাঁহিৰ ৰোল উঠে) আপোনালোকেও নকয় কিয়, লাজ কৰিব নালাগে নহয়। মাননীয় অধ্যক্ষ মহোদয়, এইটো চেটেল কৰি দিব লাগে। পাৰ্লিয়ামেণ্টত যথেষ্ট ট্ৰেনছলেটৰ আছে। গতিকে আমাৰ ইয়াতো প্ৰতিটো সংবিধানৰ স্বীকৃত ভাষাতে ২/৩ জনকৈ ট্ৰেনছলেটৰ নিয়োগ কৰিব লাগে।

মাননীয় অধ্যক্ষ : সদনত বড়ো ভাষাত কবলৈ হলে আগতিয়াকৈ মোৰ অনুমতি লব লাগিছিল। বিনা অনুমতিত বড়ো ভাষাত কব নোৱাৰে। I expunge the entire portion.

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যদি সদনত বিভিন্ন ভাষা প্ৰয়োগ কৰিব লগা হয়, তেতিয়া হলে আমাৰ যি ৰুলচ বহী আছে সেই ৰুলচ বহীটোকে সলনি কৰিব লাগিব।

* শ্ৰীগিয়াছুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰী বিচাৰকক ফিজ দিয়াৰ সন্দৰ্ভত এটা পৰামৰ্শ দিবলৈ বিচাৰিছো। চৰকাৰী বিচাৰকক ফিজ দিয়াৰ যিটো পদ্ধতি সেই পদ্ধতিটো কেন্দ্ৰীভূত হৈ আছে। আমাৰ বিভিন্ন জিলাৰ পৰা চৰকাৰী উকীল সকল জনতা ভৱনলৈ আহিব লাগে আৰু একোজন চৰকাৰী উকীল ২, ৩, ৪, ৫, বাৰ পৰ্য্যন্ত আহি ইয়াত ধন দিব লাগে আৰু যিসকল কৰ্মকৰ্তা ইয়াত আছে তেখেত সকলক সন্তুষ্ট কৰিব লাগে, তাৰ পিছত হে বিল পাছ হয় আৰু টকাখিনি পায়। গতিকে আমাৰ যিটো চেণ্ট্ৰেলাইজ চিষ্টেম আছে সেইটো বাতিল কৰিব লাগে। আৰু এটা কাম কৰিব লাগে চৰকাৰী উকীল বিলাকক ডিষ্ট্ৰীক জাজে পেমেণ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াত কোনো অসুবিধা হব নালাগে। অসমত যিমানখন জিলা আছে আৰু যিমানখিনি টকা দিব লাগে সেইখিনি ডিষ্ট্ৰীক জাজে পেমেণ্ট কৰিলে দুটা সুবিধা হয়। প্ৰথমতে চৰকাৰী উকীল বিলাকৰ সুবিধা হয়। দ্বিতীয়তে ইয়াত যি কাৰবাৰ চলি আছে চৰকাৰী উকীলে ফিজ দিয়াৰ ক্ষেত্ৰত যিবিলাক বেক-ডোৰ চিষ্টেম চলি আছে সেইবিলাক বন্ধ হব। যদিহে এই পদ্ধতিটো বিকেন্দ্ৰী-কৰণ কৰা হয়। মই এইখিনি পৰামৰ্শ দি শেষ কৰিছো।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এডভোকেট জেনে-ৰেল, জাষ্টিচ আৰু চৰকাৰী উকীলৰ সুবিধাৰ কাৰণে যিখিনি টকাৰ কথা কৈছে সেই ক্ষেত্ৰত মই তিনিটা কথা উত্থাপন কৰিব বিচাৰিছো। চৰকাৰে যিটো উদ্বৃত্ত টকা বিচাৰিছে কিন্তু এইটো বিশেষ ভাৱে মন কৰিব লগীয়া এতিয়া আমাৰ যি এডভোকেট জেনেৰেল আছে আৰু অন্যান্য চৰকাৰী উকীল আছে সেই সকলৰ দ্বাৰা চৰকাৰী যিমান বিলাক কেছ পৰি আছে সেইবিলাক যথা সময়ত নিস্পত্তি কৰিব পৰা নাই। এডভোকেট জেনেৰেলৰ সময় নাই। তেখেতৰ সময়ৰ অভাৱৰ কাৰণে ডেফাৰ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুই নম্বৰ কথা হ'ল আমাৰ চৰকাৰী উকীলৰ পেনেল ৩০/৩২ টা হাইকোৰ্টত থাকে। ডিষ্ট্ৰীক কোৰ্ট বিলাকতো ৪/৫টা পেনেল থাকে। মোৰ কথা হ'ল হাইকোৰ্টত দুজনমান উকীলক বিশেষ ভাৱে কেচ সমূহ নিস্পত্তি কৰাৰ বাবে চাৰ্জ দিব লাগে। তাৰ বাবে ফিজ বঢ়াই

* Speech not corrected.

দিয়া উচিত। এনেকুৱা কিছুমান ১ কোটি ২ কোটি টকাৰ কেচ আছে যিবিলাকত পাৰ্টিয়ে চৰকাৰী উকীলক উৎকোচ দিয়ে। কিন্তু যদি প্ৰত্যেক বিভাগতে দুজনমানকৈ উকীল বিশেষভাৱে নিযুক্তি ফিজ বঢ়াই দিয়ে তেতিয়া হলে উৎকোচ লোৱাটো বন্ধ হব আৰু চৰকাৰ কেচ হেৰুৱাটো বন্ধ হব। মাননীয় অধ্যক্ষ মহোদয় মোৰ তৃতীয় কথাটো হ'ল আমাৰ মাত্ৰ এটা টাডা ডেজিগনেটেড কোৰ্ট আছে গুৱাহাটীত। ইয়াৰ আগতে বহুতো জিলাত এই কোৰ্ট আছিল। কিন্তু বিশেষ আইন শৃংখলা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাকী জিলাবিলাকৰ পৰা উঠাই দিয়া হ'ল। এতিয়া ৰাইজৰ সুবিধাৰ বাবে প্ৰতিখন জিলাত নোৱাৰিলেও অন্ততঃ ৪/৫ খন জিলাত এই টাডা ডেজিগনেটেড কোৰ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে কিছু টকাৰ প্ৰয়োজন হব। তাৰ বাবে কিছু টকাৰ বৃদ্ধি কৰিব লাগে যাতে জনসাধাৰণে জাষ্টিচ পায়।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আইন মন্ত্ৰী ডাঙৰীয়াই এদ্‌মিনিষ্ট্ৰেছন অব জাষ্টিছৰ শিতানত যি মঞ্জুৰী বিচাৰিছে সেই সম্পৰ্কত মই কেই আষাৰ মান কথা কব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ উচ্চতম ন্যায়ালয়ত অনেক বিষয়-ববীয়া আছে। চুপ্ৰিম কোৰ্টত কেবাটাও কেছ সীমা বিবাদ সম্পৰ্কত পেণ্ডিং হৈ আছে, অসম অৰুণাচল, অসম নাগালেণ্ডৰ লগত বিশ্বস্ত সূত্ৰে জানিব পাৰিছো সেই কেছ বিলাকৰ কেবাটাও আমাৰ অসমৰ অনুকুলে আছে। কিন্তু আমাৰ এডভোকেট জেনেৰেল বা উকীলে যি ধৰণে চেষ্টা কৰিব লাগে সেই ধৰণে কৰিব পৰা নাই। নাগালেণ্ড, অৰুণাচল প্ৰদেশে তাত আইন সাহায্যৰ বাবে কাৰ্যালয় খুলি লৈছে। তেওঁলোকে এই কেছত জিকিবৰ বাবে প্ৰয়োজনতকৈ অধিক টকা খৰচ কৰিছে মানুহ নিয়োগ কৰিছে। কিন্তু আমাৰ এই ক্ষেত্ৰত কি ব্যৱস্থা কৰিছে? যদি প্ৰয়োজন হয় আমাৰ আৰু টকা লওক। ইয়াত আমাৰ অসমৰ স্বাৰ্থ জৰিত আছে। অসমৰ স্বাৰ্থ ৰক্ষা হব লাগে। চৰকাৰে এই ক্ষেত্ৰত চকু দিব লাগে। আইন মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত যদি প্ৰয়োজন হয় বিত্ত মন্ত্ৰীৰ লগত আলোচনা কৰি আৰু অধিক টকা লব লাগে। মাননীয় অধ্যক্ষ মহোদয় আমাৰ ৰাজধানীৰ গাতে লাগি থকা পিলিংকাটৰ বি ও পিটো উঠাই দিয়া হৈছে। এই অঞ্চলৰ মাটিখিনি মেঘালয়ৰ মাটি বুলি দাবী কৰি কেচ কৰিছে। আমি সেই কেছত আত্ম পক্ষ সমৰ্থন কৰিব লাগিব। সেই মাটি যে মেঘালয়ৰ

নহয় সেই কথাৰ উপযুক্ত প্ৰমাণ দিব লাগিব আমাৰ চৰকাৰী উকীল সকলে। কিন্তু আমাৰ এডভোকেট জেনেৰেলে এই ক্ষেত্ৰত চকু ৰাখিছেনে নাই। এই পিলিংকাটা অঞ্চল ৰাজধানীৰ গাতে লাগি আছে। আমাৰ চৰকাৰে সেই কেছ কেইটাৰ বাবে তাত যি জ্যেষ্ঠ উকীল নিয়োগ কৰিছে তেখেত সকলক সকলো ধৰণে সহায় কৰিব লাগে। যি পৰিমাণৰ টকা লাগে যি ডকুমেণ্ট লাগে সকলোখিনি ফাইল কৰিব লাগে। কাৰণ এইটো অসমৰ স্বাৰ্থৰ লগত জড়িত। অসম মেঘালয় সীমা বিবাদ সম্পৰ্কীয় তদন্ত আয়োগৰ প্ৰতিবেদনো অসমৰ সপক্ষে আছে তেনে ক্ষেত্ৰত উক্ত প্ৰতিবেদনত প্ৰয়োজনৰ ওপৰতো এই চৰকাৰে গুৰুত্ব আৰোপ কৰিব লাগে। জিলাত থকা বহুতো বিচাৰপতিৰ আবাস গৃহৰ অভাৱ তেওঁলোকৰ কাৰণে আবাস গৃহ নিৰ্ম্মাণৰ নামতো চৰকাৰে ব্যৱস্থা কৰি দিব লাগে। ন্যায়ালয়ত বহু বছৰ ধৰি থকা গোচৰ সমূহৰ নিষ্পত্তিৰ ক্ষেত্ৰতো চৰকাৰে ন্যায়ালয়ৰ মুখ্যন্যায়াধীশৰ লগত কথা বতৰা পাতি ক্ষীপ্ৰতাৰে ব্যৱস্থা লব লাগে সেই গোচৰ সমূহ নিষ্পত্তি কৰিবৰ বাবে।

অধ্যক্ষ মহোদয়, অসমৰ লগত অৰুনাচল প্ৰদেশ, নাগালেণ্ড আৰু মেঘালয় ৰাজ্যৰ সীমা বিবাদৰ কেইবাটাও কেচ চুপ্ৰিম কৰ্টত চলি আছে। এই কেচ চলাবৰ কাৰণে যদি আইন বিভাগক আৰু টকাৰ প্ৰয়োজন হয় তেন্তে বিত্ত বিভাগৰ লগত যোগাযোগ কৰি আনিব লাগে। এই কেচত অন্য ৰাজ্যসমূহে যথেষ্ট টকা খৰচ কৰিছে, আমিও ভালদৰে যুজ দিব লাগে, ইয়াত আমাৰ ৰাজ্যখনৰ স্বাৰ্থ জড়িত হৈ আছে। এই দিশত দৃষ্টি দিবলৈ মই মাননীয় আইন মন্ত্ৰীক অনুৰোধ জনাইছো। ৰাজধানীৰ কাষতে থকা পিলাংকাটাৰ বি, অ' পি টো কি কাৰণে কাৰ স্বাৰ্থত উঠাই দিয়া হৈছে মই কব পৰা নাই। কামৰূপৰ মানুহে মেঘালয়ৰ লোকৰ প্ৰৰোচনাত এতিয়া মেঘালয় কৰ্টত কেচ ফাইল কৰিব লগা অৱস্থা হৈছে। এই কথাটোৰ প্ৰতি আমাৰ চৰকাৰে চকু দিব লাগে। আজি নাগালেণ্ডে আমাৰ বৃত্ত মন্ত্ৰীৰ সমষ্টিৰ ৰেললাইনলৈকে তেওঁলোকৰ মাটি আছে বুলি দাবী উত্থাপন কৰিছে। এইবোৰ কেচ চুপ্ৰিমকৰ্টত যুজ দিয়াৰ কাৰণে অসম চৰকাৰে ভাল উকীল নিয়োগ কৰিব লাগে, অধিক টকা খৰচ কৰিব লাগে। টকাৰ অভাৱত ভাল উকীল নিয়োগ নকৰাকৈ থাকিব নালাগে। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ জুডিচিয়েল অফিচাৰ বা জাজ সকলৰ কাৰণে প্ৰায়বোৰ ঠাইতে চৰকাৰী বাসস্থান নাই। কিছুমান

জিলা সদৰত ভাৰাঘৰ এই সকল বিষয়াৰ কাৰণে চৰকাৰে লৈছে যদিও তাত নিৰাপত্তাৰ অভাৱ দেখা যায়। মই এই ক্ষেত্ৰত ধুবুৰীৰ কথাকে কব খুজিছো তাত জুডিচিয়েল বিষয়াৰ কাৰণে য'ত ভাৰাঘৰ আছে সেইটো নিৰাপত্তাৰ দিশত ঠিক নহয়। ৰাজ্যৰ অনান্য ঠাইতো এনে অৱস্থা চলি আছে। আমি জানো এই বিষয়া সকলে একোটাহত মাৰ্ডাৰ কেচৰ জাজমেণ্ট দিব লগা হয় গতিকে তেওঁলোকৰ বাসস্থানৰ নিৰাপত্তাৰ দিশটোৰ প্ৰতি চৰকাৰে মনোযোগ দিব লাগে। এই বিষয়া সকলৰ কাৰণে চৰকাৰে চৰকাৰী বাসগৃহ সকলো ঠাইতে নিৰ্মাণ কৰাৰ প্ৰয়োজন। ইয়াৰ কাৰণে প্ৰয়োজন হোৱা পুজি বিত্ত বিভাগৰ লগত যোগাযোগ কৰি ঠিক কৰিব লাগে। অলপতে নগাওঁ জিলাৰ ডিষ্টিক জাজৰ ঘৰতেই ডকাইটি হৈ গ'ল। পিচত ডকাইট ধৰা পৰিল কিন্তু ওপৰৰ পৰা প্ৰেচাৰ পৰাৰ কাৰণে ডকাইটক ৰিলিজ দিব লগা হ'ল। এই জাজ বা জুডিচিয়েল চাৰ্ভিচৰ বিষয়া সকলে যদি নিজেই নিৰাপত্তাৰ অভাৱত থাকে তেন্তে তেখেতসকলৰ পৰা আমি কি সুস্থিৰ জাজমেণ্ট আশা কৰিব পাৰো? গতিকে চৰকাৰে এই বিষয়া সকলৰ নিৰাপত্তাৰ প্ৰতি চকু দিব লাগে যাতে আমি তেখেত সকলৰ পৰা ভাল কাম পাব পাৰো। লগতে এই সকল বিষয়াৰ কাৰণে চৰকাৰী বাসগৃহ নিৰ্মাণত চৰকাৰে গুৰুত্ব দিব লাগে। চৰকাৰে আমাৰ বি, অ' পি বোৰ যাতে উঠাই দিয়া নহয় তাৰ বাবে চকু দিব লাগে। পিলিংকাটাৰ এই বি, অ,' পিটো পুনৰ তাত ৰাখিব লাগে। নহলে মেঘালয়ে এদিন বেলতলালৈ সীমা দাবী কৰিব। আনহাতে মেঘালয়, নাগালেণ্ড অৰুণাচল চৰকাৰে চুপ্ৰিম কৰ্টত আমাৰ লগত থকা বৰ্ডাৰ কেচ যুজ দিবলৈ যিদৰে নামী, দামী উকীল নিয়োগ কৰিছে, টকা খৰচ কৰিছে, আমাৰ চৰকাৰেও এই ক্ষেত্ৰত তেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, ইয়াৰ কাৰণে অধিক টকাৰ প্ৰয়োজন হলে আমি দিয়াত অকণো আপত্তি নকৰো কিয়নো এই কেচ কেইটাত আমাৰ পজিচন ভাল হৈ আছে, ভাল উকীল নিয়োগ কৰিলে আমি জিকিমেই। এই বিষয়কেইটাৰ প্ৰতি বিভাগীয় মন্ত্ৰী আৰু চৰকাৰে চকু দিব বুলি আশা কৰিলো।

* দেৱানন্দ কোঁৱৰ (আইন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই কাট মোচনৰ ওপৰত মাননীয় সদস্য সকলে যিখিনি কথা কলে, পৰামৰ্শ আগ বঢ়ালে মই তাৰ উত্তৰ হিচাবে কেইটামান কথা কব খুজিছো। মাননীয় সদস্য

* Speech not corrected.

শ্ৰীসেনে এটা কথা উল্লেখ কৰিছে যে আমাৰ পি, পি, আৰু জি, পি সকলক পেমেণ্ট দিব পৰা নাই। কথাটো সঁচা। আমাৰ টকা নাই কাৰণেই আজি এই চাপ্লিমেণ্টৰী ডিমাণ্ড অনা হৈছে আৰু আপোনালোকে আজি এইটো পাছ কৰি দিলেই আমি তেখেত সকলক বাকী থকা পেমেণ্ট খিনি দিব পাৰিম। তেখেত হাইকোৰ্টত ভেকেন্সি থকাৰ কথাও উল্লেখ কৰিছে এইটোও সঁচা কথা, ভেকেন্সি আছে। আমি এই ভেকেন্সি সমূহ পূৰণ কৰিবৰ কাৰণে ইতিমধ্যে ই আমাৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰ আৰু মুখ্য ন্যায়াধীশৰ অনুমোদন সহ কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়লৈ তালিকা পঠোৱা হৈছে। গৃহ মন্ত্ৰণালয়ে চুপ্ৰিম কোৰ্টৰ চিফ জাষ্টিচৰ অনুমোদন সাপেক্ষেহে কেন্দ্ৰীয় চৰকাৰে জাজৰ নিযুক্তি দিব। সোনকালে যাতে এই নিযুক্তি দিব পৰা হয় তাৰ কাৰণে আমি চেষ্টা চলাই আছো। জাজ সকলৰ কাৰণে একোমডেচন নোহোৱাৰ বিষয়ে শ্ৰীমহন্ত ডাঙৰীয়াই উল্লেখ কৰিছে এইটো সঁচা কথা, মই তেখেতৰ লগত একমত। এই বিষয়ে মই নিজে আৰু আমাৰ মুখ্য মন্ত্ৰীয়েও আমাৰ হাইকোৰ্টৰ চিফ জাষ্টিচ ডাঙৰীয়াৰ লগত বিষয়টো আলোচনা কৰিছো। চিফ জাষ্টিচ ডাঙৰীয়াইও এই বিষয়ত যথেষ্ট গুৰুত্ব দিছে। চিফ জাষ্টিচ ডাঙৰীয়াই ডি চিৰ কাৰণে ইমান আহল-বহল অফিচ বিল্ডিং আৰু বাসস্থান আছে কিন্তু জাজ সকলৰ বাসস্থানৰ অৱস্থা ডিলাপিদেটেড বুলিও কৈছে, এই এডমিনিষ্ট্ৰেচন অৱ জাষ্টিচ শিতানটো বা বিভাগটো এটা নন প্লেনৰ ডিপাৰ্টমেণ্ট হোৱাৰ কাৰণেই প্লেনৰ টকা পোৱাত আজি অসুবিধা হৈছে। কিন্তু সুখৰ কথা যে এই বছৰৰ পৰা প্লেনিং কমিচনে এই জুডিছিয়েল বিভাগটো প্লেনত অন্তৰ্ভুক্তিৰ বাবে পৰামৰ্শ আগ বঢ়াইছে। এই বিষয়টো অল ইণ্ডিয়া ল মিনিষ্টাৰ কনফাৰেঞ্চ আৰু চিফ মিনিষ্টাৰত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। এই বছৰৰ পৰা জুডিচিয়েল বিভাগটো প্লেন স্কিমত তেওঁলোকে গ্ৰহণ কৰিব। মই এইখিনিতে মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে ৮ম পৰিকল্পনাত জুডিচিয়েল অফিচাৰৰ কোৱাৰ্টাৰ আদিৰ কাৰণে আমি ৪০ কোটি টকাৰ এখন আঁচনি তৈয়াৰ কৰি জুডিচিয়েল ডিপাৰ্টমেণ্টৰ ওচৰত দাখিল কৰিছো আৰু চলিত বছৰত আমি ইয়াৰে ১২ কোটি টকা বিচাৰিছো। মাননীয় সদস্য শ্ৰীগোস্বামী, শ্ৰীমহন্ত, শ্ৰীবড়ো আৰু শ্ৰীগিয়াছুদ্দিন আহমেদ ডাঙৰীয়াই কেবাটাও সুপৰামৰ্শ আগবঢ়াইছে। অসম অৰুণাচল প্ৰদেশৰ, অসম

মেঘালয় আদিৰ লগত চুপ্ৰিম কৰ্টত কেচ চলি থকাৰ কথা উল্লেখ কৰিছে— বৰ্ডাৰ সম্পৰ্কে। লগতে ৰি, অ,' পি উঠাই দিয়াৰ বিষয়েও উল্লেখ কৰিছে। এই ক্ষেত্ৰত মযো তেখেত সকলৰ লগত একমত। এই ৰিষয়ে চৰকাৰে দৃষ্টি দিব। এডভোকেট জেনেৰেল জন সময়ৰ অভাৱত কেচৰ সময়ত কৰ্টত উপস্থিত নেথাকে বুলিও অভিযোগ আহিছে। এই ক্ষেত্ৰত আমি ব্যৱস্থা লম। সময় মতে কেচত উপস্থিত থাকিব পৰা লোকক, উকীলক হাইকৰ্ট বা চুপ্ৰিম কৰ্টত নিযুক্তি দিয়া হব। অসমৰ স্বাৰ্থৰ হকে যাতে তেওঁলোকে যুজ দিব পাৰে আৰু কেচত জিকিব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়া হব, চকু দিয়া হব। সময়মতে উপস্থিত থাকিব পৰা বিজ্ঞ এডভোকেট জেনেৰেল আৰু দক্ষ তথা ভাল উকীল নিয়োগ কৰাত আমাৰ বাধা নাই, আগতেও এই কাম কৰি অহা হৈছে আৰু এতিয়াও আমি কৰিম।

দ্বিতীয় কথা গিয়াচুদ্দিন আহমেদ চাহাবে কৈছে পেমেণ্টৰ বিকেন্দ্ৰী কৰণৰ কথা। তেখেতে যি কৈছে সেইটো আচলতে টকাৰ অভাৱৰ কাৰণেহে পেমেণ্ট দিব পৰা নাই। বিকেন্দ্ৰীকৰণ কৰা নকৰা সেইটো যুক্তি যুক্ততাৰ কথা। এইটো বিচাৰ কৰি চোৱা হব। কিন্তু টকাৰ অভাৱৰ কাৰণে পি-পিক টকা দিয়া হোৱা নাই। পইচাৰ অভাৱ যাতে নহয় সেইটো চাব লাগিব। বড়ো ভাষাৰ এজন লোক উচ্চ ন্যায়ালয়ত নিযুক্তি দিয়াৰ কথা কৈছিল। আমাৰ পাচজন হাইকোৰ্ট অধিৱক্তা এজন জ্যেষ্ঠ অধিবক্তা বড়ো ভাষা জনা লোক দিয়া হৈছে। কিন্তু অধিবক্তাৰ নিযুক্তিৰ ক্ষেত্ৰত প্ৰফেচনেল প্ৰফিচিয়েন্সি একুৱাৰ কৰাৰ ওপৰত নিৰ্ভৰ কৰে। বড়ো ভাষাৰ লোক নিদিয়াৰ কথা নাই। অন্যান্য ভাষাভাষীও নিদিয়াৰ কথা নাই। কেৱল প্ৰফেচনেল প্ৰফিচিয়েন্সি একুৱাৰ কৰাৰ ওপৰত নিৰ্ভৰ কৰা হয়। পেনেল অব এডভোকেট হাইকোৰ্টত দিয়া হৈছিল। চিনিয়ৰ ডকীয় এজনক দি তেওঁৰ ওপৰত স্বাধীনতা দিয়া হৈছিল কিয়নো তেখেতে বাকী সহকৰ্মী সকলৰ কোন জন কি ৰিষয়ত সিদ্ধহস্ত সেইটো ভালকৈ জানিব পাৰে। কিছুমান অধিবক্তা চেলচ্‌ টেক্সৰ ক্ষেত্ৰত কিছুমান ফিচাৰীৰ বা পঞ্চায়তী-ৰাজ ইত্যাদি চেটলমেণ্টৰ ক্ষেত্ৰত ৰা কন্‌ষ্টিটিচনেল মাটাৰচ্‌ৰ ৰিট দাখিল কৰা, ইনডিভিজুৱেল ৰাকন্‌ষ্টিটিডচনেল ৰাইট প্ৰিজাৰভেশ্যনৰ ক্ষেত্ৰত ইত্যাদি বিভিন্ন ৰিষয়ক বিশেষ জ্ঞান থকা হিচাবে চোৱা হয়। সেই কথাবিলাক চিনিয়ৰ এডভোকেটজনে নিজে দেখি জানি থাকে আৰু সেই কাৰণেই তেখেতৰ ওপৰত স্বাধীনতা দিয়া হৈছিল। আৰু তাৰ বাহিৰেও যদি আন সুবিধা হয় আমাৰ চোৱা চিন্তা কৰি দিয়াত আপত্তি নাই। মাননীয় সদস্য বড়ো

ডাঙৰীয়াই তিনিজন বিধায়কক পুলিচ কাষ্টডিত ৰখাৰ কথাটো উত্থাপন কৰিছিল। তেখেতসকলক পুলিচ কাষ্টডিত ৰখা হৈছে চৰকাৰৰ ইচ্ছা অনুযায়ী নহয়, আদালতৰ ৰায় সাপেক্ষেহে পুলিচ কাষ্টডিত ৰখা হৈছে। ইণ্টৰোগেশ্বনত ইমানদিন লাগেনে আৰু ইনভেষ্টিগেশ্বনত কিমান দিন লাগে এই কথাও উল্লেখ কৰিছে কিন্তু ইণ্টৰোগেশ্বন আৰু ইনভেষ্টিগেশ্বন একে কথা নহয়। আদালতৰ ৰায় সাপেক্ষেহে পুলিচৰ জিম্মাত ৰখা হৈছে চৰকাৰে ইচ্ছা কৰিলেও পুলিচৰ জিম্মাৰ পৰা আনিব নোৱাৰে। আদালতৰ চৰ্ত্ত আৰু আদেশ সাপেক্ষেহে আছে।

অধ্যক্ষ মহোদয়, আমাৰ অসমৰ স্বাৰ্থ ৰক্ষাৰ হেতুকে যি খিনি ভাল অধিবক্তা যাতে নিয়োগ কৰিব পৰা যায় সেই ক্ষেত্ৰত গোস্বামী ডাঙৰীয়া আৰু মহন্ত ডাঙৰীয়াই আগবঢ়োৱা পৰামৰ্শৰ লগত মইও একমত। আমি সেই মতে কেচ বিলাক যাতে ভালকৈ তদাৰক কৰিব পৰা হয় আৰু পেমেণ্ট যাতে ৰেগুলাৰ কৰিব পৰা হয় তাৰ ব্যৱস্থা কৰিবৰ কাৰণে নিশ্চয় ব্যৱস্থা লম। তেখেত সকলে এইখিনি পৰামৰ্শ আগবঢ়োৱা কাৰণে ধন্যবাদ দিছো। এইখিনি কৈ আশা ৰাখিছো যাতে কৰ্ত্তন প্ৰস্তাৱটো মাননীয় সেন ডাঙৰীয়াই আৰু বড়ো ডাঙৰীয়াই যিটো আগবঢ়াইছে সেইটো উঠাই লব।

Mr. Speaker : Shri Samarendra Nath Sen, will you please withdraw your Cut-motion ?

Shri Samarendra Nath Sen : I withdraw the Cut Motion, Sir.

Mr. Speaker : Is it the pleasuee of the House to grant leve to withdraw the Cut Motion ? (Voice—yes, yes). With the leave of the House, the Cut Motion is withdrawn.

Mr. Boro, will you please withdraw your Cut Motion ?

শ্ৰীজীওৰাম বড়ো : চাৰ, মইও উঠাই লম। কেৱল হাইকোৰ্টতে নহয় এডভোকেট দিবলৈ বড়ো মানুহ বহুত আছে। হাইকোৰ্টত দিলেই নহয় অন্যান্য ক্ষেত্ৰতো দিব লাগে। মঙ্গলদৈ কোৰ্টতো নিযুক্তি দিব লগীয়া আছে। বড়ো মানুহো আছে নিযুক্তি দিব পৰা। নহলে অন্য ট্ৰাইবেল লোককো দিব পাৰে। এইখিনি কথা চাব বুলি আশা ৰাখি কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈছে।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut Motion ?

(With the leave of the House, the Cut Motion is withdrawn).

Now, I put the main Motion before the House. The Motion is that an additional amount Rs. 12 Lakhs only be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1993 in connection with the Administration Justice".

The Motion is passed. Grant No. 3 is passed.

Now Grant No. 6. Honourable Revenue Minister. Shri Mukut Sarma to move.

Shri Mukut Sarma (Minister, Revenue) : Mr. Speaker Sir, I beg to move that "On the recommendation of the Governor of Assam that an additional amount of Rs. 2,00 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1993 in connection with the administration of "Land Revenue & land Ceiling".

Mr. Speaker : There are as many as 11 (eleven) Cut Motions received from the following Honourable Members.

They are : 1. Shri Bharat Chandra Narah

Shri Nagen Sarma

Shri Zoii Nath Sarma

2. Shri Thaneswar Boro

3. Shri Zoii Nath Sarma

4. Dr. Kamala Kalita

5. Shri Pranab Kr. Nath
Shri Samarendra Nath Sen
Shri Kali Ranjan Deb
Shri Mission Ranjan Das
Shri Madhusudan Tewary

6. Shri Jew Ram Boro
Shri Derhagra Mushahary
Shri Pani Ram Rabha
Shri Milon Boro

7. Shri Karendra Basumatary
Shri Derhagra Mushahary
Shri Milon Baro
Shri Pani Ram Rabha

8. Shri Promode Gogoi
Shri Giasuddin Ahmed
Shri Alaudding Sarkar
Shri Munin Mahanta

9. Shri Sasha Kamal Handique
Shri Nizamuddin Khan

10. Shri Chandra Mohan Patowary

11. Shri Dewan Jaynal Abedin

No, I request the Honourable Member Shri Thaneswar Boro to move his Cut Motion.

Shri Thaneswar Boro: Sir, I beg to move that the total provision of Rs. 2,00,000,00 under Supplementary Demand for grant No. 6 in respect of 'Land Revenue' and Land Ceiling at page 3 of the list of supplementary demands be reduced by Rs. 100,00 i.e. the amount

of the whole supplementary demand of Rs. 200000.00 do stand reduced by Rs. 100.00.

Mr. Speaker : Mr. Zoiinath Sarma to move.

Shri Zoiinath Sarma : Sir, I beg to move that the total provision of Rs. 200000.00 under supplementary demand for grant No 6 in respect of 'Land Revenue and Land Ceiling' at page 3 of the List of Supplementary Demands be reduced by Rs. 100.00 i.e. the amount of the whole supplementary demand of Rs. 100000.00 do stand reduced by Rs. 100.00.

Mr. Speaker : Now, Shri Bharat Chandra Narah to move.

Shri Bharat Chandra Narah : Sir, I beg to move that the total provision of Rs. 200000.00 under supplementary demand for grant No. 6 in respect of Land Revenue and Land Ceiling at page 3 of the List of Supplementary Demands be reduced by Rs. 100.00 i.e. the amount of the whole supplementary demand of Rs. 200000.00 do stand reduced by Rs. 100.00.

Mr. Speaker : Dr. Kamala Kalita to move.

Dr. Kamala Kalita : Sir, I beg to move that the total provision of Rs. 200.00.00 under supplementary demand for grant No. 6 in respect of Land Revenue and Land Ceiling at page 3 of the List of Supplementary demands be reduced by Rs. 100.00 i. e. the amount of the whole supplementary demand of Rs. 200000.00 do stand reduced by Rs. 100.00.

Shri Paniram Rabha : Sir, I beg to move that the

total provision of Rs. 200.000.00 under supplementary demand for grant No. 6 in respect of Land Revenue and Land Ceiling at page 3 of the List of Supplementary demands be reduced by Rs. 100.00 i.e. the amount of the whole supplementary demand of Rs. 200.000.00 do stand reduced by Rs. 100.00.

Shri Pranab Nath : Sir, I beg to move that the total provision of Rs. 200.000.00 under supplementary demand for grant No. 6 in respect of Land Revenue and Land Ceiling at page 3 of the List of supplementary demands be reduced by Rs. 100.00 i.e.

Shri Pranab Nath : Of the whole supplementary demand of Rs. 2,00 000.00 do stand reduced by Rs. 100.00.

Shri Jiuram Boro : Sir, I beg to move that the total provision of Rs. 200.000.00 under supplementary demand for grant No. 6 in respect of 'Land Revenue and Land Ceiling' at page 3 of the List of Supplementary demands be reduced by Rs. 100.00 i.e. the amount of the whole supplementary demand of Rs. 200.000.00 do stand reduced by Rs. 100.00.

Shri Nizamuddin Khan : Sir, I beg to move that the total provision of Rs. 200.000.00 under supplementary demand for grant No. 6 in respect of 'Land Revenue and Land Ceiling' at page 3 of the List of Supplementary demands be reduced by Rs. 100.00 i.e. the amount of the whole supplementary demand of Rs. 2,00.00 do stand reduced by Rs. 100.00

Shri Munin Mahanta : Sir, I beg to move that the

total provision of Rs. 200,000.00 under supplementary demand for Grant No. 6 in respect of Land revenue and Land Ceiling at page 3 of the List of supplementary demands be reduced by Rs. 100.00 i. e. the amount of the whole supplementary demand of Rs. 200.00.00 do stand reduced by Rs. 100.00.

Mr. Speaker : Now, Mr. Thaneswar Boro will speak.

শ্ৰীথানেশ্বৰ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যি দুই লাখ টকাৰ চাপ্লিমেনটৰী গ্ৰাণ্ট উত্থাপন কৰিছে, অৱশে যদিও অৰ্থৰ পৰিমান কম, তথাপিও এই ক্ষেত্ৰত মই কেইটামান কথা ৰেভিনিউ আৰু লেণ্ড চিলিঙৰ সম্পৰ্কত পৰামৰ্শ আগবঢ়াব খুজিছো। ৰাজহ মন্ত্ৰীৰ তথা তেখেতৰ বিভাগৰ যিখিনি কৰণীয় কাম সেই খিনি সুচাৰু ৰূপে চলাবলৈ মাননীয় সদস্য সকলে পৰামৰ্শ দিয়া উচিত। মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজৰ দিনত বা তাৰ আগতো বা স্বাধীনতাৰ পিছতো বহু বছৰ ধৰি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত আৰু লেণ্ড ৰিফৰ্মচৰ ক্ষেত্ৰত ৰেভিনিউ কালেক্চনৰ পদ্ধতিটো একেই দৰে চলি আহিছে। ১৯৭৮ চনত অসমত যি ৰাজহ ব্যৱস্থা প্ৰৱৰ্ত্তন হ'ল, সেইমতে অসমৰ ভূমি ৰাজহৰ সংগ্ৰহ প্ৰায় কমি আহিছে। ইয়াৰ কাৰণ হৈছে ৰাজহ বিভাগৰ আইন-কানুনৰ কিছু বৃদ্ধি ব্যৱস্থাত ব্যতিক্ৰম হৈছে। যেতিয়া অসমত জনতা চৰকাৰ আছিল, সেই সময়ত এক নিয়ম কৰিছিল, যে যিসকল জনসাধাৰণৰ মাটি বা ভূমি ১০ বিঘা বা ১০ বিঘাৰ তলত থাকে তেওঁলোকে খাজনা দিব নালাগে। গতিকে এই ব্যৱস্থা থকাৰ কাৰণে ৰাইজে বিশেষকৈ অসমৰ থলুৱা লোকে খাজনা দিবলৈ এৰিলে। আৰু যি বিলাক জইণ্ট ফেমেলীৰ ৪০ বা ৪৫ বিঘা মাটি আছিল, সেই সকলে নিজৰ ভাই-ককাইৰ মাজত ভাগ-বটোৱা কৰি ১০ বিঘাতকৈ কম পৰিমাণত ভগাই ললে। ফলত ৰেভিনিউৰ পৰিমাণ একেবাৰে কমি আহিল। তাৰে অৱশ্যে যি সকলে নিজৰ ভূমিক ভাল পায় সেই সকলে খাজনা দিয়ে আৰু বাকী সকলে নিদিয়াৰ ফলত অসমৰ ৰাজহৰ পৰিমাণ আজি প্ৰায় তেনেই নগন্য হৈ পৰিল।

মাননীয় অধ্যক্ষ মহোদয়, আজি মৌজাদাৰী চিচ্টেমৰ ফলত ৰাজহ সংগ্ৰহ কৰাটো অসুবিধা হৈছে। আগৰ তহশীলদাৰী চিচ্টেমটো ভাল আছিল।

এই ৰাজহ সংগ্ৰহ কৰাৰ ওপৰত মৌজাদাৰ সকলক কমিচন দিয়ে। যদি মৌজাদাৰ সকলে ৫৩ হেজাৰকৈ বেচি ৰাজহ সংগ্ৰহ কৰে তেতিয়াহলে ১৫ পাৰচেণ্টৰ পৰা ৩০ পাৰচেণ্ট কমিচন দিয়াৰ ব্যৱস্থা আছে। এতিয়া ৰায়ত সকলে ভূমি ৰাজহ নিদিয়াৰ কাৰণে ভূমিৰ ৰাজহ সংগ্ৰহ কম হয়। তাৰ ফলত মৌজাদাৰ সকলক কমিচন দিয়াৰ অসুবিধা হৈছে। তেওঁলোকে ৰাজহ সংগ্ৰহ কৰাত তাগিদা দিব নোৱাৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৮ চনতে জনতা চৰকাৰে ১০ বিঘাৰ তলৰ ভূমি থকা লোক সকলৰ ভূমি ৰাজহ নাইকিয়া কৰিছে। সেইকাৰণে আজি ৰাজহৰ কথা চিন্তা চৰ্চা কৰিব লগীয়া হৈছে। ভূমি ৰাজহ সংগ্ৰহ কৰাটো পুনৰ প্ৰৱৰ্ত্তন কৰাৰ প্ৰয়োজন। ১০ বিঘালৈ মাটি থাকক বা নেথাকক কিয়, ভূমি ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগে বুলি মোৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়ালো। এই বুলি মই ভূমি ৰাজহৰ পৰিমাণ বঢ়াই দিয়াৰ কথাটো কোৱা নাই। বৰ্ত্তমান চৰকাৰৰ যি ব্যৱস্থা, সেইটোৱেই থাকক। তাৰোপৰি এই কথাটো কোৱাৰ কাৰণে সাধাৰণ মানুহে কব পাৰে যে বিধায়কে এইটো কি পৰামৰ্শ দিছে? খাজনা দিয়াৰ পদ্ধতি ভাল বেয়া বিচাৰ কৰিবলৈ গলে ভালৰ লগতে বেয়াৰ চাইদো আছে। বেয়াৰ কাৰণ বোৰ হৈছে যেতিয়া এটা উদ্যোগ খুলিবলৈ মাটি বিচৰা হয় তেতিয়া মাটিৰ স্বত্ব অধিকাৰ থাকিব লাগে তেতিয়াহে বেংকৰ পৰা ল'ন পোৱা যায়। যিবিলাক ফৰমেলিৰ প্ৰয়োজন সেইবিলাকৰ ক্ষেত্ৰত খাজনা নিদিয়া সকলৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হয়। তেওঁলোকে লেণ্ড পজিচন চাৰ্টিফিকেট লওঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। তাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ ভূমিৰ ওপৰত নতুনকৈ তথ্য পাতি বিচাৰিব লগীয়া হয়। কিন্তু খাজনা দিয়া সকলৰ কাৰণে সেইটো একেবাৰে সহজ হৈ থাকে। খাজনা নিদিয়া সকলৰ ক্ষেত্ৰত মাটি ডোখৰ তেওঁলোকৰ দখলত আছেনে নাই এই কথা এচ্টাব্লিচ কৰোতে অসুবিধা হয়। ফলত থলুৱা লোক সকলে কষ্টভোগ কৰিব লগীয়া হয়। সেই কাৰণে খাজনা দিয়াৰ পদ্ধতিটো থাকিব লাগে। এতিয়া মই এইটো কব খোজা নাই যে ১৯৭৮ চনৰ যি ১০ বিঘা মাটিৰ ওপৰত খাজনহীন আইন-কানুন আছে হঠাতে সেইবোৰ নাইকিয়া কৰি দিবলৈ কোৱা নাই। কিন্তু বিবেচনা কৰিব লাগে। আজি বাহিৰৰ পৰা অহা লোক সকলে আধাকঠা মাটি কিনিলেও তেওঁলোকে খাজনা দিয়াত অলপো কুণ্ঠাবোধ

নকৰে, তেওঁলোকে যি সম্প্ৰদায়ৰ মানুহেই নহওঁক লাগিলে। গতিকে ভাৰতবৰ্ষৰ নাগৰিকৰ কৰ্ত্তব্যৰ মূল্য বুজি তেওঁলোকে খাজনা দিয়ে। সেইকাৰণেই তেওঁলোকে ল'ন আদি সোনকালে পায়। গতিকে এই কথাটোৰ ওপৰতেই মই ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই আগতেই কৈছো যে মৌজাদাৰী পদ্ধতিটো থকাৰ কাৰণে লেণ্ড ৰেভিনিউ কমি গৈছে। আৰু বছৰি বছৰি নদীৰ গড়া খহনীয়াত সাধাৰণ মানুহ সৰ্বহাৰা হৈ ৰেভিনিউ দিব নোৱাৰে, সেইবাবে ৰাজহ কমি গৈছে। যিবিলাক মৌজাত মৌজাদাৰ নাই সেইবিলাক মৌজাৰ ৰেভিনিউ চাৰ্কেলৰ যোগেদি অৰ্থাৎ ৰাজহ চক্ৰ বিষয়া সকলৰ যোগেদি ভূমি ৰাজহ সংগ্ৰহ কৰিব লাগে। আৰু যিবিলাক মৌজাত মৌজাদাৰ আছে সেইবিলাক মৌজাত ৰাজহ সংগ্ৰহ কৰাৰ কাৰণে তেওঁলোকক দিচ্‌টাৰ্ব দিব নেলাগে। এই ক্ষেত্ৰটো মই এটা পৰামৰ্শ আগবঢ়ালো।

মাননীয় অধ্যক্ষ মহোদয়, মই লেণ্ড চিলিংৰ ওপৰত দুটমান পৰামৰ্শ দিব বিচাৰিছো। অসম ভাৰতবৰ্ষৰ এখন অংগ ৰাজ্য। এই ৰাজ্যই আইন কানুন ভালদৰে মানে। বিশেষকৈ লেণ্ড ৰেভিনিউ চিচ্‌টেম বা লেন্দ এক্ট অসমত যথাযথ ভাৱে ইম্‌প্লিমেণ্ট হয়। কিন্তু অসমৰ বাহিৰৰ ৰাজ্য বিহাৰ, ইউ, পি আদিত আইন কানুন প্ৰয়োগ কৰা কঠিন। লেণ্ড চিলিং আইন কৰে কিন্তু যথাযথ প্ৰয়োগ কৰিব নোৱাৰে। লেণ্ড চিলিংৰ যি ৫০ বিঘা মাটিৰ নিৰিখ আছে তাক কমাব নালাগে অন্যথাই প্ৰদাক্‌চনত হেম্পাৰ হব। আজি মদাৰ্ণ চিচ্‌টেমত এগ্ৰিকালচাৰ টেক্টৰ আদিৰে খেতি কৰিব লাগে।

(Mr. Speaker vacated the Chair and Mr. Chairman Shri Giasuddin Ahmed Occupied)

মাননীয় চেয়াৰমেন মহোদয়, আমাৰ দলৰ সদস্য সকলে কমকৈ কব সেই কাৰণে মই বহলাই কৈছো। এতিয়া কথা হৈছে আৰবান ছিলিং এক্টখন গুৱাহাটীত ইমপ্লিমেণ্ট হৈছে।

আৰবান চিলিং এক্টখন গুৱাহাটীত ইমপ্লিমেণ্ট হৈছে। কিন্তু আৰবান চিলিং আইনখন অসমত গুৱাহাটী নগৰৰ বাহিৰে কৰিব পৰা হোৱা নাই। এতিয়ালৈকে গুৱাহাটী চিটিতহে প্ৰযোজ্য হৈছে। বম্বে, কলিকতা আদি ডাঙৰ চহৰবোৰত সেই আইন প্ৰযোজ্য হৈছে। গুৱাহাটীত আৰবান চিলিং এক্টখন

প্ৰয়োগ কৰা হৈছে। সেই মতে এজন মানুহে ডেৰ বিঘাতকৈ বেছি মাটি ৰাখিব নোৱাৰে। কিন্তু দেখা যায় এজন মানুহে ২০-৩০ বিঘা পৰ্যন্ত মাটি ৰাখিছে। মাটি বাৰীৰ ক্ষেত্ৰত অসমত হিন্দু ল'অৰ প্ৰপাৰটি নীতি গ্ৰহণ কৰা হয়। আমাৰ ইয়াত দায়ভাগ পদ্ধতি মতে সম্পত্তি বিতৰণ কৰা হয়। সেই অনুসৰি পিতৃ জীয়াই থকালৈকে বা তেওঁ ঘোষণা নকৰালৈকে সম্পত্তিৰ ভাগ বিতৰণ হব নোৱাৰে। বাপেক মৰিলেহে পুতেকে সম্পত্তিৰ ভাগ পায়। এটা জইণ্ট ফেমিলিৰ মুৰব্বী মানুহৰ নামত সম্পত্তি খিনি থাকে। ধৰক এজন বাপেকৰ ৫ জন পুতেক আছে। তেওঁৰ ৬০ বিঘা মাটি থাকিলে ৬ বিঘা মাটি চিলিংঙত যাব। কিন্তু সেই মাটি ভাগ কৰিলে এজনৰ ভাগত ১২ বিঘাকৈ পৰে। সেই মতে মাটি চিলিংঙত যাব নোৱাৰে। উত্তৰ ভাৰত, পশ্চিম ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰত মিতাক্ষৰ পদ্ধতি চলে। তেওঁলোকে জন্ম সূত্ৰে সম্পত্তিৰ ভাগ বিতৰণ কৰে। জন্মৰ লগে লগে লেণ্ড হলডিং হৈ বিতৰণ হৈ যায়। ৰাজস্থানৰ পৰা অহা লোক সকল অস্থায়ী বাসিন্দা হলেও ৩০/৪০ বিঘা মাটি থাকিলে চিলিং আইনে এওঁলোকক এফেক্ট নকৰে। কাৰণ তেওঁলোক মিতাক্ষৰ পদ্ধতিত চলে। সেই কাৰণে ৰাজহ বিভাগে চিন্তা কৰিব লাগে যাতে দুটা পদ্ধতিত ভূমি আইন প্ৰচলন নহয়। নহলে স্থানীয় লোক সকল ক্ষতিগ্ৰস্ত হব। এজন মানুহৰ যদি ফিচাৰি থাকে, হৰতি-কালচাৰ ফাৰ্ম্ম থাকে তেন্তে বহু মাটি ৰাখিব পাৰে। বুধিয়ক লোক সকলে মাছ নাথাকিলেও ২০ বিঘাৰ পুখুৰী ৰাখিছে। হৰতি কালচাৰ ফাৰ্মৰ বাবে ৰখা মাটি পাট ৰাই পাট বিক্ৰী কৰি কোটি কোটি টকা আয় কৰিছে। ৰাজহ বিভাগে এইবোৰৰ ক্ষেত্ৰত চিন্তা কৰিব লাগে। মাটি ভাগ বতৰা কৰাৰ ক্ষেত্ৰত বৈষম্য নাইকীয়া কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ভূমি ৰাজহৰ ক্ষেত্ৰত এইখিনি পৰামৰ্শ আগ বঢ়ালো। এতিয়া টি, এচ, পি, বা ট্ৰাইবেল বেল্ট ব্লকৰ ক্ষেত্ৰত অলপ কৰ বিচাৰিছো। অসমৰ ২৩ খন জিলাৰ ভিতৰত দুখন পাহাৰীয়া জিলা। ভৈয়ামৰ ২১ খন জিলাৰ ১৪ খন জিলাত ১৯৪৭ চনৰ পৰা ১৯৮৯ চনলৈকে ৪৭ টা ট্ৰাইবেল বেল্ট ব্লকৰ ক্ষেত্ৰত অলপ কৰ বিচাৰিছো। অসমৰ ২৩ খন জিলাৰ ভিতৰত দুখন পাহাৰীয়া জিলা। ভৈয়ামৰ ২১ খন জিলাৰ ১৪ খন জিলাত ১৯৪৭ চনৰ পৰা ১৯৮৯ চনলৈকে ৪৭ টা ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰা হৈছে। সেইবিলাক পৰিচালনা কৰিবৰ কাৰণে চৰকাৰী মেচিনেৰী নাই। এতিয়া

টি, এচ, পিৰ কাৰণে ১১ জন এ, ডি, চিৰ ব্যৱস্থা কৰা হৈছে আৰু তেওঁলোকক জিলাৰ প্ৰধান কাৰ্য্যালয়ত ৰখা হয়। ১৯ জন এচ, ডি, চি মহকুমাৰ হেড কোৱাৰ্টাৰত থাকে। এই সকলক সহায় কৰাৰ কাৰণে ২৮ জন কেৰাণী আৰু ২৮ জন জাৰি কাৰক আছে। তেওঁলোকক কামত যথাযথ ভাৱে খটাব পৰা নাই। চেপ্‌টাৰ ১০ অত কাম-কাজ চোৱা বিষয়া সকলক বিবিধ কামত লগোৱা হয়। চেপ্‌টাৰ ১০ ৰ বিষয়া সকলক কেৱল চেপ্‌টাৰ ১০ ৰ কামত ৰাখিব লাগে। মই আন এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। যি বিলাক মহকুমাৰ অধীনত ট্ৰাইবেল বেল্ট ব্লক আছে সেই বিলাকত এডিচনেল ভূমিৰ উপদেষ্টা কমিটি গঠন কৰিব লাগে। চেপ্‌টাৰ ১০ ৰ দায়িত্ব লোৱা সংগঠন, চিডুল কাষ্ট, অ, বি, চি সংগঠনৰ সভাপতি বা সম্পাদক সকলক লৈ ১০/১২ জনীয়া ভূমি উপদেষ্টা কমিটি গঠন কৰিলে ভূমি এলোটমেণ্টৰ ক্ষেত্ৰত পৰামৰ্শ দিব পাৰিব। সাধাৰণ ভূমি উপদেষ্টা কমিটি সমূহে স্কুল কলেজ ক্লাব, সংঘ আদিক মাটি বন্দবস্তী দিয়াত ব্যস্ত থাকে। পিচপৰা শ্ৰেণীৰ লোক সকলৰ ভূমিৰ সম্পৰ্কত আলোচনা কৰা অসুবিধা হয়। গতিকে সুকীয়া ভূমি উপদেষ্টা বৰ্ডে বা সমিতিয়ে ট্ৰাইবেল বেল্টৰ ভূমি সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শ দিব। এনে ব্যৱস্থা কৰিলে আঁচনি বিলাক ফলপ্ৰসু হব আৰু জনজাতি লোকৰ প্ৰতি-ক্ৰিয়া উপশম হব। তাৰ পিচত কেডেচট্ৰেল চাৰ্ভে নিয়মমতে হব লাগে। কিছুমান অঞ্চলত বিশেষ মনোযোগ দিব লাগে। শদিয়া, ধেমাজী আৰু জোনাই মহকুমা হস্তান্তৰিত অঞ্চল। এই অঞ্চলত কেডেচট্ৰেল চাৰ্ভে বহু বছৰৰ পৰা চলি আছে তাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

চৰ এৰিয়াত চাৰ্ভে কৰাৰ কাৰণে গভৰ্ণমেণ্টৰ পল'চি আছে। ফাণ্ড কম হৈছে যদিও এই ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াব বিচাৰিছো। এটা হৈছে ব্লক চাৰ্ভে টেম্পোৰাৰী কৰিব পাৰি। যিবিলাক চৰ এৰিয়া ষ্টেবুল হৈছে ৩০ বছৰ কালধৰি যিবিলাক মাটি চেটেলড্‌ হৈছে সেই বিলাকত কেডে-ষ্ট্ৰেল চাৰ্ভে কৰিব পাৰে যিবিলাক টেম্পোৰাৰী নেচাৰৰ হয় সেই বিলাকত ব্লক চাৰ্ভে কৰিব পাৰে। কেডেষ্ট্ৰেল চাৰ্ভে কৰোতে এই দিশত চিন্তা কৰিব লাগিব। অস্থায়ী চৰ এলেকাত স্থায়ী ভাৱে বসবাসৰ কাৰণে বিবেচনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই দিশত চিন্তা চৰ্চা কৰি নিজে এটেনচন দি কাম কৰিব লাগে। আমাৰ চেয়াৰম্যান মহোদয়ে মোৰ বক্তৃতা দীঘলীয়া হোৱা বুলি কৈছে—।

শ্ৰীগিয়াচুদ্দিন আহমেদ (চেয়াৰম্যান): মই তেনেকৈ কোৱা নাছিলো, মই লেণ্ড ইউজ বোৰ্ডৰ কথাহে কৰলৈ কৈছিলো।

শ্ৰীথানেশ্বৰ বড়ো: চেয়াৰম্যান মহোদয়, এই বিষয়ে অলপ কম। যদিও এইটো ৰাজহ বিভাগৰ দায়িত্বত আছে, এইটো চেণ্ট্ৰেল চেক্টৰ স্কীম, ফাণ্ড পজিশ্বন ভাল নহয়। এইটো ষ্টেটে হেণ্ডেল কৰিব লাগে, ৰাজহ বিভাগৰ অধীনত আনিলে ভাল হয়। লেণ্ড ইউজ বোৰ্ডৰ কিছুমান গাইড লাইন আছে, তাত এডিচনেল গাইড লাইন সোমাব লাগিব, তেতিয়া হলে যথাযথ ভাৱে কাম কৰিব পাৰিব। আজি জনসংখ্যা বৃদ্ধিৰ কাৰণে মাটি যথেষ্ট কমি গৈছে। আগতে ৰেভিনিউ আৰু ফৰেষ্ট ডিপাৰ্টমেণ্ট একেলগে আছিল। ৰেভিনিউ ডিপাৰ্টমেণ্টে ফৰেষ্ট বিভাগক কন্‌ট্ৰল কৰিছিল। এতিয়া ফৰেষ্ট ডিপাৰ্টমেণ্ট বেলেগ হল আৰু ৰিজাৰ্ভ ফৰেষ্ট কেন্দ্ৰীয় চৰকাৰৰ হাতলৈ গ'ল। যোৱা কালি এটা কথা ওলাইছিল যে হাতী ধৰিব নোৱাৰে, হাতী, বাঘ, ভালুক পুহিবহে পাৰে। তাক ৰাজ্যই ধৰিব নোৱাৰে। ষ্টেটে সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব লাগে। এই ক্ষেত্ৰত ষ্টেটে লছ কৰিছে। ফৰেষ্ট বিভাগ তিনিটাত বিভক্ত। ৰিজাৰ্ভ ফৰেষ্ট, এইটো ৰেভিনিউৰ হাতত নাই। আনক্লাচ ষ্টেট ফৰেষ্ট, এইটোক আমি চনবাৰি বুলি কওঁ গাওঁত তেনেকুৱা আছে। ১৭ হেজাৰ বৰ্গ কি: মিঃৰ প্ৰপোজদ ফৰেষ্ট আছে। ফৰেষ্ট এৰিয়াত যথেষ্ট বেদখল চলি আছে। পুনৰ সংস্থাপনৰ ঘোষণা কৰিব লাগে। কিছুমানত গছ-গছনি নাই চেটেল্ড হৈ গৈছে। কিন্তু স্থায়ী ভাবে বন্দৱস্তি দিয়া হোৱা নাই। এই ক্ষেত্ৰত ফৰেষ্ট কনকাৰেণ্ট লিষ্টত থকাৰ কাৰণে অসুবিধা আছে। ১৭ হেজাৰ বৰ্গ কি: মিঃৰ ভিতৰত ১৩ হেজাৰ বৰ্গ কি: মিত বেদখল হৈছে। যিবিলাক এৰিয়াত মানুহ চেটেল হৈছে আনক্লাচ ফৰেষ্টৰ পৰা ৰেগুলাৰ ফৰেষ্টলৈ কনভাৰ্ট কৰিব লাগে। এইটো মেকআপ কৰিব পাৰি। মই ৰেভিনিউ মিনিষ্টাৰ হৈ থাকোতে গহপুৰ ফৰেষ্ট ৰিজাৰ্ভৰ ক্ষেত্ৰত তেনেকুৱা এটেম্প্ট লৈছিলো। কিন্তু সম্পূৰ্ণ কৰিব নোৱাৰিলো। ৰাজহ বিভাগে এই বিষয়ত চিন্তা চৰ্চা কৰি বিশেষ যত্ন লব বুলি মই আশা কৰিলো।

অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এটা কথা কৈছে, এতিয়া আইন মন্ত্ৰী নাই, বোৰ্ডাৰ মিনিষ্টাৰকে কৈছো, বোৰ্ডাৰ এৰিয়া চিনাক্ত হব লাগে। কামৰূপ জিলাৰ কিছু অংশ গোৱালপাৰাত আছে, তেনেকৈ পাটাছাৰকুছি সমষ্টিৰ কিছু

অংশ নলবাৰীত আছে চাপাগুৰি সমষ্টিৰো কিছু অংশ বৰপেটাত আছে, সেইদৰে নংপো সমষ্টি আৰু নংষ্টইন সমষ্টি মেঘালয় ৰাজ্যত পৰে।

মাননীয় অধ্যক্ষ মহোদয়, নংষ্টইন আৰু নংপো সমষ্টি মেঘালয়ত পৰিছে। পূব গুৱাহাটীত দিশপুৰখন কৰক নহলে বৰ্ডাৰ প্ৰবলেম থাকিবই। সীমান্তত থকা ভূমি নিৰ্দ্ধাৰণৰ কাৰণে এটা সুকীয়া ৰাজহ চেল খুলি ক্লিয়াৰকাট নোটি-ফিকেশ্বন দিব লাগে। সমস্যাবিলাক সমাধান কৰিবলৈ গভীৰভাৱে চিন্তা কৰিব লাগে। ষ্টেটৰ সীমা, জিলাৰ সীমাৰ সমস্যা আছে। সেইকাৰণে দুয়োটা চাইদ ক্লিয়াৰ হব লাগে। যেনে খানাপাৰা, মেঘালয় আৰু খানাপাৰা অসম। লিকাবালি দুই ঠাইত আছে। অৰুণাচল আৰু অসম। কামৰূপ আৰু গোৱাল-পাৰা দুই ঠাইৰ মাজত ধূপধৰা পৰে। কামৰূপ আৰু নগাওঁৰ মাজত জাগিৰোড পৰে। বৰ্ত্তমান মৰিগাওঁ জিলাৰ সীমাতো পৰে। জাগীৰোড মেঘালয় আৰু কামৰূপ জিলাৰ সীমাতো পৰে। এই ঠাইবিলাকৰ সীমা নিৰ্দ্ধাৰণ কৰি সমস্যা সমাধান কৰিব পৰা যায়। মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী দুয়োজনে আলো-চনা বিলোচনা কৰি চেটেলমেণ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰাজহ বিভাগে এই সমস্যা বিলাক সমাধান কৰিব পাৰিব বুলি মই আশা ৰাখিছো। মই যিখিনি পৰামৰ্শ আগবঢ়াইছো তাক চালি-জাৰি চাই যিবিলাক গ্ৰহণযোগ্য হয় সেইবিলাক ৰাজহ বিভাগে কাৰ্য্যকৰী কৰিব পাৰে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker ; Shri Zoii Nath Sarma is absent, Now Shri Bharat Chandra Narah to speake :

* শ্ৰীভৰত নৰহ : মাননীয় চেয়াৰমেন মহোদয়, প্ৰাক্তন মন্ত্ৰী আৰু এ, জি, পি, দলৰ সদস্য শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই সকলো কথা বাখ্যা কৰিছে। ৰাজহ মন্ত্ৰী মহোদয়ে বাতৰি কাগজত ঘোষণা কৰিছে যে পট্টাবিলাক কমপিউ-টাৰৰ যোগেদি পাছ বুক হিচাবে দিয়াৰ ব্যৱস্থা কৰা হৈছে। আগতে দিয়া পট্টাৰ কাগজবিলাক ডাঙৰ ডাঙৰ। পাছবুক বিলাক সৰু। সেইকাৰণে পকেটত লৈ ফুৰিব পাৰি। সেয়েহে কমপিউটাৰৰ ব্যৱস্থা কৰিছে। যি সকলৰ ম্যাদি পট্টাৰ কাগজ নাই তেওঁলোকৰ কি হ'ব ? বিশেষকৈ শদিয়া, জোনাই ঢকুৱাখানা, উত্তৰ লক্ষীমপুৰ আৰু বিশেষকৈ ধেমাজী য'ত ঢকুৱাখানা অন্তৰ্ভুক্ত আছিল। সেই বিলাক ঠাইত থকা কিছুমান মানুহৰ পট্টা নাই। সেই সকলক দিয়াৰ

* Speech not corrected.

ব্যৱস্থা কৰিব লাগে। ৰেভিনিউ চাৰ্কোলৰ চক্ৰৰিষয়া সকলক লগ ধৰি গম পাইছে যে চৰকাৰে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰিছে যদিও ৰেভিনিউ চাৰ্কোলবিলাকত যদি অতিৰিক্ত বিষয়া, কৰ্ম্মচাৰী নিয়োগ নকৰে তেতিয়া কোনেও কৰিব নোৱাৰে। পট্টা দিয়াৰ কাৰনে জৰীপ কৰিব লাগিব। সোৱনশিৰী, ধেমাজী, ঢকুৱাখানা, জোনাই আদি ঠাইত ৰাজহ বিভাগে অতিৰিক্ত ষ্টাফ্ দিয়াৰ ব্যৱস্থা কৰক। নহলে চৰকাৰে কাম শেষ কৰিব নোৱাৰে। ৰাজ্যিক ৰাজহ মন্ত্ৰীয়ে ধেমাজী আৰু জোনাই সমষ্টিৰ বিধায়কক এই বিষয়ে কৈছিল। মুখ্যমন্ত্ৰী মহোদয়ে মাৰ্চ মাহত শদিয়া আৰু জোনাইত গৈ বিধায়ক আৰু ৰাজহুৱা ভাৱে ৰাইজক ঘোষণা কৰিছিল যে ম্যাদী পট্টা বিতৰণ কৰা হ'ব। কংগ্ৰেছ আই চৰকাৰে অতিৰিক্ত ষ্টাফ্ দিলেহে উক্ত ঠাইবিলাকৰ মানুহ উপকৃত হ'ব। আমাৰ খাদ্য-যোগান মন্ত্ৰী শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৰাইচ্ আৰু চিৰামিল দিম। ৮-৯ জন মান মানুহ দিয়ক। কিন্তু মই কেইবাখনো ঠাইৰ পৰা মানুহ যোগাৰ কৰিব নোৱাৰিলো কাৰণ কাৰো ম্যাদী পট্টা নাই। মাত্ৰ এজনেহে দৰ্খাস্ত কৰিছে। ম্যাদী পট্টা নথকা লোকক চৰকাৰে বেঙ্কৰ ঋণও লৈ দিব নোৱাৰে। সেইকাৰণে নিবনুৱা সকলক সংস্থাপনৰ ব্যৱস্থাও কৰি দিব নোৱাৰে। ৰাজহ মন্ত্ৰী মহোদয়ে লক্ষীমপুৰত নিজে এবাৰ ভ্ৰমণ কৰি চাই আহিলে ভাল হয়।

মাননীয় চেয়াৰমেন মহোদয়, মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰিছো যে তেওঁ নিজে ধেমাজী, লক্ষীমপুৰ ঢকুৱাখানা আদি ঠাই ভ্ৰমণ কৰি আহক। তেতিয়াহে প্ৰকৃত সমস্যাৰ বিষয়ে উপলব্ধি কৰিব পাৰিব। তাৰোপৰি ডি, চি এচ, পিৰ লগত আলোচনা কৰি অতিৰিক্ত ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে অতিৰিক্ত কৰ্ম্মচাৰী দিবলগীয়া হলে বিত্ত বিভাগলৈ যাবলগীয়া হ'ব। অকল ৰাজহ বিভাগে নোৱাৰিব। গতিকে ইয়াৰ দায়িত্ব মুখ্য মন্ত্ৰীয়ে লব লাগিব। গোটেই চৰকাৰে লব লাগিব কেবিনেটেও লব লাগিব। জোনাই, ঢকুৱাখানা, লক্ষীমপুৰ আদি অঞ্চলৰ মানুহক ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰক আৰু এনে কৰিলে সেই অঞ্চলৰ ৰাইজৰ চৰকাৰৰ প্ৰতি মনোভাৱ আৰু ভাল হব আৰু সেই অঞ্চলৰ আসনো পাব। এতিয়া আমি সেই অঞ্চলত বিৰোধী পক্ষই আসন দখল কৰি আছো। আপোনালোকে বেলেগে আৰু একো কৰিব নালাগে, ১০ লাখ নিবনুৱাক চাকৰি দিয়াৰ কথা কব নালাগে। আপোনালোকে কেৱল

মানুহক ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰক। সভাপতি মহোদয়, মই আৰু বেছি কথা নকওঁ।

সভাপতি মহোদয়, ৰাইজৰ মাজত ম্যাদী পট্টা নথকাৰ বাবে তেওঁলোক যিমান বিলাক সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে তাক মই কম সময়ৰ ভিতৰত বৰ্ণনা কৰি শেষ কৰিব নোৱাৰো। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিলো।

Chairman: Dr. Kamala Kalita is absent. Now Shri Pani Ram Rabha.

* শ্ৰীপানী ৰাম ৰাভা: মাননীয় চেয়াৰমেন মহোদয়, আজি এই ৰাজহ বিভাগৰ ওপৰত আমাৰ যি কৰ্ত্তন প্ৰস্তাৱ চলি আছে ইয়াক মই সমৰ্থন কৰি কৰ খুজিছো যে ৰাজহ বিভাগৰ বহুতো চক্ৰত চক্ৰ বিষয়া নাই। আমাৰ বৰমা সমষ্টিতে কোনো চক্ৰ বিষয়া নাই। যি দুজন আগতে আছিল তেওঁলোকক বদলি কৰি নিয়াৰ পাছত নতুনকৈ আৰু দিয়া নাই। বিষয়া নোহোৱাকৈ ৰাজহ চক্ৰ চলি আছে। আৰু এটা কথা হ'ল আমাৰ নলবাৰী জিলাৰ ভূমি উপদেষ্টা পৰিষদৰ মিটিং বহুদিন ধৰি বহা নাই। যোৱাবাৰ বাজেট অধিবেশন চলি থাকোতে মিটিং বহিছিল যদিও আমি যাব নোৱাৰিলো। চেয়াৰমেন মহোদয়, মই আশা ৰাখিছো মাননীয় মন্ত্ৰী মহোদয়ে ডি, চিৰ লগত যোগাযোগ কৰি অতি সোনকালে মিটিং বহাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। এই মিটিং নবহাৰ কাৰণে শিক্ষানুষ্ঠান সমূহে সেইবিলাক মাটিত ঘৰ-দুৱাৰ আদি সজাত বহুতো অসুবিধাৰ সন্মুখীন হৈছে। আন এটা কথা হ'ল ভূমি সংৰক্ষণৰ কাৰণে অকল ভূমি সংৰক্ষণ বিভাগকে দায়িত্ব দিলে নহ'ব এই বিষয়ত ৰাজহ বিভাগেও চকু ৰাখিব লাগিব। আমাৰ সেই অঞ্চলত পাগলদিয়া আৰু মৰাপাগলাদিয়া নদীয়ে বহু হেজাৰ মাটি তথা গাওঁ খহাই লৈ গৈছে। আৰু ৰাইজৰ হাহাকাৰ হৈছে। বাস্কা অঞ্চলতে এতিয়াও ১৪ টা বঙালী পৰিয়াল খেলপথাৰত আশ্ৰয় লৈ আছে। মাটি ম্যাদী নোহোৱাৰ বাবে এই লোকসকলে চৰকাৰৰ পৰা কোনো সাহায্য আদি পোৱা নাই। বাস্কা অঞ্চলত যিবিলাক ভোজী পট্টাৰ মাটি আছে সেইবিলাক সোনকালে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ম্যাদী পট্টা নোহোৱাৰ বাবে এই

* Speech not corrected.

অঞ্চলৰ মানুহে ঋণ আদি একো লব পৰা নাই। আমাৰ সেই অঞ্চলৰ দুখীয়া জনজাতি, অজনজাতি আদি লোকসকলৰ বাবে এইটো বৰ অন্যায় হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিশেষ নজৰ দিব বুলি আশা কৰিলো। চৰকাৰে এতিয়া পাচ বুকৰ ব্যৱস্থা কৰিছে। এইটো কামৰূপ জিলাতে আৰম্ভ হৈছে। আমাৰ নলবাৰী কিয় পিছ পৰি থাকিল। পাচবুক থাকিলে বহুতো সুবিধা হয়। এনেয়ে কাগজ-পত্ৰবোৰ হেৰায় যায় বুলি ভয় থাকে কিন্তু পাচ বুক হলে ভয় নাই। পাচ বুক থাকিলে বেংক আদিৰ পৰা সহজে ঋণ লোৱাত সুবিধা হয়। কাৰণ তাত পাচ বুকখন দেখুৱালে হয়। সেইকাৰণে আমাৰ নলবাৰী জিলাতো সোনকালে পাচবুক দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, আন এটা কথা হৈছে আমাৰ গাওঁ বিলাকৰ যিজন মানুহে সকলো কামতে সহায় কৰি দিয়ে তেওঁ হ'ল গাওঁবুঢ়া। কিন্তু ৰাজহ বিভাগে এই গাওঁবুঢ়া সকলক বিশেষ গুৰুত্ব দিয়া নাই। কাজিয়া-পেছাল হলে, বানপানী হলে বা জুই আদি লাগিলে এই গাওঁবুঢ়া সকলে চৰকাৰী বিষয়া সকলক বহুতো সহায় কৰি দিয়ে। কিন্তু তেওঁলোকৰ দৰ্মহাৰ ক্ষেত্ৰত চৰকাৰে কোনো চিন্তা কৰা নাই। তেওঁলোকে দৰ্মহা পায় মাত্ৰ ২৫০·০০ টকা। তাকো সময়মতে নাপায়। ৬/৭ মাহৰ মুৰতহে পায়। গতিকে তেওঁ-লোকৰ দৰ্মহাৰ টকাটো ডি, চিক দি দিব লাগে যাতে তেওঁলোকে মাহে মাহে লব পাৰে। তাৰোপৰি একোজন গাওঁবুঢ়াৰ তলত ৪/৫ খনকৈ গাওঁ থকা দেখা যায় আৰু সেই বিলাক চোৱা-চিতা কৰাত তেওঁলোকে যথেষ্ট অসুবিধা পায়। সেয়েহে একোজন গাওঁবুঢ়াৰ তলত একোখনকৈ গাওঁ দিব লাগে যাতে ভালদৰে চোৱা-চিতা কৰিব পাৰে। আৰু এটা কথা এই গাওঁবুঢ়া সকলৰ দৰমহা মাহে অন্তত এহেজাৰ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। আমাৰ ৰাঙ্গা অঞ্চলত ৰাজহ চক্ৰ নাই। আজি বহুত দিনৰ পৰা তাৰ ৰাইজে এটা ৰাজহ চক্ৰৰ বাবে স্মাৰক দিছে। এই বিষয়েও মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ৰাজহ বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগে যিখিনি কাম কৰে সেইখিনি যাতে দুৰ্নীতি মুক্ত হৈ পৰে আৰু ইয়াৰ দ্বাৰা ৰাইজে যাতে সকাহ পায় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো আৰু এইখিনিকে কৈ লগতে কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি ইমানতে সামৰিলো।

Mr. Chairman : Now, Shri Pranab Kr. Nath.

শ্রীপ্রণব কুমার নাথ : মাননীয় সভাপতি মহোদয়, এই কাটমোশণের সমর্থনে আমি মাননীয় রাজহ মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে কয়েকটি গুরুত্বপুর্ণ বিষয় আলোচনার জন্য এই সদনে উৎথাপিত করব।

মহোদয়, করিমগঞ্জ জেলায় এবং আসামের অন্যান্য অঞ্চলেও যে কৃষি যোগ্য জমি রয়েছে সেগুলোতে স্থানে স্থানে বাড়ীঘর, ইট ভাটা ইত্যাদি গজিয়ে উঠতে দেখা যায়, যারফলে কৃষিযোগ্য জমির বেশ অভাব আজ পরিলক্ষিত হচ্ছে। এই ব্যপারে একটা বিহিত ব্যবস্থা গ্রহণ করার জন্য আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

তাছাড়া, খাস জমি বা সিলিং বহির্ভুত উদ্বৃত্ত জমি যেন প্রকৃত এবং স্বীকৃত শরনার্থীদেরে আবন্টন দেওয়ার ব্যবস্থা করা হয়। এই ব্যাপারে যারা প্রকৃত পক্ষে দুঃস্থ তাদেরে যেন অগ্রাধিকার দেওয়া হয়। এই ব্যাপারে আমি মাননীয় মন্ত্রী মহোদয়কে অনুরোধ করব যে সব স্বীকৃত শরনার্থী দরিদ্র সীমারেখার নিচে জীবন যাপন করছে তাদেরে এই সিলিং সারপ্লাস জমি আবন্টন দেওয়ার ব্যাপারে যেন একটা স্বচ্ছ দৃষ্টি ভংগী সরকারের থাকে।

মহোদয়, আরেকটা বিষয়ের উপর আমি মাননীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করতে চাই যে অ বি সি সার্টিফিকেট বা রেসিডেন্সিয়েল সার্টিফিকেট দেওয়ার ব্যাপারে আমিনের রিপোর্টের উপর নির্ভর করতে হয়। তাছাড়া, ছাত্রদের স্কলারশিপের ব্যাপারেও এস ডি সি'র সার্টিফিকেটের জন্য আমিনের রিপোর্ট প্রয়োজন হয়। ফলে এই সব লোক, ছাত্র-ছাত্রী আমাদের অঞ্চলে এদের দুর্নীতির শিকার হয়। সুতরাং এইসব সার্টিফিকেট যাতে প্রকৃত লোকেরা সহজ পদ্ধতিতে লাভ করতে পারে তারজন্য যেন এস ডি সি দেরে নির্দ্দেশ দেওয়া হয়। নতুবা এইসব সার্টিফিকেট সময়মত যোগাড় করতে না পারায় তাদের আবেদনের শেষ তারিখ চলে যায়। এই ষ্যাপারে একটা বিহিত ব্যবস্থা করার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

মহোদয়, এই কয়েকটি কথা বল আমি আশা করব, যে মন্ত্রী মহোদয় যেন সহানুভুতির সঙ্গে আমার পরামর্শ গুলি বিবেচনা করে তা কার্য্যকরী করার জন্য ব্যবস্থা করেণ। এই বলে কর্ত্তণ প্রস্তাব সমর্থণ করে আমি আমার বক্তব্য শেষ করছি।

Mr. Chairman : Now, Shri Jew Ram Boro.

শ্ৰীজীউৰাম বড়ো : মাননীয় সভাপতি মহোদয়, মই বিশেষ কবলৈ নাযাওঁ আমাৰ মাননীয় সদস্যসকলে আৰু আমাৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই বহুতো উপদেশ দি গৈছে। মই হুইমান কথা দাঙিধৰি এই কৰ্ত্তন প্ৰস্তাৱটো আনিব বিচাৰিছো। আমাৰ শৰ্মা ডাঙৰীয়া অসম চৰকাৰৰ এজন মন্ত্ৰী আৰু তেওঁ এজন সাধাৰণ সম্প্ৰদায়ৰ লোক। মই যিহেতু জনজাতি মানুহ সেয়েহে জনজাতি সকলৰ সমস্যাৰ বিষয়ে কব বিচাৰিছো। মাননীয় সভাপতি মহোদয় মই জনজাতিৰ লোক বোলোতে চাহ জনজাতিৰ লোক সকলকো সামৰি লব বিচাৰিছো। মাটিৰ আবণ্টনত আমাৰ কাৰণে কোনো বাধা নাই। আমাৰ জনজাতি সকলৰ মাটি সংৰক্ষণৰ কাৰণে অসম চৰকাৰ তথা ভাৰত চৰকাৰে আইন বিধি ৰচনা কৰিছে। তাৰোপৰি ১১ জন এচ, ডি, চি, আছে তথাপিও আমাৰ জনজাতি লোক সকলে ম্যাদি পট্টন পোৱা নাই। আমাৰ মাননীয় সদস্য শ্ৰীভৰত নৰহ আৰু শ্ৰীপানীৰাম ৰাভাই আগতেই কৈ গৈছে যে আমাৰ জনজাতিৰ লোক সকলে মাটিৰ পট্টন নোপোৱাৰ কাৰণে সকলো সা-সুবিধাৰ পৰা বঞ্চিত হৈছে। কিন্তু তুৰ্ভাগ্যৰ কথা, আমি দৰঙৰ কোচ ৰজাৰ মাটিত বসবাস কৰিছিলো আমাৰ পুৰ্ব পুৰুষ সকলেও সেই মাটিত দখল কৰি আছিল। কিন্তু আজিও সেই মাটিৰ ম্যাদি পট্টন পোৱা নাই। অথচ সেই মাটি ৰজাৰ দিনত ম্যাদি আছিল। সভাপতি মহোদয় চৰকাৰে ১৯৭৫ চনত আইন কৰি মাটিৰ উৰ্দ্ধতম সীমা জনজাতীয় সকলৰ কাৰণে ৯ বিঘা কৰিলে আৰু বাকী সকলৰ কাৰণে ২০/৩০ বিঘা কৰিলে। আমাৰ চাহজন জাতি বা বড়ো জনজাতি সকলে কিনো এনে অপৰাধ কৰিলে যে মাত্ৰ ৯ বিঘাহে কৰিলে।

যদি চৰকাৰে আইন কৰে যে সকলোকে ৯ বিঘা মাটি দিব তেনেহলে জনজাতীয় সকলোকো ৯ বিঘাকৈ দিব লাগে। যদি ২০ বিঘা মাটি থকা সকলক নিদিয়ে সেইটো এটা বেলেগ কথা। আমাৰ মন্ত্ৰী মহোদয় এক্সপেৰিয়েন্স থকা মানুহ। গতিকে তেখেতে নিশ্চয় ভাল দৰে কথা খিনি বুজি পাইছে। যিহেতুকে আমাৰ অসমীয়া মানুহৰ খেতিয়েই হৈছে প্ৰধান সেয়ে ম্যাদি পট্টা নহলে বহুতো অসুবিধা হয়। এতিয়া হয়তো বহুতো অসমীয়া মানুহ চহৰে নগৰে থাকিবলৈ লৈছে কিন্তু তেওঁলোকৰে গাওঁত থকা লোকৰ একমাত্ৰ জীৱিকাৰ উপায় খেতিয়েই। গতিকে ম্যাদি পট্টা নোপোৱাৰ কাৰণে ঋণ সংক্ৰান্তীয় যিবিলাক বিভিন্ন সহায়

তেওঁলোকে পাব লাগে সেই বিলাকৰ পৰা তেওঁলোক বঞ্চিত হৈছে। দৰং জিলাত অধিক মানুহ ইয়াৰ পৰা বঞ্চিত হৈ আছে। গতিকে ইয়াৰ এটা ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰিছো। গাওঁ বুঢ়া পদৰ বিষয়ে এটা কথা কব বিচাৰিছো। মঙ্গলদৈত একোজন গাওঁবুঢ়াৰ পৰিধীত ১০/৫/১ খনকৈ গাওঁ আৰু জনসংখ্যা ৪/৩/১ হাজাৰ পৰ্য্যন্ত থাকে। এই ক্ষেত্ৰত নতুনকৈ কিবা ৰেগুলাৰাইজ কৰিব নেকি? এই গাওঁবুঢ়া পদ লৈয়েই মঙ্গলদৈত মাৰ-পিত হৈছে। ইয়াৰ এটা বিহিত ব্যৱস্থা লবলৈ মই বিধান সভাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, কামৰূপ জিলাত মাটিৰ 'পাচবুকৰ' পট্টাৰ ব্যৱস্থা কৰিছে আৰু ব্যৱহাৰ হৈ আছে। এই পাচ-বুকৰ ব্যৱস্থা আমিও পাম বুলি আশা কৰিলো। এজমালীৰ এখন পট্টা ৩/৪ টা পৰিয়ালৰ ভিতৰত কোন জনে এই পাচবুক পট্টা পাব, এই বিষয়টো লৈ আমাৰ মণ্ডল সকলৰ বিমোৰ হৈছে। এই বিষয়েও এটা ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তৌজি পট্টাৰ মাটি এতিয়াও দেউতাৰ দেউতাকৰ পৰা স্থানান্তৰিত কৰিব পৰা নাই। তৌজি পট্টাৰ নিয়ম অনুসৰি নামান্তৰ হোৱা দূৰতেই থাকক আনকি গছ এডালো কাটিব পৰা নায়ায়। গতিকে এই মাটি বিলাক আটা-পিতাৰ নামতে নাৰাখি সমাজৰ উন্নতিৰ হকে দেশৰ উন্নতিৰ হকে অতি সোনকালে চৰকাৰৰ ফালৰ পৰা ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে চৰকাৰে এই বিষয়ত বিহিত ব্যৱস্থা লৈ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। গাওঁ বুঢ়া নিযুক্তিৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যদিও সদনত বিশেষ ব্যক্তিগত কথা কোৱা নাযায়। আমাৰ স্থানীয় বিধায়ক তথা মন্ত্ৰী ডাঙৰীয়াও সদনত উপস্থিত আছে, তেখেতেও এই বিষয়ত অৱগত। মংগলদৈত আমাৰ কেহোতলী গাওঁৰ গাওঁবুঢ়া পদৰ বাবে ভীষণ যুদ্ধ হৈছে। কিন্তু চাৰিপুৰুষৰ পৰা চলাই অহা গাওঁবুঢ়াজন টুকুৰাৰ বাবে সেই পদত নিযুক্তি দিবলৈ ইন্টাৰভিউ লোৱা হৈছিল। আগৰ গাওঁবুঢ়া জনৰ লৰাও ইন্টাৰ ভিউ দিছিল। কিন্তু তেওঁ দ্বিতীয় পজিচনত আছে। যিহেতুকে আজি-কালি শিক্ষাগত অৰ্হতা চোৱা হৈছে উক্ত ব্যক্তিজনৰ অৰ্হতা থকাৰ কাৰণেই তেওঁকেই দিবলৈ মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো দাঙি ধৰিলো।

*শ্ৰীনিজামুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে মই মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ম্যাদি পট্টা ইত্যাদিৰ কথা ইতিমধ্যে উত্থাপন হৈছে। মই এটা কথাই কব বিচাৰিছো যে বিভিন্ন ৰাজহ আদালতৰ জৰিয়তে ম্যাদি পট্টা দিয়া যি ব্যৱস্থা কৰিছে তেনে অৱস্থাতো এতিয়াও ১০০/৫০ গাওঁ মাটিৰ ম্যাদি পট্টাৰ পৰা বঞ্চিত হৈ আছে। গতিকে চৰকাৰে লোন আদিৰ কাৰণে যিবিলাক সুবিধা দিছে সেই সকলো বিলাকৰ পৰা, ম্যাদি পট্টা নোহোৱাৰ কাৰণেই বঞ্চিত হৈ আছে। পট্টা দিয়া আইন আছে কিন্তু সহজলভ্য হোৱা নাই। যিবিলাক মাটি দখলত আছে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি এম, এন, পিৰ আঁচনিৰ জৰিয়তে বহুতক মাটি দিয়া হৈছে। কিন্তু তেওঁলোকক পট্টা আদি দিয়া হোৱা নাই। তেওঁলোকক পট্টা আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিছুমান ২০/১৫ বছৰে বহি থকা মাটিৰ বাবটো উচ্ছেদৰ নোটিচ দিয়া হৈছে। গড়াখহনীয়াত যিবিলাকৰ ঘৰ-বাৰী নোহোৱা হৈছে মাটি উটি গৈছে নৈৰ সোতৰ লগত তেওঁলোকক পুনৰ বসতিৰ কাৰণে আন এঠাইত মাটি দিয়া হৈছিল। কিন্তু তেওঁলোককো উচ্ছেদৰ নোটিচ জাৰি কৰা হৈছে। সেই লোকসকলক মাটিৰ পট্টা দিবলৈ নাইবা আন এঠাইত ভাল ব্যৱস্থা কৰি দিবলৈ বুলি ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰোপৰি ভূমিহীন মানুহক এম, এন পি আঁচনিৰ জৰিয়তে মাটি দিয়াৰ লগতে অন্যান্য সা-সুবিধা বৰি দিবলৈ অনুৰোধ জনালো। মাটি বেচা-কিনা ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈ আছে। ৫ বিঘা মাটি লৈ হস্তান্তৰ কৰিব পাৰি যদিও বহুতো আবেদন, নিবেদন, পাৰমিচন আদিৰ কাৰণে বহুত সময়ৰ প্ৰয়োজন হয়। গৰীব জনসাধাৰণ এই ক্ষেত্ৰত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে, পৰিয়ালৰ কাৰোবাৰ বিয়া, বেমাৰ আদিৰ কাৰণে কাৰোবাৰ মাটি বিক্ৰী কৰিবৰ হলে ঘুৰি ফুৰিব লাগে। সময়মতে কোনো কামেই নহয়। বিক্ৰী কৰোতাসকলৰ যি অসুবিধা কিনোতা সকলোৰো সেই একে অসুবিধাই সন্মুখীন হব লাগে।

যাৰ ফলত আমাৰ দুখীয়া ৰাইজে জীয়াতু ভুগীব লগীয়া হৈছে। হয় এই পাৰমিচন ব্যৱস্থা উঠাই দিয়ক, নহয় উঠাই দিব নোৱাৰা পৰ্যন্ত পাৰ্মিচন পোৱাটো সহজলভ্য কৰক।

* Speech not corrected.

আমি চৰৰ মাটি জৰীপৰ কথা বহুত দিনৰ পৰা শুনি আছো। কিন্তু কেতিয়া এই জৰীপ কাৰ্য্য আৰম্ভ হ'ব সেইটোহে নাজানিলো। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত ৰাইজ বৰ বিপদত পৰিছে। চৰকাৰে এই ক্ষেত্ৰত এটা সুনিৰ্দ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

কৰিমগঞ্জ আৰু গোৱালপাৰা জিলাত বহুত মানুহে আজি ২০/৩০ বছৰ মাটিৰ খাজনা দিব পৰা নাই কাৰণ যিবিলাক মাটিত তেওঁলোকে খেতি কৰিব পৰা নাই সেইবিলাকৰো বকেয়া খাজনা দিব লগা হৈছে। খেতি কৰিব নোৱাৰা মাটিত যাতে বকেয়া খাজনা দিব নালাগে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব বুলি আশা কৰিলো। ৰাজহ বিভাগৰ যিবিলাক কেলেংকাৰীৰ বিষয়ে আলোচনা কৰা হ'ল সেইবিলাক দূৰ কৰি বাস্তৱ দৃষ্টিভঙ্গীৰে কাম কৰিব বুলি অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীগুনীন মহন্ত: মাননীয় চেয়াৰমেন মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি কেইটামান কথা কব বিচাৰিছো। এই ২০ লক্ষ্য টকা কেন্দ্ৰীয় আঁচনিত আগতে কৰা খৰছৰ কাৰণে পৰিশোধ কৰিব বিচাৰিছে। এই আঁচনিৰ অধীনত কি কি কাম হৈছিল সেইটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই এই টকা ক'ত ক'ত খৰছ হৈছে। মন্ত্ৰী মহোদয়ে নিশ্চয় কব। এই সুযোগতে মই ৰাজহ বিভাগৰ বিষয়ে কেইটামান পৰামৰ্শ আৰু মতামত দাঙি ধৰিব খুজিছো। ১৯৭৮ চনতে ১০ বিঘা পৰ্যন্ত মাটিৰ খাজনা ৰেহাই দিয়াৰ যি সিদ্ধান্ত হৈছিল সেই সিদ্ধান্ত এতিয়াও গৰীব কৃষক ৰাইজৰ কামত অহা নাই। অৰ্থাৎ তাৰ পৰা তেওঁলোক উপকৃত হব পৰা নাই। এই সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ হলে আগতে আমি লেণ্ড হোল্ডিংৰ যিটো ব্যৱস্থা আছে তাক ঠিক কৰি লব লাগিব। আমি দেখিছো জনজাতি লোকৰ মাজত ১০ পুৰুষলৈ মাটিৰ ভাগবতৰা নহয় যাৰ কাৰণে ১০ বিঘা পৰ্যন্ত ৰেহাই হলেও তাৰ পৰা উপকৃত হব পৰা নাই। চৰকাৰে যদিও ইয়াৰ পৰা ৰাজহ কমি যাব বুলি আশংকা কৰিছে সেইটো ঠিক নহব। আনহাতে মাটি ব্যৱহাৰ সাপেক্ষে খাজনা ধাৰ্য্য কৰিব লাগে। যিখিনি মাটিত উদ্যোগ আছে, য'ত চাহবাগান আছে য'ত ইটাৰ ভেটা আছে সেই বিলাক মাটিৰ খাজনা বৃদ্ধি হব লাগে কিন্তু য'ত খেতি মাটি আছে ফচল নহয় তাত সমানুপাতিক ভাৱে খাজনা কম হব লাগে। আমাৰ

* Speech not corrected.

ৰাজহ মন্ত্ৰী মহোদয়ে বৰ সুন্দৰ ভাষা প্ৰয়োগ কৰি কথা কয় তেখেতে এটা কথা সদায় কয় মাটি কাৰো ব্যক্তিগত সম্পত্তি নহয়, মাটি উৎপাদনৰ আহিলা হে মাত্ৰ যিয়ে খেতি কৰে সি মালিকী স্বত্ব পাব বৰ সুন্দৰ কথা কিন্তু যিবিলাক আইন পাছ কৰা হৈছে সেইবিলাকৰ কাৰ্য্য-ব্যৱস্থা হৈছে নে ? মাটিৰ চিলিং আইন কৰা হ'ল। চিলংৰ উৎবৃত্ত মাটি হীনব মাজত ভগাই দিয়া হব বুলি কৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত কি হৈছে ? চিলিংত যোৱা মাটি আকৌ মাটিৰ মালিকেই ঘুৰাই পাইছে। মোৰ সমষ্টিতে গোপালকৃষ্ণ চাহ বাগিছাৰ চিলং উৎবৃত্ত মাটিত আকৌ চাহ বাগিছাৰ মালিকেই চাহ খেতি লগাইছে অথচ চৰকাৰৰ পৰা কোনো গ্ৰীন চিগনেল পোৱা নাই। চিলিং মাটিত যিবিলাক লোকে পকা খতিয়ান পাইছিল তেওঁলোকক আকৌ সেই মাটিৰ মালিক সকলেই মাটিৰ পৰা উচ্ছেদ কৰিছে। ৰায়তৰ ওপৰত মাটিৰ মালিকে দিয়া কেচ এতিয়াও বহুত চলি আছে। ৰায়তে কিন্তু মাটি ঘুৰাই নাপায়। এতিয়া আকৌ মাটিৰ কাৰনে পকেটবুক দিয়াৰ কথা কৈছে। কিন্তু তাৰ পৰা কি লাভ হব । যি সকল লোকে বহুত যুগ ধৰি মাটি দখল কৰি আছে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰক । মই নিজে তেখতক এটা কেচ দিছিলো ১০টা জনজাতি পৰিয়ালক ৰাজহ বিষয়াই উচ্ছেদ কৰিছিল তেখেতে অৱশ্যে ষ্টে কৰি দিছে তাৰ কাৰনে তেওঁক ধন্যবাদ জনাইছো। যি সকল লোক মাটি দখল কৰি আছে তেওঁলোকক মালিকিস্বত্ব নিদিলে এই সমস্যাৰ সমাধান নহয়।

অধ্যক্ষ মহোদয়, এই কামখিনি কৰিবলৈ হলে ৰাজহ চক্ৰত যিবিলাক বিষয়া কৰ্মচাৰী আছে সেই সকলৰ ওপৰত ভালদৰে দৃষ্টি ৰাখিব লাগিব। নহলে এই গোটেইবিলাক কাম-কাজ ৰাজহ চক্ৰত পৰি থাকে। ফলত নামজাৰি বা জমি বাতুয়াৰা কাম সমূহ কোনো দিনে নহয়গৈ। সেই কাৰণে ৰাজহ চক্ৰত যিবিলাক বিষয়া কৰ্মচাৰী আছে তেওঁলোকৰ কাম-কাজৰ বিৰুদ্ধে আজি বৈপ্লৱিক আন্দোলন কৰিবলগীয়া হৈছে। গতিকে মই ৰাজহ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিসকল লোক মাটিত বসতি কৰি আছে সেইসকল যাতে মাটিৰ পট্টা পোৱাৰ পৰা বঞ্চিত নহয় তাৰ বাবে বিহীত ব্যৱস্থা হাতত লয় যেন। তেওঁলোক যাতে সেই মাটিৰ পৰা উচ্ছেদ নহয়—তালৈ চকু ৰাখে যেন।

অধ্যক্ষ মহোদয়, আজি ভূমি পট্টন দিয়াৰ কাৰণে ভূমি ৰাজহৰ উপদেষ্টা

বোৰ্ড চলি আছে আৰু তেওঁলোকৰ যিটো সিদ্ধান্ত, সেই সিদ্ধান্তবিলাক মণ্ডল এচ ডি চিৰ দ্বাৰা যাতে কাৰ্য্যকৰী হয় তাৰ ব্যৱস্থা কৰিব। ৰাজহ চক্ৰৰ এই সিদ্ধান্ত সমূহৰ সম্পৰ্কে মই আগৰ বক্তৃতাত উল্লেখ কৰিছিলো। সেই মৰ্ম্মে এই গোটেই ৰাজহৰ ব্যৱস্থাটো উন্নত কৰিব বুলি মই আশা কৰিলো। কাৰণ ৰাজহ ব্যৱস্থাত যিবিলাক চৰকাৰী আইন-প্ৰনয়ন কৰা আছে সেইবিলাক যে ৰাজহ চক্ৰৰ বিষয়া কৰ্ম্মচাৰী সকলে সুবলমে কাৰ্য্যকৰী কৰিব তাত মোৰ সন্দেহ আছে। যিহেতু মৌজাদাৰ সকলক তাত বিমোনাৰেশ্যন দিয়াৰ কথা আছে। গাওঁবুঢ়া সকলক বিমোনাৰেশ্যন দিয়াৰ কথা আছে। তেওঁলোকে সহায় নকৰিলে ৰাজহৰ কাম সম্পুৰ্ণ নহয়। গতিকে গাওঁবুঢ়া সকলক সহায়ৰ বাবে নিৰ্দেশ দি তেওঁলোকক চৰকাৰৰ ফালৰ পৰা যিটো পাৰিতোষিক দিয়া হয় সেইটো বৃদ্ধি কৰিলে ভাল হয়। শেষত গাওঁবুঢ়া সকলৰ পাৰিতোষিক বৃদ্ধি কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিলোঁ।

* শ্ৰীদেৱান জয়নাল আবেদিন: মাননীয় অধ্যক্ষ মহোদয় মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ৰাজহ বিভাগৰ কাৰণে লেণ্ড ইউজ বোৰ্ডৰ খতিয়ানৰ বাবে ২ লাখ মঞ্জুৰী বিচাৰিছে। এই মঞ্জুৰীৰ টকাখিনি আমি দিব নোৱাৰা বৰ এটা ডাঙৰ অংক নহয়। গুৰুত্বপূৰ্ণ বিভাগ হিচাবে এইখিনি টকা দিয়াত আমাৰ আপত্তি নাই। মই কিন্তু এই সুযোগতে কেইটামান কথা কব বিচাৰিছো যে এই বোৰ্ডৰ কাম কি কি? এই বোৰ্ডৰ নামটো 'লেণ্ড ইউজ বোৰ্ড' বুলি মই আজিহে শুনিছো। সেই কাৰণে মই আশা ৰাখিছো যে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ সময়ত এই বোৰ্ডৰ কাম-কাজ সমূহৰ সম্পৰ্কে বহলাই কব আৰু কিয় কিছু টকা মঞ্জুৰী দিব লগীয়া হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে ৰাজহ বিভাগটো এটা গুৰুত্ব-পূৰ্ণ বিভাগ। এই বিভাগৰ বহুতো কথাই মাননীয় সদস্য সকলে আগতে উল্লেখ কৰি গৈছে। এই বিভাগত সমগ্ৰ ৰাজ্যখনৰ কথা হিচাবত নললেও বিশেষকৈ আমাৰ ধুবুৰী জিলাৰ কথা উল্লেখ কৰিব লাগিব। গোটেই ৰাজ্য-খনৰ ভিতৰত ধুবুৰী আৰু কৰিমগঞ্জ এই দুই জিলাতেই মাটিৰ ব্যৱস্থাসমূহ অলপ বেলেগ ধৰণৰ। কাৰন এই দুখন জিলাত আগতে প্ৰাইভেট টেনেন্চী

* Speech not corrected.

এক্ট'ও আছিল আৰু জমিদাৰী প্ৰথাও আছিল। সেইকাৰণে ইয়াৰ মাটিৰ ব্যৱস্থাটো অলপ জটিল। বৰ্ত্তমান ধুবুৰী জিলাত মাটিৰ জৰীপ চলি আছে। মোৰ ধাৰণা যে হয়তো কৰিমগঞ্জ জিলাতো জৰীপ চলি আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই মাটিৰ জৰীপৰ দ্বাৰা মাটিৰ খেলিমেলি যাতে দূৰ হয় আৰু মাটি ৰাতুয়াৰা কৰোতে যাতে ৰায়তী সকলে পট্টন পায় আৰু ৰায়তী সকল যাতে বঞ্চিত নহয় তালৈ দৃষ্টি ৰাখে। লগত এই সমুহ জৰীপৰ কামবোৰ যাতে নিয়াৰিকৈ কৰা হয়।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজহ মন্ত্ৰী এজন সুদক্ষ মন্ত্ৰী। তেখেতক মই বহুত দিনৰ পৰাই জানো। ধুবুৰী জিলাত ৰাজহুৱা অঞ্চলত বহুতো গাৱঁতেই মাটিৰ পট্টন দিয়টো বাতিল কৰি দিয়া হৈছে। এই অভিযোগ দিয়াৰ পিচত মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাজহ মন্ত্ৰীক ধুবুৰীলৈ পঠাইছে। তাত তেখেতে উপায়ুক্ত আৰু ৰাজহ বিভাগৰ বিষয়া সকলৰ লগত প্ৰায় ৫ ঘণ্টা ধৰি আলোচনা কৰিছিল। শেষত কিছু কথা সিদ্ধান্ত কৰা হৈছিল আৰু মই নিশ্চিন্ত হৈছিলো যে ধুবুৰী জিলাত বহু কেইজন মানুহৰ উপকাৰ হব। কিন্তু যি সকল মানুহে মাটিৰ বাবে দৰ্খাস্ত কৰিলে সেই আবেদনসমুহ চেটুলমেণ্ট অফিচাৰে কোনো পৰীক্ষা নিৰীক্ষা নকৰাকৈয়ে হাজাৰ হাজাৰ বিঘা মাটিৰ পট্টন দিছিল। দক্ষিণ শালমাৰাত এইদৰে চাৰে সাতাইশ বিঘা মাটি পট্টন দিছিল। আচলতে সিদ্ধান্ত আছিল যে যিবোৰ মাটিৰ পট্টন ইতিমধ্যে খাৰিজ কৰা হৈছে সেইবোৰৰ একোটা লিষ্ট কৰা হব আৰু ৰাজহুৱা অঞ্চল বিলাক জৰীপও কৰা হব। তাৰোপৰি যিবিলাক মাটিৰ পট্টা আছে সেই সকলো যাতে বঞ্চিত নহয় সেইটো চাব।

অধ্যক্ষ মহোদয়, আগষ্ট মাহতো এই কথা আলোচনা হৈছিল। কিন্তু আজি পৰ্য্যন্ত সিদ্ধান্ত মতে কোনো কামেই কাৰ্য্যকৰী নহল। গতিকে বিষয়া সকলে যাতে সেই সিদ্ধান্ত মানি লয় তাৰ প্ৰতি চকু ৰাখে।

অধ্যক্ষ মহোদয়, কিছু দিনৰ আগতে ৮১ খন গাওঁৰ পৰা প্ৰতিনিধি আহি মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰিছে আৰু তেওঁলোক মাটিৰ খেলিমেলিৰ সকলো বিলাক কথা লিখি এখন দৰ্খাস্ত দিছে। অধ্যক্ষ মহোদয়, সেই গাৱঁৰ লোক সকল আজি ১০০ বছৰৰ পৰাই তাতে বসবাস কৰি আছে। ১৯৬২ চনতো এই চৰ এলেকাত জৰীপ হৈছিল। তাত মাটিৰ পট্টাও দিয়া

আছে আৰু তেওঁলোক নীতিগত ভাৱে ৰাজহৰ খাজানাও দি আছে। কিন্তু তথাপিও সিদ্ধান্তৰ কিছুমান দিনৰ পিচত এই মাটি সমূহ খাৰিজ কৰি চাৰ্কেল অফিচাৰে পুনৰ জৰীপ কৰিবৰ ব্যৱস্থাৰে তেওঁলোকলৈ নটিচ্ দিছে।

মাননীয় অধ্যক্ষ মহোদয় ধুবুৰী জিলাত চাৰ্কিট হাউচত মাননীয় ৰাজহ মন্ত্ৰীক লগপোৱাৰ পাচত যি সিদ্ধান্ত হল, সেই সিদ্ধান্ত হোৱাৰ পাচতো চাৰ্কেল অফিচাৰে সেই অঞ্চলৰ মাটি বিলাক ব্লক চাৰভে কৰাৰ কাৰণে নটিচ দিলে ফলত সেই অঞ্চলৰ যি সকল লোকৰ মাটিৰ পট্টা আছিল তাকো কেনচেল হ'ল। কিন্তু আমি জনাত যাৰ পট্টা আছে সেইবিলাকৰ ব্লক চাৰভে কৰি কেনচেল কৰিব নোৱাৰে। গতিকে পট্টা থকা মাটিৰ জৰীপ হব নালাগে। গাৱঁৰ ৰাইজে এই জৰীপৰ বিৰোধিতা কৰিছে আৰু মাননীয় ৰাজহ মন্ত্ৰীক লগ ধৰিছে। অৱশ্যে সেই মাটি বিলাকৰ কেডেষ্ট্ৰেল চাৰভে বা জৰীপ হোৱাত ৰাইজৰ আপত্তি নাই। ধুবুৰী জিলাত ৯৫ খন গাওঁ আছে, গতিকে মই মাননীয় ৰাজহ মন্ত্ৰীক অনুৰোধ জনাইছো যাতে এই যি জৰীপ কাৰ্য্য চলাই আছে তাৰ দ্বাৰা মাটিৰ খেলিমেলি বিলাকহে দুৰ কৰিব লাগে আৰু অন্যান্য যি বিলাক অভিযোগ আছে সেইবিলাক দুৰ কৰিব লাগে, পট্টা কেনচেল কৰিব নালাগে। আৰু ইতিমধ্যে যি সকল লোকৰ মাটিৰ পট্টা কেনচেল কৰা হৈছে সেইবিলাক 'ৰেষ্টোৰ' কৰিব লাগে। আপোনালোকে জানে আমাৰ দক্ষিন শালমাৰা অতি পুৰণি প্ৰায় ২০০ বছৰ পুৰণি হব তাত বিভিন্ন চৰ অঞ্চলত হাজাৰ হাজাৰ মানুহে বহু দিনৰে পৰাই বাস কৰি আহিছে, বিগত বানপানীত এই অঞ্চলৰ প্ৰায় এক হাজাৰ টা পৰিয়াল গৃহহীন হৈ গ'ল কিন্তু তাৰে এটা পৰিয়ালক পুনৰবাসন দিয়া নহ'ল, পুনৰবাসনৰ নামত মাত্ৰ ২০০ টকাকৈ দিলে কিন্তু কোনো পৰিয়ালকে মাটি দি পুনৰবাসন কৰা নহ'ল। মাত্ৰ ২৩ টা পৰিয়ালক ২০০ টকাকৈ সাহায্য দিয়া হৈছে। ফলত এই গৃহহীন লোক সকলে মেঘালয়ৰ সীমান্ত অঞ্চলত মঠাউৰীৰ পাৰত, ইৰিগেশ্যনৰ কেনেলত বসবাস কৰিব লগা হৈছে, কিন্তু এই গৃহহীন লোক সকলক আৰু পুনৰসংস্থাপন দিয়া নহ'ল। তাৰোপৰি তাত যি লেণ্ড এডভাইজৰী কমিটিৰ মিটিং হয় সেই মিটিংত মই যোগদান কৰিব পৰা নাই কিয়নো প্ৰায়ভাগ মিটিংৰ নটিচ মিটিং হৈ যোৱাৰ পিচতহে পাওঁ, গতিকে এল এ চিত মই যোগদান কৰিব পৰা নাই। জানিব পৰা মতে যি ২৩ টা পৰিয়ালক মাটি

দিয়া হৈছে সেইকালে এতিয়া জাহাজ চলি আছে। আমি এই পৰিয়াল বিলাকক পুনৰসংস্থাপন কৰিবৰ কাৰণে ফৰেইত মাটি দেখুৱাই দিছিলো কিন্তু সেইটো কাৰ্য্যকৰী নহ'ল। গতিকে এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। মাননীয় অধ্যক্ষ মহোদয় মই ধুবুৰী জিলাৰ মণ্ডলৰ টেইনিংৰ সম্পৰ্কত দুটামান কথা কব বিচাৰিছো কিয়নো আজি কিছু দিন আগতে ধুবুৰী জিলাৰ পৰা প্ৰায় ৮০ জন মণ্ডলক ট্ৰেন্সফাৰ কৰা হৈছে, এই মণ্ডল সকলে ট্ৰেইনিং পাচ কৰি অহাৰ পাচত ধুবুৰীত জইন কৰিয়েই ধুবুৰীৰ পৰা যাবলৈ বিচাৰে ফলত মণ্ডলৰ অভাৱত তাত জৰীপ কাৰ্য্যত বাধাগ্ৰস্ত হৈছে। আৰু চেটেলমেণ্ট দিব পৰা হোৱা নাই। সেই অঞ্চলত থকা হাজাৰ হাজাৰ পৰিয়ালৰ লৰা-ছোৱালীয়ে তাত স্কুললৈ যোৱাত শিক্ষা লাভ কৰাত অসুবিধা হৈছে। সেই অঞ্চলত থকা দুৰ দুৰণিৰ স্কুলবিলাকত ১৯৮৬ চনৰে পৰা কিছুমান শিক্ষকে শিক্ষকতা কৰি আছে কিন্তু স্কুলৰ মাটিৰ পট্টন নোপোৱাৰ কাৰণে এতিয়াও চৰকাৰৰ নৰ্মচ মতে সেই স্কুল বিলাক স্থায়ীকৰণ হোৱা নাই, এখনো স্কুল প্ৰভিনচিয়লাইজশন হোৱা নাই। নিয়মানুসাৰে স্কুলৰ নামত নিজাকৈ মাটিৰ পট্টা থাকিব লাগে তেতিয়াহে স্কুল বিলাক চৰকাৰে গ্ৰহন কৰে কিন্তু সেই অঞ্চলত জৰীপৰ অভাৱত কোনো চেটেলমেণ্টই হোৱা নাই আৰু স্কুলৰ নামতো মাটি পট্টন হোৱা নাই। গতিকে দুখৰ বিষয় যে আজিলৈকে ধুবুৰী জিলাত মণ্ডল ট্ৰেইনিং লব পৰা এজনো লৰা নাই নে? মই বৰ দীঘলীয়া কৰিব খোজা নাই, ধুবুৰী জিলাৰ কথাই মই অলপ বেচিকৈ কলো, আপোনালোকে আঞ্চলিকতাবাদী বুলি ভাবিব পাৰে মই কবলগীয়া এই কাৰনেই হৈছে ধুবুৰী জিলাব কথাটো অলপ বেলেগ ধৰণৰ কিয়নো তাত বহু বছৰৰ পৰাই টিনেন্সী চিচটেম চলি আছে কিছুমান পাৰমানেণ্ট ট্ৰিনেন্সী হিচাৰত চলি আছে, গতিকে ধুবুৰী জিলাৰ অৱস্থাতো অতি জটিল।

মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত বানপানীৰ ফলত মাটিৰ সীমা নিচিন্থ হয়। ইয়াৰ ফলত বৰ সম্যাসা হয়। মই এটা কথা কব খুজিছো চৰকাৰে মাটিৰ পট্টা বিলাক কেঞ্চল কৰি দিছে, ইয়াৰ ফলত চৰকাৰৰ লাভ কি হয়? পট্টা দিলে চৰকাৰে ৰাজহ পায়। এই পট্টা কেঞ্চেল কৰি দিয়াৰ ফলত চৰকাৰে ৰাজহ হেৰুৱাইছে। গতিকে চৰকাৰে ৰেভিনিউৰ বাবে এইটো কাম কৰিব লাগে। মই মাটিৰ পট্টা চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিব বুলি

আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

*শ্ৰী বদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই বেছি সময় লব খোজা নাই। মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ লেন্দ এদভাইছাৰী কমিটিৰ মিটিংত যিবিলাক বিষয় আলোচনা কৰিব লাগে বা যিবিলাক বিষয় উত্থাপন কৰিব লাগে আৰু যাৰ ওপৰত ভিত্তি কৰি আমি কিছুমান সিদ্ধান্ত লব পাৰো, আৰু সেই বিলাকৰ সাধাৰণতে চাৰ্কোল অফিচতে মন্তব্য লোৱা হয় গতিকে মই ভাবো ৰাজহ মন্ত্ৰী মহোদয়ে বিষয়টো বিবেচনা কৰিব বুলি অনুৰোধ জনাইছো। মাটি ক'ত কিমান আছে বা কেনে ভাবে আছে এই গোটেই তথ্য বিলাক ৰাজহুৱা ভাবে জাননী দিব লাগে। অমুকৰ ইমান ঠাইত অমুক মাটি আছে। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো মোৰ নিজৰ বন্ধুৱে তলে তলে যিবিলাক কাম কৰি আছে সেই বিলাক ক্ষেত্ৰত মই নিজে লেন্দ এদভাইচাৰী কমিটিত বাধা দিব লগা হৈছে। সেই কাৰণে মই কৈছো মাটি পট্টা দিয়াৰ পিছত তাক কত কিমান তাৰিখে কিমান মাটি দিয়া হৈছে সেইটো ৰাজহুৱাভাবে ঘোষণা কৰিব লাগে যাতে কবোবাৰ আপত্তি থাকিলে ৰাইজে আপত্তি কৰিব পাৰে। মই চৰকাৰী চিলিং উদ্বৃত্ত মাটিৰ কথা কবলৈ গৈছো। মোৰ সমষ্টিৰ হজো অঞ্চলত ১৯৮২ চনতে মাটি পট্টনৰ বাবে আবেদন কৰিছিল আৰু লগতে প্ৰিমিয়ামো দিছিল। কিন্তু আজি পৰ্য্যন্ত সেই মানুহ বিলাকক মাটিৰ পট্টা দিয়া হোৱা নাই। যোৱা বিধান সভাতে তেখেতক এই কথা কোৱা হৈছিল। আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে সেই বিলাক কৰিব বুলি কৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মানুহ বিলাক দেখিছো দুই ধৰণৰ। এজন বাহিৰৰ মানুহ আৰু এজন ভিতৰৰ মানুহ। আমাৰ ৰাজহ মন্ত্ৰীও বাহিৰত থাকিলে এজন ভাল মানুহ। কিন্তু যেতিয়া সিংহাসনত বহি থাকে সেই সময়ত এজন বেলেগ মানুহ। অৰ্থাৎ ডক্তৰ জেকিল এণ্ড মিঃ হাইড। তেখেত বাহিৰত এজন বৰ ভাল মানুহ তেখেতক শ্ৰদ্ধা কৰো। মই ওপৰত উল্লেখ কৰা কথাখিনিৰ ওপৰত তেখেতে চকু দিব বুলি আশা ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছে, গুৱাহাটীত মই মাটি পাওঁ নে নেপাওঁ? মই এজন লেণ্ডলেছ মানুহ। মোৰ যিখিনি মাটি আছে সেই-খিনি মোৰ পৰিবাৰৰ নামত আছে। সাধাৰণতে লৰা ছোৱালী ডাঙৰ হলে

---

* Speech not corrected.

গিৰিয়েকৰ প্ৰতি অৱজ্ঞা কৰিৰলৈ লয়। সেই কাৰণে মই মাটি বিচাৰিব লগা হৈছে। গতিকে আশা ৰাখিছো এই বিষয়ে বিবেচনা কৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে মাটি পট্টনৰ ক্ষেত্ৰত চাব জুদিছ হৈ আছে। গুৱাহাটী চহৰতে ন কথা মাটি কেইজনমান লোকৰ নামত পট্টন দিয়া আছে। সেই মাটিৰ লগত কামৰূপ জিলাৰ ডি,চি এচ, ডি,চি জৰিত আছে। কিন্তু সেই মাটি তেখেত সকলে পাব নালাগে। আকৌ কৈছো এই বিষয়ে যাতে বিবেচনা কৰে। মাননীয় অধ্যক্ষ মহোদয়, মাটিৰ খাজনা বঢ়াব লাগে। কিন্তু যিবিলাক মানুহৰ ১০ বিঘাতকৈ মাটি সেই বিলাকক মাফ দিব লাগে। কিন্তু যিবিলাক মানুহৰ ১০ বিঘাৰ ওপৰ সেই বিলাকৰ খাজনা বৃদ্ধি কৰিব লাগে। আমৰ যিবিলাক নিষ্পিখেৰাজ, খেৰাজ, টৌজি আদি মাটি আছে সেই বিলাক শ্ৰেণী উঠাই এটা কৰিব লাগে। আৰু খাজনা লব লাগে। আমাৰ গাওঁ বিলাকত গাওঁ বুঢ়া আছে আপোনালোকে ভালদৰে পৰীক্ষা কৰিলে দেখিব যে তেওঁ কিমান চৰকাৰী মাটি নিজৰ নামত কৰি লৈছে। গাওঁবুঢ়া বিলাকে যিমানখিনি চৰকাৰী মাটি নিজৰ নামত কৰি লৈছে সেইখিনি চৰকাৰী কৰিব লাগে। আমাৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো বহুতো চৰকাৰী বিল খাল লাহে লাহে শুখ হৈ আহিছে। সেই বিলাক পট্টা কৰি লৈছে। অৱশ্যে আজিও পানীৰ তলতে আছে ওপৰ উঠা নাই। চৰকাৰে এই মাটি বিলাক কেতিয়া পট্টন দিয়ে তাৰ আগে আগে ৰাজহুৱা ভাৱে জাননী দিয়ে। যাতে এই জাননীৰ জৰিয়তে সকলো ৰাইজে গম পায় কোনে ক'ত কেতিয়া পট্টা দিয়ে। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই চকু দিব লাগে যাতে উদ্ধৃত্ত মাটি বিলাক আমাৰ দুখীয়া ৰাইজে পায়। এই ক্ষেত্ৰত আমাৰ আইন আছে। ওকুপেঞ্চি টেনেঞ্চি একট্ আছে। ওকুপেঞ্চি আইন মতে ৩ বছৰ মাটি দখল কৰি থাকিলে সেই মাটিৰ পট্টা পাব পাৰে। ডি,চি, য়ে সেই বিলাকক পট্টা দিব পাৰে। আইন আছে যদিও তেনেকৈ মাটিৰ পট্টা পোৱা ঘটনা বিৰল। কোনেও পট্টা নাপায়। গতিকে মন্ত্ৰী মহেদয়ে এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিব লাগে যাতে দুখীয়া ৰাইজে মাটিৰ পট্টা পায়।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজহৰ

* Speech not corrected.

ওপৰত আমাৰ কেৰাজনো সদস্যই বক্তব্য ৰাখিছে। মই কেইটামান ক্লেৰিফিকেচন বিচাৰিছো আৰু পৰামৰ্শ দিবলৈ বিচাৰিছো। ৰাজহ মন্ত্ৰী মহোদয়ে যোৱা বাজেট চেছনত কেইটামান আশ্বাস দিছিল। তেখেতে কৰিম বুলি কৈছিল। অসমৰ যিটো ভূমি সমস্যা, সেই সমস্যা বিভিন্ন অঞ্চলত বিশেষকৈ জনসাধাৰণে বেয়াকৈ অসুবিধা ভোগ কৰিব লগা হৈছে। ধেমাজী, জোনাই ঢকুৱাখানা, শদিয়া আদি অঞ্চলৰ জনসাধাৰণক মাটি পট্টা চৰকাৰে নিদিয়া কাৰণে সেই অঞ্চলৰ লোক সকলৰ যথেষ্ট অসুবিধা হৈছে। বিশেষকৈ চৰকাৰ আৰু বেংকৰ পৰা লোন আদি লোৱাৰ ক্ষেত্ৰত। আন এটা কথা হৈছে মাটি সম্পৰ্কীয় যিবোৰ গোচৰ হাইকোৰ্ট বা লোৱাৰ কোৰ্টত চলি আছে এই বিলাক যথেষ্ট দীঘলীয়াকৈ চলে। এতিয়া চৰকাৰে ৰাজহ আদালত পাতিছে, গতিকে এই গোচৰ বিলাক অতি সোনকালে নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰিব লাগে। আন এটা কথা হৈছে যিবোৰ আন্তঃৰাজ্যিক বোৰ্ডাৰ বিশেষকৈ অসম-অৰুণাচল, অসম-মেঘালয়, অসম-মিজোৰাম আদিত বেদখল কৰি আছে সেই বিলাক মাটি জৰীপ কৰিব লাগে। কিমান মাটি বেদখল হৈ আছে সেইটো উলিয়াব লাগে। আমাৰ এচ, ডি, চি সকলে বানপানীৰ সময়ত ৰিলিফৰ কাম কৰিব লাগে। আন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ সময়তো তেওঁলোকে খৰতকীয়া কাম কৰিব লাগে। ইয়াৰ উপৰিও তেওঁলোকে আইন শৃংখলাৰ দায়িত্বতো যাব লাগে। কিন্তু তেওঁলোকৰ জীপ গাড়ী এখনো নাই। মই এইখিনিতে পৰামৰ্শ দিব খোজো যে অসমৰ সকলো চাৰ্কেলতে এচ, ডি, চি ক একোখন জীপ গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা অহা বাজেতৰ পৰা কৰিব লাগে বুলি মই পৰামৰ্শ আগবঢ়াইছো।

অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো সেইটো হৈছে এই বিধান সভা আজি য'ত বহি আছে এই মাটিখিনিৰ নামজাৰি হৈছেনে নাই, ম্যাদি পট্টা হৈছেনে নাই। যদি হোৱা নাই কিয় হোৱা নাই আৰু কেতিয়াকৈ নামজাৰি হব সেইটো মন্ত্ৰী মহোদয়ে জনাব লাগে। ইতিমধ্যে গাওঁবুঢ়া, মণ্ডল আদিয়ে লগোৱা খেলিমেলিৰ কথা সদনত আলোচনা হৈছে। এই লোক সকলৰ মাটিৰ হিচাব চৰকাৰে লব লাগে। আজি ৰাজহ মন্ত্ৰীৰ নামতো বহুত মাটি থাকিব পাৰে, অৱশ্যে এইটো মই ধেমালিকৈহে কৈছো। অধ্যক্ষ মহোদয়, গুৱাহাটী চহৰত কিমানখিনি

চিলিং চাৰপ্লাচ লেণ্ড আছে তাৰ এটা জৰীপ কৰিব লাগে আৰু এই লেণ্ডৰ কিমানখিনি বেদখল হৈ আছে তাৰো হিচাব উলিয়াব লাগে বুলি মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো। ৰাজ্যখনৰ কিমান মাটি বানপানী আৰু গড়াখহনীয়াত গৈছে তাৰ এটা জৰীপ কৰিব লাগে প্রায়েই অভিযোগ শুনা যায় যে যেপত্ত যিমান মাটি দেখুওৱা থাকে আচলতে কিন্তু সিমান মাটি নেথাকে সেয়ে এইটো জৰীপ হব লাগে। মই আৰু এটা কথা কব খুজিছো যদিও এইটো কৃষি বিভাগৰ লগত জড়িত কথা। আমি দেখিবলৈ পাইছো যে আমাৰ মাটি অনুযায়ী যিমান উৎপাদন হব লাগে হোৱা নাই। আজি মাটিৰ উৎপাদন লাহে লাহে কমি অহা দেখা গৈছে, এইটো কিয় হৰলৈ পাইছে কৃষি আৰু ৰাজহ বিভাগে জৰীপ কৰিব লাগে। আন এটা কথা হৈছে আমাৰ ট্রাইবেল বেল্ট আৰু ব্লববোৰ চৰকাৰে সঠিক ভাবে ৰক্ষণাবেক্ষন দিব পৰা নাই এইবোৰ ঠিকমতে ৰক্ষণাবেক্ষণ কৰিব লাগে। কাজিৰঙা আৰু লাওপাবা অভয়াৰণ্যত যি সকল বেদখলকাৰী আছে সেই সকলক চৰকাৰে সোনকালে উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ কাজিৰঙাৰ ৰাষ্ট্রীয় ঘাই পথৰ কাষত থকা বেদখলকাৰী সকলক উচ্ছেদ সোনকালে কৰিব লাগে। এই অভয়াৰণ্য বেদখল হোৱাৰ ফলত তাত থকা জীৱজন্তুবোৰ নোহোৱা হৈছে। আৰু এটা কথা মই ৰাজহমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো সেইটো হৈছে ধেমাজী, জোনাই, উত্তৰ লক্ষীমপুৰ, ঢকুৱাখানা শদিয়া আদি ঠাইৰ লোক সকলক মাটিৰ ম্যাদি পট্টা দিয়া নাই যাৰ কাৰণে এই লোক সকলে চৰকাৰী ঋণ আদি পোৱাত অসুবিধাৰ সন্মুখীন হৈছে। সেয়ে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰো তেখেতে যেন এই অঞ্চলৰ লোক সকলক অতি সোনকালে ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা কৰে।

মাননীয় অধ্যক্ষ: মাননীয় সদস্য শ্রী নগেন শর্ম্মা, ডাঃ কমলা কলিতা, শ্রীদিলীপ শইকীয়া সোণোৱাল, শ্রী হিতেশ ডেকা, শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা আদি সদস্য সকলে আজি পৰিপূৰক দাবী মঞ্জুৰীৰ সদনত আলোচনা উৎথাপন কৰা সময়ত কর্ত্তন প্রস্তাৱ সমূহৰ অসমীয়া ভাষাত ছপা তালিকাবোৰ মাননীয় সদস্য সকলৰ মাজত বিতৰণ নকৰা সন্দৰ্ভত বিধান সভা সচিবালয়ৰ বাবে যি অভিযোগ আনিছে তাৰ বিষয়ে মই সদনৰ জ্ঞাতার্থে জনাব বিচাৰিছো।

মই সচিবালয়ত অনুসন্ধান কৰি পালো যে কর্ত্তন প্রস্তাৱ সমূহৰ তালিকা অসমীয়া ভাষাত ইচ্ছাকৃত/উদ্দেশ্য প্রনোদিত ভাৱে ছপা নকৰাকৈ থকা কথাতো

সচা নহয়। ইয়াত কোনো বিৰাগভাব থাকিব নোৱাৰে। সভাৰ কাম-কাজ অসমীয়া ভাষাত হোৱাত মই অকল উদ্দোক্তাই নহয় ৰাজ্যভাষাত অৰ্থাত অসমীয়া ভাষাত এই পবিত্ৰ সদনৰ সকলো চৰকাৰী কাগজ-পত্ৰ মাননীয় সদস্য সকলৰ মাজত বিতৰণ কৰাৰ বাবে মই দৃঢ় প্ৰতিজ্ঞ। ইয়াত কোনো দ্বিমত থাকিব নেৱোৰে। চৰকাৰৰ ভাষা আইনৰ যি নীতি তাক যথা-যুক্ত ভাৱে এই পবিত্ৰ সদনত প্ৰচলন কৰা হব আদৰ্শগত ভাৱে।

প্ৰকৃত এই যে যোৱা কালি ৰাতি চৰকাৰী ছপাশালৰ পৰা কৰ্ত্তন প্ৰস্তাৱ সমূহৰ অসমীয়া ভাষাত ছপা হোৱা তালিকাখনো ৰাতি ৩ বজাত আহিছিল কিন্তু অসমীয়া ভাষাত ছপা কৰ্ত্তন প্ৰস্তাৱ সমূহৰ তালিকা খনত যথেষ্ট ভূল বা অশুদ্ধ হোৱাৰ বাবে মাননীয় সদস্য সকলৰ মাজত বিতৰণ কৰা নহল।

দুৰ্ভাগ্য বশত: বিধান সভা সচিবালয়ৰ ন্যস্ত দায়ীত্বত থকা বিষয়া জনে এই বিষয়টো আজি সদনত পৰিপূৰক দাবী মঞ্জুৰীৰ আলোচনা কৰা সময়লৈ এই বিষয়টো মোৰ বা সচিবৰ দৃষ্টি গোচৰ নোহোৱাৰ বাবে মই সদনত উক্ত অসুবিধাৰ কথা মাননীয় সদস্য সকলক জনাব নোৱাৰিলো। এতিয়া বিষয়টো তদন্ত কৰি চাই আপোনালোকক গোটেই পৰিস্থিতিটো অৱগত কৰিলো।

*শ্ৰী বিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাত অংশ গ্ৰহণ কৰি মই দুটামান পৰামৰ্শ আগবঢ়াব খুজিছো। অসমৰ চাহ বাগিচা সমূহৰ যিবোৰ চিলিং চাৰপ্লাচ লেণ্ডত প্ৰাক্তন চাহ জনজাতি লোক সকল বহু বছৰ ধৰি বসবাস কৰি আছে সেই লোক সকলক মাটিৰ কাৰণে ম্যাদি পট্টা আজিও দিয়া হোৱা নাই। এই পট্টা নোপোৱাৰ কাৰণে এই লোক সকলে চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ যোগেদি ঋণ আদি লব পৰা নাই। সেই কাৰণে এই দুখীয়া লোক সকলৰ সোনকালে মাটিৰ পট্টা দিবৰ কাৰণে মই ৰাজহ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। গোলাঘাট জিলাৰ মৰঙীত এনে প্ৰাক্তন চাহ জনজাতিৰ বহু লোক আছে। এই লোক সকলে পট্টা পালে চৰকাৰী বিভিন্ন সাহায্য গ্ৰহণ কৰিব পাৰিব, এতিয়া তেওঁলোক এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এই মৰঙীৰে ৰাংকা, ৰংবং আদি অঞ্চলতো এনে লোক বসতি কৰিছে এওলোককো মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান নুমলিগড়ত

* Speech not corrected.

নতুনকৈ স্থাপন কৰিবলৈ লোৱা তেল শোধনাগাৰ অঞ্চলত এচাম ধনী লোকে মাটি কিনিবলৈ ঘুৰি ফুৰিছে তেওঁলোকে দুখীয়া, চহা কৃষক সকলক প্ৰলোভনো দেখুৱাইছে। এই দুখীয়া লোক সকলৰ পৰা যাতে এই ধনী বাহিৰা লোক সকলে মাটি কিনি তেওঁলোকক বিপদত পেলাব নোৱাৰে তাৰ কাৰণে চৰকাৰে সতৰ্ক দৃষ্টি ৰাখিব লাগে। আৰু এটা কথা নগালেণ্ডৰ সীমামুৰীয়া দয়াং, ৰেংমা চুণাজান, নামবৰ আদি অঞ্চলত যি সকল লোক বসবাস কৰি আছে সেই লোক সকলকো চৰকাৰে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা সোনকালে গ্ৰহণ কৰিব লাগে। এইখিনি মাটিৰ পৰা চৰকাৰে এতিয়া ৰাজহ হেৰুৱাইছে। পট্টা দিলে বহুতো ৰাজহ পাব। আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি এই ৰিজাৰ্ভ ফৰেষ্টৰ মাটিখিনি ডি-ৰিজাৰ্ভ কৰি তাত বসবাস কৰি থকা লোক সকলক পট্টন দিব লাগে। কিয়নো এতিয়া তাত ফৰেষ্ট নায়েই। এই লোক সকল তাত যোৱা ৩০-৩৫ বছৰ ধৰি বাস কৰি আছে। অধ্যক্ষ মহোদয় মই আৰু এটা এইখিনিতে কব খুজিছো ষৰপথাৰৰ ৰেংমা চাহ ৰাগিচাৰ যিখিনি চিলিং চাবপ্লাচ মাটি আছে সেইখিনিতে প্ৰাক্তন চাহ জনজাতিৰ লোক সকলে বসবাস কৰি আছে কিন্তু সেই ৰাগানৰ মালিক পক্ষই এই লোক সকলৰ পৰা বেগুলাৰ ৰাজহ আদায় কৰি আছে বে-আইনী ভাবে। চৰকাৰে এই বিষয়টো চাব লাগে আৰু এই লোক সকলক মাটিৰ পট্টা দি চৰকাৰৰ ঘৰত ৰাজহ দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। এই খিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী সুৰেণ স্বৰ্গীয়াৰী: মাননীয় অধ্যক্ষ মহোদয়, মই বৰ আক্ষেপেৰে সৈতে এটা কথা কব খুজিছো সেইটো হৈছে মোৰ সমষ্টিৰ জালাহ চাৰ্কেলৰ এচ, ডি, চি জনক আজি দুমাহ মানৰ আগতে কোনো উগ্ৰপন্থী য়ে হত্যা কৰিলে। উগ্ৰপন্থী সকলে তেওঁৰ পৰা ৩ লাখ টকা দাবী কৰিছিল। তেখেতে টকা দিব নোৱাৰাৰ কাৰণে মৃত্যুৰ মুখত পৰিল।

মাননীয় অধ্যক্ষ: আপুনি পিচত কব। এতিয়া সদন দিনৰ ৩ বজালৈকে স্থগিত ৰখা হৈছে।

(The House re-assembled at 3.00 P.M. with Mr. Speaker in the Chair.

শ্ৰী সুৰেণ স্বৰ্গীয়াৰী: মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়াজনক কিছুমান

দুৰ্বৃত্তই তিনি লাখ টকা বিচাৰি এখন চিঠি দিছিল। টকা দিব নোৱাৰাৰ ভয়ত তেওঁ তাত থাকিবৰ ইচ্ছা কৰা নাছিল। সেইবাবে তেওঁ ছমাহ ধৰি চুটি লৈছিল। এই চুটিৰ সময়খিনিৰ ভিতৰতে তেওঁ নিজে আন ঠাইলৈ বদলিৰ বাবে অশেষ চেষ্টা কৰিছিল। ব্যক্তিগতভাৱে চেষ্টা কৰি একো ফল নধৰাত তেওঁ মোক কথাটো কৈছিল। মইয়ো বিধায়ক হিচাবে বিষয়াজনক বদলিকৰি আনিবলৈ লিখিতভাবে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী আৰু সচিব মহোদয় সকলোকে অনুৰোধ কৰিছিলো। লিখিত ভাবে অনুৰোধ জনোৱাৰ পিছতো, আন কেইবাদিনো মাননীয় মন্ত্ৰী আৰু সচিবক লগ ধৰি কথাটো উনুকিয়াইছিলো। তেওঁবিলাকে বিষয়াজনক বদলি কৰা হব বুলি মোক মৌখিক আশ্বাস দিয়াৰ পিচতো বদলিৰ নিৰ্দেশ নহল। বৰং এই সংক্ৰান্তত বিধায়ক জৰিত কৰাৰ বাবে সচিব ডাঙৰীয়াই বিষয়াজনক দাবী ধম্‌কি দি তেওঁৰ কাৰ্য্যালয়ৰ পৰা বাহিৰ কৰি দিয়া বুলি বিষয়াজনে মোক জনাইছিল। তাৰ পিচত বিষয়াজনৰ ওপৰত এনে এটি নিৰ্দেশ জাৰি কৰা হল যে তেওঁ এসপ্তাহৰ ভিতৰত কামত যোগাদান কৰিব লাগে। নিৰ্দেশ পাই বিষয়াজনে কামত যোগদান কৰিলে। যোগদান কৰাৰ কেইদিনমান পিচতেই দুৰ্বৃত্তই বিষয়াজনক হত্যা কৰিলে, এতিয়া কথা হ'ল বিষয়াজনৰ মৃত্যুৰ বাবে দায়ী কোন? মই কব খোজো যে ইয়াৰ বাবে দায়ী মন্ত্ৰী নিজে আৰু সচিবজন। কাৰণ তেওঁক বদলি কৰা হলে এই হত্যাকাণ্ড হবলৈ নেপালেহেতেন। এতিয়া মোৰ কথা হ'ল এই যে মৃতকৰ পৰিয়ালক কিবা ক্ষতিপুৰণ দিয়া হ'ল নে নাই। যদি দিয়া হোৱা নাইঅতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও এতিয়ালৈকে জালাহ ৰাজহ চক্ৰত তেওঁৰ মৃত্যুৰ পিচত আন কোনো চক্ৰ বিষয়া নিযুক্তি দিয়া হোৱা নাই যাৰ ফলত ৰাইজৰ মাটি বাৰী সম্পৰ্কীয় কামবোৰ সমাধা হোৱাত সমস্যাই দেখা দিছে। অস্থায়ীভাৱে এজন বিষয়াক নিযুক্তি দিয়া হৈছে যদিও আমাৰ অঞ্চলটো উপদ্ৰত অঞ্চল বুলি ভাবিয়েই তেওঁ তাত কাম কৰিব নিবিচাৰে। সেইকাৰণে জালাহ ৰাজহ চক্ৰত স্থায়ীভাবে এজন চক্ৰবিষয়া সোনকালে নিযুক্তি দিব লাগে। আমি বিধায়ক সকলে কেতিয়াবা কেতিয়াবা পৰিস্থিতিৰ সাপেক্ষে বিষয়া কৰ্মচাৰী সকলক নিয়োগ বদলি আদিৰ বাবে পৰামৰ্শ আগবঢ়াও। আমি আগবঢ়োৱা পৰামৰ্শবোৰ গুৰুত্ব সহকাৰে চালিজাৰি চাই উচিত ব্যৱস্থা লব লাগে। সকলো পৰামৰ্শকে ৰাজনৈতিক উদ্দেশ্য

বুলি ধৰি লোৱাটো মন্ত্ৰী সকলৰ উচিত নহয়।

মাননীয় অধ্যক্ষঃ এতিয়া মাননীয় ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ চাৰ, আমাৰ অলপ কবলগীয়া আছে। মই মাত্ৰ বাৰ বা পোন্ধৰ মিনিটত শেষ কৰিম।

মাননীয় অধ্যক্ষ ঃ চমুকৈ কব।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ চাৰ মই যোৱা বাৰ বিধানসভাতে এটা কথা কৈছিলো এতিয়া মাত্ৰ কথাটো বেঁড চড় নোহোৱা কাৰণে পুনৰ দোহাৰিব খুজিছো। পঞ্চায়তী আইন সম্পৰ্কে আমাৰ কবলগীয়া আছে। মই যোৱাবাৰৰ অধিবেশনত গুৰুত্বপূৰ্ণ কথা কৈছিলো এতিয়া কাম নোহোৱা বাবে দোহাৰিব বিচাৰিছো। কৈচটোৰ অলপমান কব বিচাৰিছো।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ তেতিয়াহলে এই গ্ৰাণ্টৰ ওপৰত কব লগিব।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ এই বিলখনৰ যোগে দুই তিনি লাখ টকা বিচাৰিছে। ইয়াৰ লগত কিছুমান সৰুসুৰা কথা জড়িত আছে। কালি মই টিলিঙা এটা আনিছিলো বাইজৰ কথা বিলাক শুনাব পাৰিম বুলি কিন্তু নবজালো আপুনি বেয়া পায় বুলি। কথা হ'ল আই-আই টিৰ কাৰণে মাটি বিচাৰি এজন দালালক বহুত কোটি টকা দিয়া হৈছে। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ ৰাজ্যপালজনো জড়িত হৈ আছে। কিন্তু সেইজন বৰ্ত্তমানৰ ৰাজ্যপাল নহয়। ৰাষ্ট্ৰপতিৰ শাসনকালত থকা গভৰ্ণৰেই হওক বা আন হওক আমাৰ ৰাইজৰ টকা অপচয় কৰা লোকৰ কামৰ তদন্ত হব লাগে। এইটো আমাৰ ৰাজহ মন্ত্ৰীয়ে তদন্ত কৰিব লাগে। ৰাষ্ট্ৰপতিৰ শাসন চলা কালত সেই টকা বিলাক দিয়া হৈছে ৰাজহ মন্ত্ৰী মহোদয়ে উত্তৰ দান কালত এই কথা স্পষ্টভাৱে কব বুলি আশা ৰাখিছো।

মাননীয় অধ্যক্ষ মহোদয়, আকৌ কেইটামান মোৰ সমষ্টিৰ কথা কব বিচাৰিছো। মাননীয় ৰাজহ মন্ত্ৰী গৰাকীয়ে তেতিয়াই আমাক আশ্বাস দিছিল সেই আশ্বাসটো হৈছিল ছিপাজাৰত বাহগড়া বুলি এখন গাঁও আছে তাত হিন্দু, মুছলমান একে লগহৈ একেখন ঠাইতে ৰাইজে মীন মহল চলাই আছে। কিন্তু এজন ব্যক্তিক সেই বিলখন দিয়াৰ কাৰণে ষড়যন্ত্ৰ চলি আছে। গতিকে মননীয় মন্ত্ৰী মহোদয়ক ৰাইজৰ সপক্ষে ঠিয় হবলৈ কৈছো। ব্যক্তিগত হিচাপে ঠিয় নহব। সেই ব্যক্তি-

গত মানুহজনক ৰাজহ মন্ত্ৰীয়ে জানে। তেখেতে এবাৰ সেই ব্যক্তিগত মানুহজনক ৰুমৰ পৰা গেত আউত কৰি দিছে। কিয়নো তেওঁ বোলে টকা দিবলৈ আহিছিল। সেই মাটি ডোখৰ আনচেটেলমেণ্ট হিচাপে ৰাখিছে। গতিকে মন্ত্ৰী মহোদয়ক মই ৰাইজৰ সপক্ষে ঠিয় দিবলৈ অনুৰোধ কৰিছো। সেই বাহগড়া অঞ্চলত এচ, চি, মানুহো বহুত আছে আৰু অন্যান্য মানুহ লগহৈ কমিটি গঠন কৰিছে। এবাৰ মন্ত্ৰী মহোদয় নগাওঁৰ চাৰ্কিত হাউচত থাকোতে তেখেতলৈ টেলিফোন কৰি জনাইছিলো যে এই মাটি ডোখৰত যি দখলত আছে তেখেত সকলক দিয়ক। আপোনালোকে আমাক বেয়া কথা কোৱা বুলিয়েই ভাবে কিন্তু ভাল কথা কলে আপোনালোকে কিয় শুশুনে আপোনালোক যদি ভাল মানুহ হয় তেতিয়াহলে ব্যক্তিগত হিচাপে অহা মানুহজনক গেট-আউট কৰিব পাৰিছে কিন্তু ফাইলটো অহাৰ পিচত ৰাইজৰ সপক্ষে কিয় চহী মাৰিব পৰা নাই। আপোনালোক যদি ভাল মানুহ হয় তেতিয়াহলে ৰাইজক দেখুৱাই দিয়ক।

মাননীয় অধ্যক্ষ মহোদয়, মই দ্বিতীয় এটা কথা কব বিচাৰিছো যে মোৰ ছিপাজাৰ সমষ্টিৰ নেচনেল হাইওৱেৰ ওচৰত চৰকাৰী মাটি নাই। ছিপাজাৰ ৰাজহ চক্ৰৰ তুমুনিচকী গাওঁত ৩ হেজাৰ বিঘা মাটি আছে। যোৱা পাচ বছৰে সেই মাটি ডোখৰ সংৰক্ষণৰ কাৰণে ৰাইজে দৰ্খাস্ত দি আছে। কিন্তু মাটি এলটমেণ্ট দিব খোজা নাই। সেই মাটি ডোখৰ আমাক ভৱিষ্যতে লাগিব। চৰকাৰী অনুষ্ঠান গঢ়ি উঠিবৰ কাৰণে, যাতায়তৰ কাৰণে সেই মাটি ডোখৰ আমাক লাগিব। সেইকাৰণে সেইডোখৰ সংৰক্ষণ কৰিব লাগে। এতিয়া আমি শুনিছো যে তাত এটা নতুনকৈ সংগঠন কৰি এটা পাৰ্টিয়ে আৰু এজন কংগ্ৰেছৰ কৰ্মীয়ে ইয়াৰ আগভাগ লৈছে। তাত আমাৰ মন্ত্ৰীকো জৰিত কৰিব বিচাৰিছে বুলি শুনিছো কথাটো সঁচানে মিছা আমি নেজানো। আমাৰ বিশ্বাস তেখেতে তেনেকুৱা কাম নকৰিব। গতিকে এই ছিপাজাৰ অঞ্চলৰ বালিয়াচিচাৰ পৰা তুমুনিচকীলৈ নেচনেল হাইওৱেৰ মাটিখিনি কোনো সংগঠনৰ নামত আৱণ্টন নিদিয়ে। যদি আৱণ্টন দিয়ে তেতিয়াহলে আমি বুজি পাম আপোনালোকে ৰাইজৰ সপক্ষে কোনো কাম নকৰে। গতিকে ইটোৰ ক্ষেত্ৰত ডি, চি,ৰ লগত আলোচনা কৰিলে ভাল হয়।

শ্ৰী মুকুত শৰ্মা (ৰাজহ মন্ত্ৰী) মাটি আৱণ্টন দিয়া বুলি কৈছে নেকি ?

শ্ৰী জয়নাথ শৰ্ম্মা : দিয়া হোৱা নাই, অপচেষ্টা কৰা হৈছে। গতিকে সেই সংগঠনটোক দিয়াৰ আশ্বাস নিদি ৰাইজৰ সপক্ষে যাতে কাম কৰে তাৰ বাবে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু ২ খন দৰ্খাস্ত মই লৈ আহিছো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদনত বিভাগীয় মন্ত্ৰী মহোদয়ক দিব বিচৰিছো। সেইকেইখন হ'ল হুহুৰতলীৰ ৰাজহুৱা জি, জি, আৰ আৰু পি, জি, আৰৰ কাৰণে গোৱালসকলে বছৰি বছৰি খাজনা দি আছে। ইয়াত কিছুমান মানুহক মাটি দিম বুলি বাতৰি কাকতত প্ৰচাৰ হোৱাৰ লগেলগে সেই ৰিজাৰ্ভত যোৱা ৭ তাৰিখে অন্য মানুহে ঘৰ-দুৱাৰ বান্ধিছে। তেতিয়া মই লগেলগে মুখ্যমন্ত্ৰীক ফোন কৰি জনাইছিলো যে সেই বিলাক ঘৰ-দুৱাৰ ভাঙি দিব লাগে। বিভাগীয় মন্ত্ৰীক মই সেই সময়ত নেপালো। কথাটোৰ ওপৰত অলপো গুৰুত্ব নিদি একচন নললে। তাৰ পৰা সেই গোৱালসকলক খেদি দিছে। শেষত যেনিৱা তালৈ আলফা গৈ কাম-টা বন্ধ কৰিলে। নগাওঁ টাউনটো যদি আলফাই গৈ বন্ধ নকৰিলেহেতেন তেতিয়াহলে নগাওঁ টাউন শেষ হৈ গ'লহেতেন?

মাননীয় চেয়াৰমেন : অপুনি ৰাজহৰ ওপৰত কওঁক।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় চেয়াৰমেন মহোদয়, আলফাৰ কথা ওলাইছে কাৰণে মই কৈছো।

শ্ৰী মুকুত শৰ্ম্মা (মন্ত্ৰী) আপুনি গ্ৰান্টৰ ওপৰত কওঁক।

শ্ৰী জয়নাথ শৰ্ম্মা : আপোনালোকে কথাটো বৰ লাইটলি লৈছে। শেষত মন্ত্ৰীয়ে তেখেতৰ উত্তৰত লঘু হিচাপেই দি থৈ দিব। মোৰ কথা হুহুৰিগুৰি পি, জি, আৰ মাটিখিনি গৰু-মহ চ'ৰা কাৰণে সংৰক্ষণ কৰি ৰাখে তাৰ ওপৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। গতিকে মই গোৱাল সকলৰ দৰ্খাস্ত কেইখন চেয়াৰমেন মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক দিব বিচাৰিছো যাতে ইয়াৰ একচন হয়। মোৰ এই তিনিওটাৰ ওপৰত যাতে মন্ত্ৰী মহোদয়ে গুৰুত্ব দিয়ে কিয়নো ইয়াত ৰাইজৰ কথা জৰিত আছে। আই, আই, টিৰ যিটো কথা গভৰ্ণৰৰ লগত জৰিত আছে বুলি বৰ্ত্তমান চৰকাৰে দোষ হাৰি থাকিলে নহব। চৰকাৰে ইয়াৰ ওপৰত যি ভুল তথ্য-পাতি দিছে তাৰ ওপৰত ব্যৱস্থা কৰিব লাগে।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই মাত্ৰ তিনি মিনিট বম। এই বিষয়টোৰ ওপৰত ৰাজহ মন্ত্ৰীৰ মুখলৈ চালে কবলৈ বেয়াই লাগে। তেখেত হাঁহি ফুৰ্ত্তিত থকা মানুহ। যোৱাবাৰ সদনত কৈছিল যে মাটিৰ কাৰণে মহাভাৰতৰ যুদ্ধ আৰম্ভ হৈছিল আৰু ভগৱান শ্ৰীকৃষ্ণ আহিও মাটিৰ সমস্যা সমাধান কৰিব পৰা নাই। মই কেইটামান বিশেষ কথা কম নোট কৰি ললে ভাল পাম। উত্তৰ নাপাওঁ, লাজ লাগে চিনিয়ৰ মন্ত্ৰী কাম কৰা নাই। নে অফিছাৰে কৰা নাই জানিলে ভাল পাম। ১নং এম, এন, পিত ১ বিঘাকৈ মাটি দিছিল ঘৰ সাজিবৰ বাবে আৰু আঢ়ৈ হাজাৰ টকা দিয়াৰ কথা আছিল। এতিয়ালৈকে সেই টকা ৰিলিজ কৰা নাই মোৰ সমষ্টিত ১০৩ ঘৰ মানুহক মাটি দিয়া হৈছিল, কিন্তু টকা আঢ়ৈ হাজাৰ দিয়া নাই। এইটো কাৰ্য্যকৰী কৰিলে ভাল পাম। ২নং বান নিয়ন্ত্ৰণ বিভাগত মথাউৰীৰ কাৰণে যি বিলাক মাটি গৈছিল তাৰ পইচা পোৱা নাই। গৰীৱ মানুহ বিলাক মথাউৰীৰ কাষত বাস কৰে। বান নিয়ন্ত্ৰন বিভাগৰ লগত যোগাযোগ কৰি এই মথাউৰীত মাটি যোৱা সকলক টকা দিব লাগে। ৩নং নিবনুৱা সমস্যা সমাধানৰ কাৰণে ফাৰ্ম্মিঙৰ বাবে মাটিৰ আবেদন জনাইছে। সেই মাটি দিয়া নাই। ৪নং ৰাজহুৱা উদ্দেশ্যত যি মাটি বিচৰা হয় তাত যথেষ্ট হেমাহি হয়। ৩২ কেভি পাৱাৰ চাব- ষ্টেচনৰ বাবে যিখিনি মাটি পচন্দ হৈছিল তাক দিয়া নাই। অন্য মাটি দিছে যদিও সেই মাটিত বে-দখল আৰম্ভ হৈছে। গতিকে এই মাটি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৫নং দাঙ্ৰাপাৰাত উদ্যোগ বিভাগক মাটি দিয়া হৈছিল আৰু তেওঁলোকেও ভাল পাইছিল। এই সম্পৰ্কত তদন্ত কৰিলে ভাল হয়। চৰকাৰী আইন কলেজৰ অধ্যক্ষ শ্ৰী প্ৰমোদ বৰ্ম্মণে চিঠি দিছে যে গুৱাহাটীৰ মাজ মজিয়াত থকা চলা- বিলত মাটিৰ বে-দখল আৰম্ভ হৈছে। কৰ মানুহ এই বিলাকৰ কোনো ঠিকনা নাই। এতিয়া এটা অশুভ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। গতিকে এই কথাটোৰ এটা তাৎপৰ্য্য আছে। এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলে।

অধ্যক্ষ: এতিয়া উত্তৰ দিয়ক।

শ্ৰী নগেন শৰ্ম্মা: মই নটিচ দিছো। কবলৈ সুযোগ দিব লাগে। মই চলাবিলৰ কথা কওঁ। হিমংচিংকাক ১৮ বিঘা মাটি দিয়া হৈছে। এইটো সোনকালে তদন্ত কৰি ব্যৱস্থা লব।

শ্ৰী গহীন দাস : কাকী জন মঙ্গল কৃষি পাম সমবায় সমিতিক মাটি দিয়া হৈছিল। এতিয়া মুখ্য বন সংৰক্ষকৰ পৰা চিঠি গৈছে উঠাই দিব লাগে। মানুহ বিলাকৰ হাহাকাৰ হৈ আছে। এই মাটি দিব নে নিদিয়ে স্পষ্টিকৰণ দিব লাগে। মন্ত্ৰীয়ে নিজে জানে নগাওঁ জিলাৰ কাৰ্বিআংলংৰ সীমাত এটা বিতৰ্কিত অঞ্চল আছে। কাৰ্বি আৰু অনা কাৰ্বিৰ মাজত গছ কটা লৈ খেলিমেলি হৈছিল। এই সম্পৰ্কত একো কৰা নাই। গতিকে অনতি পলমে ব্যৱস্থা লব লাগে। লগে লগে সীমা নিৰ্দ্ধাৰণ কৰিব লাগে। বহু মানুহক ম্যাদি পট্টা দিয়া হোৱা নাই। তাৰ ফলত বহুত অসুবিধা হৈছে। গতিকে এই বিষয় কেইটাৰ ওপৰত স্পষ্টীকৰণ দিলে ভাল পাম।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, মই তিনিটা পইণ্টৰ ওপৰত কম। বৃহত্তৰ গুৱাহাটীত যি সকলে বহু বছৰৰ পৰা বসবাস কৰি আছে সেই সকলক পট্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ২নং মোৰ সমষ্টিৰ গাড়ী গাওঁ, সদিলাপুৰ, সুন্দৰপুৰ গাওঁ আদি মহানগৰীৰ বাহিৰত আছে। তাত এতিয়াও খেতি-বাতি কৰি আছে। গতিকে এই অঞ্চল বিলাক আৰবান চিলিঙৰ বাহিৰত কৰি গ্ৰীণবেল্টৰ ব্যৱস্থা কৰিবনে ? ৩নং আজাৰাৰ ওচৰত ১৯৮৩ চনত বি এচ এফ আৰু ৰেলৱেৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছিল। সেই সকলক সোনকালে ক্ষতিপূৰন দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৪নং আজি প্ৰশ্ন কৰিছিল যে দৰং জিলাৰ ৰাইপথৰী চাহবাগিছাত প্ৰাক্তন চাহ বনুৱা সকলক মাটি দিছিল। এতিয়া জিলা প্ৰশাসন আৰু মেনেজাৰে টকাৰ লেন-দেন কৰি সেই সকলক উঠোৱাৰ ব্যবস্থা কৰিছে। স্থানীয় বিধায়ক গৰাকীয়েও যথেষ্ট কৰিছে। গতিকে ইয়াৰ তদন্ত কৰি ব্যৱস্থা লবনে ?

* শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া, আজি ৰাজহ বিভাগৰ গ্ৰান্তৰ ওপৰত যি আলোচনা হৈছে ই সঁচাকৈয়ে গঠনমূলক আলোচনা যদিও এই গ্ৰান্ত আনিছো ২ লাখ টকাৰ আৰু তাক আমি হিল এৰিয়ালৈ ড্ৰাইভাত কৰিবৰ কাৰণে কৰা হৈছে। ষ্টেট ৰেষ্ট লেণ্ড ডেভেলপমেণ্ট বৰ্ডৰ শিতানত এই ২লাখ টকা বিছৰা হৈছে। এটা কথা ভাল হৈছে গ্ৰান্ত সম্পৰ্কত সদস্য সকল সীমাবদ্ধ নাথাকি ৰাজহ বিভাগৰ সকলোবোৰ কথা আলোচনা কৰাৰ কাৰণে মই কিছু কথা জানিবৰ কাৰণে সুবিধা পাইছো। বিশেষকৈ প্ৰাক্তন ৰাজহ মন্ত্ৰী আৰু এতিয়াৰ বিধান সভাৰ সদস্য শ্ৰী থানেশ্বৰ বড়ো ডাঙৰীয়াই কেইটামান বৰ লাগতিয়াল পৰামৰ্শ দিছে। সেই

---

* Speech not corrected.

সময়ত সভাপতিৰ আসনত উপস্থিত থকা শ্ৰী গিয়াচুদ্দিন আহমেদ চাহাবে তেখেতক কৈছিল যে গ্ৰান্তৰ উদ্দেশ্যক কেন্দ্ৰ কৰি কব লাগে। মই সভাপতি ডাঙৰীয়াক কৈছিলো যে তেখেতে গ্ৰান্তৰ ওপৰত বক্তব্য ৰখা নাই যদিও বক্তৃতা দিবলৈ সুবিধা দিব লাগে। এই কথাটো ঠিক যে ৰাজহ বিভাগটো অসমৰ এটা পূৰণা বিভাগ। বৃটিছ চৰকাৰে ১৮৮৬ চনত আইন প্ৰণয়ন কৰিছিল। কিন্তু এই বিভাগটো এতিয়া পৰিকল্পনাৰ বহিৰ্ভূত হোৱাৰ কাৰণে আমাৰ কিছুমান অসুবিধা আছে। সেই অসুবিধাৰ কাৰণে আমি বিভাগটোৰ যিমান কাম কৰিব লাগিছিল, সিমান কাম কৰিব পৰা নাই। আমাৰ বিভাগটো ডাঙৰ হৈ গৈছে, জনসংখ্যা বৃদ্ধি হৈ গৈছে সেই হিচাপে বিভাগটোত আমি কৰ্মী ডিমাণ্ড দিব লাগিছিল সিমান দিব পৰা নাই। প্ৰায় বিলাক মাননীয় সদস্যই গ্ৰান্তৰ ওপৰত বক্তব্য ৰখা নাই আৰু গোটেই বিভাগটোক সমালোচনা কৰিছে যদিও গঠনমূলক পৰামৰ্শৰ দ্বাৰা বিভিন্ন গ্ৰান্তত থকা সমস্যা বিলাক জানিবলৈ সুবিধা পাইছো। যি সকল সদস্যই গ্ৰান্তৰ আলোচনাত অংশগ্ৰহণ কৰিছে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো। শ্ৰী বড়ো ডাঙৰীয়াই এটা কথা কৈছে সেইটো জনতা চৰকাৰৰ সিদ্ধান্ত আছিল যে ১০ বিঘা মাটিলৈ খাজনা মাফ দিব লাগে। এই সিদ্ধান্তৰ দ্বাৰা কৃষক সকল কিমান দূৰ সহায়ক হৈছে মোৰ নিজৰ এটা ভাব হয়। মই নিজে দেখিছো কৃষক সকলে খাজনা দিবলৈ আগবাঢ়ি আহে তেওঁলোকে ভাবে খাজনা দিলেহে মাটিৰ ওপৰত সম্পূৰ্ণ স্বত্ত থাকে সেই কাৰণে বড়ো ডাঙৰীয়াই কৈছে যে ১০ বিঘালৈ খাজনা মাফ দিয়া কথাটো বিবেচনা কৰিব লাগে। মই জনাব খোজো যে এটা ৰাজনৈতিক দলৰ সিদ্ধান্ত নাইকীয়া কৰিবলৈ গলে সমাজ খনে কৈনেকৈ গ্ৰহণ কৰে প্ৰশ্ন আহি পৰে। আমি জানো যে বিভিন্ন কিছুমান সমস্যা লৈ আন্দোলন গঢ়ি উঠে। সেই কাৰণে গোটেই কথাবিলাক ভালদৰে পৰীক্ষা কৰি চাব লাগিব। ১০ বিঘালৈ খাজনা মাফ দিয়াৰ কাৰণে খেতিয়ক সকল উপকৃত হৈছেনে নাই। আমি নিজে জানো কৃষক সকল খাজনা দিবলৈ আগবাঢ়ি আহিছে। এবিঘা মাটিৰ খাজনা ১'২৫ পইছা তাৰে এটকা মাটিৰ বাবদ আৰু ২৫ পইছা টেক্সৰ বাবদ। মিঠা পাণ এটাৰ দাম ১'৫০ পইছা। গতিকে খেতিয়ক সকলে ১'২৫ পইছা দিবলৈ টান নাপাব। গতিকে খেতিয়ক সকলে ১'২৫ পইছা দিয়াত অসুবিধা নাপাব। বড়ো ডাঙৰীয়াই মৌজাদাৰ প্ৰথা সম্পৰ্কত প্ৰশংসনীয় কথাকে কৈছে।

মৌজাদাৰ সকলৰ দ্বাৰা খাজনা আদায় হয়। মৌজাদাৰ সকলৰ অৱস্থা আৰ্থিক ভাৱে ৰব সুবিধাজনক নহয়। মই ৰাজহ বিভাগৰ দায়িত্ব লোৱাৰ লগে লগে মৌজাদাৰ সন্মিলন আহি স্মাৰক পত্ৰ দিছিল, তেওঁলোকৰ কাৰণে এইটো এটা ভালুকৰ সাঙী যেন হৈছে। এই মৌজাদাৰ সকলক কেনেকৈ সহায় কৰিব পাৰি সেই কথা চিন্তা কৰি থকা হৈছে। অৱশ্যে এতিয়ালৈকে একো সিদ্ধান্তত উপনীত হব পৰা নাই। কোৱা হৈছে যে যিবিলাকৰ ভূমি ৰাজহ ৫০ হাজাৰ টকা হয় সেইবিলাক এচ, ডি, চি,ৰ যোগেদি কৰিব লাগে। এই গোটেই পদ্ধতিটো পুনৰ ৰিভাইটেলাইজ কৰি মৌজাদাৰী পদ্ধতিটো কেনেকৈ জৰিত কৰিব পাৰি, সেই কথা চিন্তা কৰিবৰ সময় হৈছে। মৌজাদাৰ সকলৰ আগতে সমাজত যি স্থান আছিল এতিয়া যি কোনো কাৰণতে নহওক সেই স্থান নাই। এই বিভাগটো কেনেকৈ সক্ৰিয় কৰিব পাৰি তাৰ কাৰণে চিন্তা ভাৱনা কৰি থকা হৈছে।

ইয়াৰ বাহিৰেও তেখেতসকলে লেণ্ড একুইজিচনৰ কথা কৈছিল। ১৯৮৬ চনত এইটো প্ৰবৰ্ত্তন কৰা হৈছে, ৫০ বিঘাৰ কম কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। এই কথাটো আৰু কৰিব পাৰি নেকি বিবেচনা কৰি থকা নাই। তেখেত সকলে আৰু এটা কথা কৈছে, মাটি থাকিলেও ইউ, এন, চি এক্ট গুৱাহাটী মহানগৰীত আছে। এইটো ইতিমধ্যে ১৯৭৬ চনত প্ৰৱৰ্ত্তন কৰা হৈছে। এতিয়া এই এক্ট পুনৰ বিবেচনা কৰাৰ কথা চিন্তা কৰা নাই। যিহেতু গুৱাহাটী মহানগৰীত জনসংখ্যা বাঢ়ি গৈছে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগিব। যাৰ দ্বাৰা মহানগৰী খনৰ মাটি সংৰক্ষণ কৰিব পাৰি। যি সকলে মাটি পাব সেই সকলক মাটি দিবৰ কাৰণে ইউ, এন, চি এক্ট খনৰ দ্বাৰাহে কৰিব পাৰিম বুলি মোৰ বিশ্বাস হৈছে। আৰু তেখেত সকলে পৰামৰ্শ দিছে যে চেপ্তাৰ ১০ত ট্ৰাইবেল বেল্টৰ কাৰণে লেণ্ড এডভাইজাৰী কমিটি থাকে' তাত বিভিন্ন সংগঠনক লৈ বেলেগে কৰিব লাগে। ইতিমধ্যে ট্ৰাইবেল বেল্টৰ মাটি সংৰক্ষণ কৰিবৰ কাৰণে চৰকাৰে বিশেষ ভাৱে ব্যৱস্থা লৈছে। ১১ জন এ, ডি, চি আৰু ১৯ জন এচ, ডি, চি, ক বেলেগে নিয়োগ কৰা হৈছে। এই লোক সকলক অন্য কামত ব্যৱহাৰ নকৰি ট্ৰাইবেল লোক সকলক ৰক্ষণাবেক্ষণৰ কাৰণে আমি নিৰ্দ্দেশ দিছো। আইন শৃংখলাৰ কাৰণে এই লেকে

সকলক ব্যৱহাৰ কৰিবলৈ জিলা উপায়ুক্ত সকলক বিশেষ ভাবে নিৰ্দ্দেশ দিয়া হৈছে। চেপ্তাৰ চেনত এ, ডি, চি, বা এচ, ডি, চি, যি থাকে সেই অঞ্চলত ক্যাত কৰিবৰ বাবে সুবিধা দিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া সোনোৱাল ডাঙৰীয়াই কৈছে যে ধেমাজী, জোনাই, শদিয়া আদিত কেডেষ্ট্ৰিয়েল চাৰ্জ হোৱা নাই। আমি তাত চাৰ্জে কৰিবৰ কাৰণে ব্যৱস্থা লৈছো। এই ক্ষেত্ৰত শদিয়া, ধেমাজী, জোনাই, ঢকুৱাখানা আদিত বিয়য়া নিয়োগ কৰা হৈছে। আপোনালোকে জানে যে ননপ্লেন হোৱাৰ কাৰণে আমাৰ ওৱৰ্ক লোড বাঢ়ি গৈছে, মেনপাৱাৰ কৰিব পৰা নাই। এ, চি, এচ, নিযুক্ত হৈছে, তেওঁ-লোকক এই অঞ্চলত পঠাব পাৰিম বুলি আশা কৰিছো। এই ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা সেই অঞ্চলত যিসকল লোক আছে সেই সকলৰ বহুত মানুহ পট্টাহীন হৈ আছে। সেই কাৰণে আমি একশ্ৰেণীৰ পট্টা কৰিব খুজিছো। ম্যাদি পট্টা কৰিব খুজিছো। বিভিন্ন পট্টা হোৱাৰ কাৰণে সমস্যা হৈছে। সেই কাৰণে একশ্ৰেণীৰ পট্টা কৰিবৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। এইটো ৰাজহ আদালতৰ জৰিয়তে বহুতখিনি কাম কৰিব পাৰিছো। একচনীয়া পট্টা ম্যাদি কৰিবলৈ আমি জনসাধাৰণক কৈছো। তেওঁলোকে যাতে প্ৰিমিয়াম দিয়ে আৰু তেওঁলোকক ম্যাদী পট্টা দিব লাগে, এইটো ৰাজহ আদালতৰ জৰিয়তে চেষ্টা কৰিছো। সেই বিলাক মানুহৰ পট্টা ম্যাদিকৰণ কৰিব খুজিছো। ধেমাজী জোনাই, শদিয়া এৰিয়াত এই ক্ষেত্ৰত যি চাৰ্জে কৰা হৈছে চেটলমেন অপাৰেশনৰ যোগেদি কৰিবলৈ চেষ্টা কৰা হৈছে। সেইমতে কাম আগবাঢ়ি গৈছে বুলি আশা কৰিব পাৰো। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে বিশেষ ভাৱে সহায় কৰিব বুলি আশা ৰাখিছো। মানুহৰ এটা ধাৰণা হয় ম্যাদি পট্টা কৰিবৰ কাৰণে প্ৰিমিয়াম দিব লগা হয়, সেই কাৰণে মানুহে আগবাঢ়ি নাহে। আমাৰ মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কৈছে যে কমপিউ-টাৰাইজেশ্যন.........

শ্ৰী দিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, ধেমাজীত ৪০ হেজাৰ টকা দি পট্টা কৰিব লগা হৈছে, সেই বিলাক দুখীয়া মানুহ, তেওঁলোকক ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় সদস্য শ্ৰী শইকীয়া ডাঙৰীয়াই যি পৰামৰ্শ

আগ বঢ়াইছে সেইটো মই অবগত নহয়। তথাপি এইটো পৰীক্ষা কৰি চোৱা হ'ব।

কমপিউটাৰাইজেশ্বনত আমাৰ প্ৰধান মন্ত্ৰীয়ে গুৰুত্ব দিছে। অসমৰ বাহিৰে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত মাটিৰ ক্লেয়াৰিফিকেশ্বন হওঁক, মডাৰনাইজ কৰিব পৰা হোৱা নাই। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে সম্পুৰ্ণ সহযোগিতাৰে কাম আৰম্ভ কৰিছে। ইয়াত নিশ্চই যথেষ্টখিনি সফলতা পাম। এচ, ডি চি, অফিচত এটা ডাঙৰ ছিঠা বহী থাকে, তাত গোটেই ৰেকৰ্ড সোমাই থাকে। দেখা যায় যে কেতিয়াবা এই ছিঠা বহীও পোকে খায়। কমপিটাৰাইজেশ্বন কৰি থলে সেই ৰেকৰ্ড ভুল হ'ব নোৱাৰে। ৰাজহ বিভাগক যিমান সুবিধা দিব লাগে সিমান দিব নোৱাৰি, কাৰণ ৰাজহ বিভাগৰ ধনৰ অভাৱ।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ লগত মইও একমত। যিখিনি সুবিধা দিব লাগে সেইখিনি দিব পৰা নাই। কিন্তু কিছুমান জনসাধাৰনৰ পৰা মণ্ডল, কাননগো, এচ, ডি, চি, য়ে নিজৰ নিজৰ সুবিধা কৰি লয়, এই বিষয়ে কি কৰিব মন্ত্ৰী মহোদয়ে কব নে।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মোৰ বন্ধু পাটোৱাৰীয়ে অনা অভিযোগটো ঠিক। অভিযোগ আছে। কেতিয়াবা হয়। কিন্তু এটা কথা কমপিউটাৰত একো অসুবিধা নহয়। মই এনেয়ে বিষয়া সকলক কেনেকৈ অবিশ্বাস কৰো। কাৰণ এই লোক সকলক লৈয়ে কাম কৰিব লাগে। ডুমডুমা চৰ্কোলত থকা চাহ বাগানৰ মাটি বনুৱা সকলৰ মাজত বিলাই দিছো। এজন চাৰ্কোল অফিছাৰে মণ্ডল কাননগুৱে মাটি বিক্ৰী কৰা গম পাই লগে লগে মাটি বিক্ৰী কৰা বন্ধ কৰি দিয়ে। তত্‌কালীন ভাৱে মণ্ডল কাননগুক বৰ্খাস্ত কৰা কথাও আমি গম পাইছো।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয়, অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁযে তেখেতে কংক্ৰিট পইণ্ট পায় তেতিয়া ব্যৱস্থা লব। অসমত এনেকুৱা এটা এচ, ডি, চি, অফিচ নাই য'ত নেকি মণ্ডল-কাননগুৱে পইছা নাখায়। মন্ত্ৰী মহোদয়ৰ হাতত চৰকাৰ আছে। চি, আই, ডি, আছে, পুলিচ আছে। মন্ত্ৰীয়ে যদি ধৰিম বুলি ভাৱে তেতিয় প্ৰত্যেক অফিহতে ২ টাকৈ চি, আই, ডি' লগাই দিলে দুৰ্নীতি ধৰা পৰিব। মোৰ অন্তৰত এটা দুখ আছে কাৰণে এটা কথা উল্লেখ কৰিব

বিচাৰিছো মোৰ সমষ্টিত এজন এচ, ডি, চি, আছিল। তেওঁ মোৰ বন্ধু আছিল। মাটিৰ সংক্ৰান্তত পইছা নে সোণ লোৱাৰ কাৰণে এচ, ডি, চি জনক মাৰি পেলাইছিল।

শ্ৰী মুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা। জনসাধাৰণৰ সুবিধাৰ্থে আমি কাম কৰি আছো। সকলো বিষয়া বেয়া বুলি ধৰি ললে উচিত নহব। যদি তেনে ধৰণৰ বিষয়া মোৰ দৃষ্টিগোচৰ হয় নিশ্চয় ব্যৱস্থা লম। চৰকাৰে ব্যৱস্থা লৈছে আৰু লব। আমাক মুখেৰে কলে নহয়। মাননীয় সদস্য গৰাকীয়ে যদি আমাক লিখিত ভাবে দিয়ে তেন্তে নিশ্চয় তদন্ত কৰি ব্যৱস্থা লম। শোণিতপুৰ জিলাত কাম আৰম্ভ কৰা হৈছে। ইয়াৰ পিচত কামৰূপ, নগাওঁ আৰু ডিব্ৰুগড় জিলাত কাম আৰম্ভ কৰা হব। আমি পৰ্য্যায়ক্ৰমে যাম। শ্ৰী ভৰত নৰহ ডাঙৰীয়াই পাছ বুকৰ কথা উল্লেখ কৰিছে। এই বিষয়ত অসুবিধা আছে এই কাৰণেই যিবিলাকৰ যুটীয়া পট্টা আছে সেই-বিলাক ফালিব নোৱাৰাৰ কাৰণে পাছ বুক কৰিব নোৱাৰি। ১৯৮৬ চনত গঠন হোৱা আইন এক ডেৰ বছৰৰ ভিতৰত সকলো সমস্যা সমাধান কৰিব নোৱাৰি। ইয়াত যথেষ্ট সমস্যা আছে। আমি নতুন পদ্ধতিৰে কাম আৰম্ভ কৰিব বিচাৰিছো। যোৱাবাৰ কামৰূপ, শোণিতপুৰ, উত্তৰ লক্ষীমপুৰ আৰু নগাওঁত আৰম্ভ কৰিছিলো। আমাৰ অসমত ৩ শ্ৰেণী পট্টা আছে। ম্যাদী পট্টা, একচনীয় পট্টা আৰু ত্তৌজীবাহী। যিটো তৌজী জৰিমনা বুলি ধৰা হয়। ধেমাজিৰ কথা কৈছো ম্যাদী পট্টা নথকাৰ কাৰণে বেংকৰ ঋণ লব পৰা নাই। পট্টা পাছ বুক কৰিলে কৃষকজনৰ বেংকৰ পৰা ঋণ লোৱাত সুবিধা হব।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গোটেই প্ৰপজটো পাছ বুক চিষ্টেম কৰিলে। পাছ বুক প্ৰিণ্ট কৰিলে কিমান টকা খৰছ হব।

শ্ৰী মুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কোন প্ৰেছে প্ৰিণ্ট কৰিছে। নিৰ্বিদা আহ্বান কৰিছে নে নাই? এই বিলাক নিশ্চয় প্ৰশ্ন কৰিব। সেই কাৰণে মই কব বিচাৰিছো পাছ বুক গৰ্ভণমেণ্ট প্ৰেছে কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, কামৰূপ জিলাত ৪টা চৰ্কোল আছে। এচ, চি, এচ, টি আৰু যিবিলাকৰ একচনীয়া, পট্টা আছে তেওঁলোকৰ কাৰণে কৰা হৈছে। জইণ্ট

পট্টা বিলাক ফালি লব লাগিব। ১০০ বছৰ পুৰণা বিভাগটো ১.৫ বছৰতে পৰিৱৰ্ত্তন কৰিব নোৱাৰি। ৰাম জনমভূমি, বাবৰি মছজিদৰ সমস্যা মাটিৰ কাৰণেই হৈছে। মহাভাৰ তৰ সৃষ্টি হ'ল মাটিৰ কাৰণে। দুৰ্যোধনে যুধিষ্ঠিৰক মাটি নিদিয়াৰ কাৰণেই কাজিয়াৰ সৃষ্টি হ'ল। মাটিৰ সমস্যা সমাধান কৰিবলৈ যিমান পাৰো চেষ্টা কৰিম। আলাউদ্দিনে একেদিনাই লেম্প জলাব নোৱাৰিলে। শোণিতপুৰৰ পিছত নগাওঁ আৰু কামৰূপ জিলাত কৰিবৰ কাৰণে চেষ্টা কৰিছো। সাধাৰণ ৰাইজে যেতিয়াও অসুবিধা ভোগ নকৰে। যিবিলাক পেনডিং কেচ আছে সেইবিলাক দিচপোজ কৰিবৰ কাৰণে মডাৰ্ণ টেকনলজি অসুবিধাখিনি কনপিউটাৰাইজ কৰিব বিচৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই পাছ বুকৰ যোগেদি আমাৰ দুখীয়া লোক সকলক সহায় কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। আমাৰ মানুহ বাঢ়ি গৈছে কিন্তু মাটি কমি গৈছে। আমি এই মাটিকেই ব্যৱহাৰ কৰিব লাগিব। আমি মাটি বঢ়াব নোৱাৰো। আমি মাটিক সম্পত্তি হিচাপে ব্যৱহাৰ কৰিলে নহব, উৎপাদনৰ আহিলা হিচাপে ব্যৱহাৰ কৰিব লাগিব। অধ্যক্ষ মহোদয় আপুনি জানে যে 'জইণ্ট কমিটিৰ ৰিপোৰ্ট' মতে আমি অসমৰ বাহিৰৰ পৰা বছৰি ৭শ কোটি টকাৰ খাদ্য দ্ৰব্য আমদানি কৰিব লাগে। এইটো সচাকৈয়ে বৰ দুৰ্ভাগ্যজনক। আমাৰ যিখিনি মাটি আছে এইখিনি মাটিতে সৰহ শস্য উৎপাদন কৰি কেনেকৈ স্বাৱলম্বী হব পাৰি তাৰ বাবে চিন্তা কৰিব লাগিব। একেদৰা মাটিতে দুই তিনিটা খেতি কৰি কেনেকৈ উৎপাদন বঢ়াব পাৰি তাৰ বাবে ব্যৱস্থা লব লাগিব। যিসকল খেতিয়কৰ খেতি কৰিবলৈ মাটি কম আছে সেই সকলক সৰহ শস্য উৎপাদন কৰিবলৈ বেংকৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। বেংকৰ পৰা ঋণ লবলৈ যাওঁতে আমাৰ খেতিয়ক সকলে বহু কষ্ট কৰিবলগীয়া হয়। মাটিৰ জবান বন্দীৰ নকল বিচাৰি এচ, ডি, চি, অফিচত হাবাথুৰি খাব লগা হয়। কিন্তু বৰ্ত্তমান পাছ বুক হোৱাৰ পৰা আমাৰ খেতিয়ক সকলৰ বেংকৰ পৰা ঋণ আদি লোৱাত বহুখিনি সুবিধা হৈছে।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এতিয়ালৈ যিখিনি উত্তৰ দিলে তাত আমি বিৰোধী পক্ষই সন্তুষ্ট হৈছো। আপুনি আৰু নকলেও হব। (সদনত হাঁহিৰ ৰোল)

শ্ৰী দিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ

আছে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে আমাৰ বিধান সভাৰ মাটিখিনি নামজাৰি হৈছে নে নাই ?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দিলীপ শইকীয়াই যিখিনি সুধিছে সেই সম্বন্ধে কওঁ যে মই বিষয়টো আকৌ পৰীক্ষা কৰি চাব লাগিব। সাধাৰণতে বহুত দিন দখলত থাকিলে নামজাৰি হয়েই। তাতে এইখিনি চৰকাৰী অধিগ্ৰহণ কৰা মাটি। তথাপি বিষয়টো পৰীক্ষা কৰি মই মাননীয় সদস্য জনক জনাম।

শ্ৰী জয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক তিনিটা প্ৰশ্ন সুধিছিলো। এতিয়া উত্তৰ কেইটা দিয়ক।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য থানেশ্বৰ বড়োৱে দিয়া পৰামৰ্শ কেইটাৰ ওপৰত কলো। এতিয়া জয় নাথ শৰ্ম্মাৰ উত্তৰ কেইটা দিয়াৰ পিছত মাননীয় সদস্য সুৰেণ স্বৰ্গীয়াৰীয়ে কথা এটা সুধিছিল সেইটো পিছত কব লাগিব। মাননীয় অধ্যক্ষ মহোদয় আমি মাটি পাছ বুকৰ ব্যৱস্থা এই কাৰনেই কৰিব খুজিছো যে কৃষক সকলে কিবা এটা ঋণ লও বুলি ভাবিলে সেইখন বেংকত দেখুৱালেই লগে লগে টকা লব পাৰিব। এচ, ডি, চি. অফিচলৈ যোৱাৰ প্ৰয়োজন নহব।

অধ্যক্ষ মহোদয় সুৰেন স্বৰ্গীয়াৰীয়ে জালাহ চক্ৰৰ বিষয়ে যিখিনি সুধিছিল, তাত এজন এচ, ডি, চিৰ মৃত্যু হৈছিল। তাত আমি ঘৰ দুখ পাইছো। এই জন এচ, ডি, চিক আমি এবাৰ বদলি কৰিছিলো কিন্তু বিবা কাৰণত আকৌ 'ষ্টে' হ'ল। কিন্তু দুখৰ বিষয় যে তেওঁ পুনৰ কামত যোগদান কৰাৰ ২য় দিনাই বড়ো উগ্ৰপন্থীৰ হাতত মৃত্যু বৰণ কৰিলে। কিন্তু এটা কথা ঠিক যে, এইটো অকল জালাহ চক্ৰতে নহয়, উত্তৰ কামৰূপৰ যিবিলাক বড়ো অধ্যুষিত অঞ্চল আছে সেই বিলাকলৈও কোনো বিষয়া যাব নোখোজে। আনকি যিসকল বড়ো বিষয়া আছে তেওঁলোকো যাব নিবিচাৰে। কাৰণ তেওঁলোকক আমি ৰক্ষণাবেক্ষণ দিব পৰা নাই। সাধাৰণতে এচ, ডি, চি সকল ভিতৰুৱা অঞ্চলত থাকিব লগীয়া হয়। ইতিমধ্যে আমি গৃহ বিভাগৰ লগত এইটো বিষয়ত আলোচনা বিলোচনা কৰি কেনেকৈ এই বিষয়া সকলক ৰক্ষণাবেক্ষন দিব পৰা যায় তাৰ বাবে চিন্তা চৰ্চা কৰি থকা হৈছে। বৰ্তমান

পৰিস্থিতিৰ কাৰণেওঁ বিষয়া সকল বিভিন্ন অঞ্চললৈ যাবলৈ অমান্তি হয়।

শ্ৰী সূৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া শ্ৰী বৰাৰ পৰিয়ালে চৰকাৰৰ সাহায্য পাৰ নে নাপায় ?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেই বিষয়ত চৰকাৰী নিয়ম নীতি আছে সেইমতে তেওঁলোকেও পাব।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে চৰকাৰী নিয়মনীতি আছে বুলি কৈছে, কিন্তু তেওঁলোকে সাহায্যৰ বাবে দুৱাৰে দুৱাৰে ঘূৰি ফুৰিব লগীয়া হৈছে,। আপোনালোকে ৰক্ষণাবেক্ষণ দিব নোৱাৰে, কিন্তু তেওঁ লোকে নিয়মমতে এক লাখ টকা পাব লাগে, সেইখিনি সোনকালে নিদিয়ে কিয় ?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় চৰকাৰৰ নিয়ম মতে যিখিনি পাব লাগ সেইখিনি পাব।

শ্ৰী নগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পিচত মৃত্যু হোৱা মানুহৰ পৰিয়ালেও টকা পালে। কিন্তু বৰাৰ পৰিয়ালে কিয় পোৱা নাই ?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় এইটো মোৰ দৃষ্টিগোচৰ হোৱা নাই, গতিকে মই চাই লম।

শ্ৰী ৰেনুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত তেখেতে দেহৰক্ষী বিচাৰিছিল কিন্তু মাত্ৰ এদিনৰ বাবে দিয়া হৈছিল কিন্তু পিচত দিয়া নহল কিয় ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) এই সম্পৰ্কে মই নাজানো, সেয়েহে মই উত্তৰ দিব নোৱাৰিম।

শ্ৰী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, বিষয়াজনে কামৰ বাবে পুৰস্কাৰো পাইছিল, কিন্তু তেওঁক নিৰাপত্তা দিব পৰা নহ'ল কিয় ?

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক জানিছিলো কাৰণ সৰু ভায়েকৰ লগত মই একেলগে পঢ়িছিলো। দেহৰক্ষী দিয়াৰ ক্ষেত্ৰত বৰপেটাৰ উপায়ুক্ত শ্ৰী চন্দ্ৰকান্ত শৰ্ম্মাৰ হেমাহিৰ কাৰণেই এই ঘটনাটো হবলৈ পালে। এইজন বিষয়াৰ বিৰুদ্ধে আমি আগতেও ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে কৈছিলো। কিন্তু আপোনালোকে এইজন বিষয়াক পদোন্নতিহে দি

গৈছে। এই বিষয়ে এটা তদন্ত কৰিব লাগে।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্ত সকল মোৰ অধীনত নহয়, কৰ্ম্মচাৰী বিভাগৰহে অধীনত, গতিকে তেওঁলোকেহে ব্যৱস্থা লব পাৰিব।

শ্ৰী জয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ দুটা উত্তৰ দিবলৈ বাকী আছে।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে বাঁহগড়াৰ কেচটো হাইকোৰ্টত পেণ্ডিং হৈ আছে আৰু সেই কাৰণে মই সিদ্ধান্ত দিবলৈ অসুবিধা পাইছো।

শ্ৰী জয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, এইটো এতিয়া ৰাইজৰ হাতত থাকিবনে ব্যক্তিগত মানুহৰ হাতত যাব।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, হাইকোৰ্টৰ ৰায় পালেই সিদ্ধান্ত লম। মাননীয় সদস্যজনে এই দুটা, বাহগড়া আৰু বড়িয়া-চিলি কেচৰ বিষয়ে লিখিত দিলে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়, আই, আই, টিৰ মাটি সম্পৰ্কে ইতিমধ্যে মই ব্যৱস্থা গ্ৰহণ কৰি আছো। আই, আই, টিৰ কাৰণে যিখিনি মানুহৰ মাটি অধি-গ্ৰহণ কৰা হ'ল তেওঁলোকৰ কাৰণে বেলেগ ঠাইত মাটিৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰী জয়নাথ: শৰ্ম্মা মাননীয় অধ্যক্ষ মহোদয়, আই, আই, টিৰ মাটিৰ কাৰণে দালাল এজনৰ লগত বহুকোটি টকা খৰছ কৰা হৈছিল আৰু এইটোৰ লগত এজন প্ৰাক্তন গভৰ্ণৰো জড়িত আছে। গতিকে এইটোৰ বিষয়ে তদন্ত হব লাগে।

শ্ৰী মুকুট শৰ্ম্ম (ৰাজহ মন্ত্ৰী: মাননীয় অধ্যক্ষ মহোদয়, আমি আই, আই, টি খন যাতে সোনকালে হয় আৰু মাটিৰ অভাৱত যাতে এই অনুষ্ঠনটো অসমৰ পৰা ঘূৰি যাব লগীয়া নহয়, তাৰ কাৰণে আমি মাটিখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিছো।

শ্ৰী জয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, আই, আই, টিৰ মাটি কিনা সম্পৰ্কত যিটো খেলি মেলি হৈছে এইটো হব নোৱাৰে। মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো যে এই বিষয়ৰ এনকুৱাৰী হব নে নহয়?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : এই সম্পৰ্কে পৰীক্ষা কৰি চাম।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেখেতে কি পৰীক্ষা কৰি চাব ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মই চাব লাগিব।

শ্ৰী জয়নাথ শৰ্ম্মা মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাৰ পৰীক্ষা কৰি চাই কোৱা হৈছিল যে গভৰ্ণৰ জন জড়িত আছে। চেণ্ট্ৰেল এজেঞ্চিৰ জৰিয়তে।

**শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে প্ৰাথমিক** পৰীক্ষা কৰি চাই যদি প্ৰয়েজেন হয় তদন্ত কৰিম।

শ্ৰী ৰমেন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাকা পট্টাৰ ব্যৱস্থা কৰিছে তাৰ ভিতৰত গাড়ীগাওঁ আৰবান চিলিং এক্টত পৰিছে তেওঁলোকৰ পট্টাৰ কি ব্যৱস্থা কৰিব ? জিয়া পুখুৰীত চিলিং এক্টত মাটি দিছিল তেওঁলোকৰ কি ব্যৱস্থা কৰিব।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিখিনি মানুহ আছে সেইখিনিক পট্টা দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰিছো। যিসকল ভূমিহীন লোক অৰ্থাৎ মাটি নোহোৱা মানুহ আমাৰ নমৰ্চৰ ভিতৰত পৰে তেওঁলোকক একঠা দহ লেচাকৈ মাটি দিয়া হৈছে। পৰ্য্যায়ক্ৰমে মাটি দি থকা হৈছে। আপোনাৰ জৰিয়তে মাননীয় সদস্য সকলক অবগত কৰিব খুজো যে জনতা ভৱনৰ বিভিন্ন কাৰ্য্যালয়ত কাম কৰা গ্ৰেড ফোৰ কৰ্ম্মচাৰী ২৮৫ জনক ইতিমধ্যে মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছে। বাহজানীৰ যিটো কথা মাননীয় সদস্যই কৈছে তাতো আমি ব্যৱস্থা লৈছো। তাৰোপৰি দৰঙৰ ডি, চি, লৈ ইনফৰমেশ্বনৰ কাৰণে যোগাযোগ কৰা হৈছিল কিন্তু এতিয়াও ইনফৰমেশ্বনৰ যোগাৰ কৰিব পৰা নাই। ইনফৰমেশ্বন পালে ব্যবস্থা লোৱা হব।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : প্ৰিলিমিনাৰী চাই লৈ সিদ্ধান্ত কৰা হব।

শ্ৰী দিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, কাৰ্বি আংলং আৰু নগাওঁৰ মাজত যিটো দিচপুট আছে তাৰ কি ব্যৱস্থা লব ? অহা বাজেটৰ ভিতৰত এচ, ডি, চি, সকলক জীপ বা জিপসী দিয়াৰ ব্যৱস্থা কৰিব নেকি ? অসম-অৰুণাচল সীমান্ত অঞ্চল বিলাকত আৰু অসমৰ আন আন সীমান্ত অঞ্চল বিলাকৰ

মাটি জৰিপ কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : এইটো মই ভালকৈ জানো যে নগাওঁ আৰু কাৰ্বি-আংলং সীমা বিবাদৰ বাবে অঞ্চলটো উত্তপ্ত হৈ আছে। এইটো ৰাজহ বিভাগৰ লগত গৃহ বিভাগো জৰিত হৈ আছে। সেয়ে মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰি দুয়ো পক্ষৰ ভিতৰত আলোচনা কৰিব লাগে। মাননীয় অধ্যক্ষ মাননীয় সদস্য জনৰ সমষ্টিও কাৰ্বি আংলংৰ সীমান্তত যেতিয়া তেখেতে পৰিস্থিতিটো ভালদৰে বুজিব পাৰিব। পুলিচ মিলিটাৰী দি কোনো সমস্যাৰ সমাধান কৰিব পৰা নাযায়। মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি তাৰ এটা বিহিত ব্যৱস্থা কৰিব লাগিব। শইকীয়া ডাঙৰীয়াই কৈছে যে এচ, ডি, চি, সকলক গাড়ীৰ ব্যৱস্থা কৰি দিব লাগে। অধ্যক্ষ মহোদয় মোৰ বিভাগটো হৈছে চেকেণ্ড হেণ্ড বিভাগ। অপুনি জানে যে এচ, ডি, চি, অফিচত পৰ্দা লগাবলৈ হলে চাৰ্কিট হাউচৰ পুৰণি পৰ্দা লগাব লগা হয়। পৰ্দা কিনাৰো টকা নাই। ৰেভিনিউ বিভাগটো নন প্লেনত নপৰে। সেয়ে যোৱা বাৰ দিল্লীত ৰেভিনিউ বিভাগৰ মিটিং হওতে ৰেভিনিউ বিভাগটো নন-প্লেনলৈ আনিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছিলো। যিমান প্লেন হয় মাটিৰ ওপৰত ফৰেষ্ট, বান নিয়ন্ত্ৰণ এডুকেচন ইত্যাদি বিভাগ মাটিৰ ওপৰতে হয় অথচ ৰেভিনিউ বিভাগটো নন-প্লেনৰ বিভাগ। মই ৩ খন গাড়ীও কিনিব পৰা নাই।

শ্ৰী নগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে বিচাৰে যদি আমি এটা প্ৰস্তাৱ আনিব পাৰো।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সকলো কাম প্ৰস্তাৱ আনিলে নহয়।

শ্ৰী দিলীপ শইকীয়া : অধ্যক্ষ মহোদয়, আমাৰ বোৰ্ডাৰ বিলাকত যিখিনি খেলিমেলি হৈ আছে সীমা লৈ তাৰ এটা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ সীমামুৰীয়া অঞ্চল বিলাকত সীমা বিবাদৰ যিটো খেলিমেলি হৈ আছে তাত বোৰ্ডাৰ ডিপাৰ্টমেণ্ট জৰিত হৈ আছে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মই জনাত মুখ্যমন্ত্ৰী মহোদয়ে ওচৰ চুবুৰীয়া ৰাজ্যৰ মুখ্য মন্ত্ৰীৰ লগত এই বিষয়ে আলোচনা চলাই আছে। মেঘালয়ৰ মূখ্য মন্ত্ৰীৰ লগত আলোচনা হওঁতে মই উপস্থিত আছিলো। আশা ৰাখিছো আলোচনাৰ মাজেদি আমি এই সমস্যা সমাধান কৰিব পাৰিম।

শ্ৰী হিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ৰ, পৰা মই এটা স্পষ্টীকৰণ বিচাৰিছো । শ্ৰী জয়নাথ শৰ্মা ডাঙৰীয়াই যিটো কথা উংথাপন কৰিছে সেইটো অতি গুৰুত্বপূৰ্ণ কথা। কিন্তু মন্ত্ৰী মহোদয়ে খুউব সাধাৰণ ভাৱে উত্তৰ দিছে। যোৱা শতিকাতে অনা অসমীয়া মানুহ এজনক চাহ খেতি কৰিবলৈ এডোখৰ মাটি দিয়া হৈছিল। কিন্তু সেই মাটি যি উদ্দেশ্যে দিয়া হৈছিল, সেই উদ্দেশ্যে ব্যৱহাৰ কৰা নহল। আজি একশ শতিকাৰ পাচত সেই মাটি আইন মতে ঘূৰাই নলৈ চৰকাৰে ১৬ কোটি ৬১ লাখ টকা ভৰি আই, আই, টি, ৰ বাবে কিনিবলৈ ওলাইছে। এইটো অতি গুৰুত্বপূৰ্ণ কথা। যোৱা বাৰ সদনত এই বিষয়ে প্ৰশ্ন কৰাত মন্ত্ৰী মহোদয়ে জানিবলৈ দিছিল যে এইটো এটা ডাঙৰ ক্ৰাইম। অনুসন্ধান কৰি দোষী সাব্যস্ত কৰিব পাৰিলৈ দোষীৰ বিহিত ব্যৱস্থা লোৱা হব। কিন্তু আজি সেই একে কথা উংথাপন কৰোতে মন্ত্ৰী মহোদয়ে মাথো এষাৰ কথাই কলে পৰীক্ষা কৰি চোৱা হব। এনেদৰে শ শ বিঘা মাটি অনাহকতে অমুলক অনুষ্ঠান কিছুমানত দি থোৱা হৈছে। যিবিলাক অনুষ্ঠান ভুৱা সদ্যহতে অই, আই, টি, মাটি কিনা পৰ্য্যায়ত চৰকাৰ স্থিতি কত? যি মাটি চৰকাৰে বিনামূলীয়া ভাৱে আইনমতে ঘূৰাই লব লাগিছিল সেই মাটিকে দালালৰ যোগেদি ১৬ কোটি ৬১ লাখ টকাত কিনিবলৈ ওলাইছে। এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি ক'ত। গতিকে এই ক্ষেত্ৰত আমি এটা তদন্তৰ দাবী কৰিছো।

শ্ৰী মুকুট শৰ্মা (মন্ত্ৰী) : আমাৰ ডেকা ডাঙৰীয়াই আই, আই, টি, সম্পৰ্কে যিখিনি কথা কৈছে তাক মই লাইটলী লোৱা নাই যথেষ্ট চিৰিয়াচলী লৈছো। বিষয়টো তেতিয়াৰ ৰাজহ আয়ুক্ত শ্ৰী ডি, কে, গংগোপধ্যায় আছিল তেখেতক অনুসন্ধান কৰিবলৈ দিয়া হৈছিল, তেখেতে মাজতে এই বিভাগৰ পৰা বদলি হৈ যোৱাত অলপ দেৰি হৈছে। এতিয়া অৱশ্যে তেখেত আকৌ আমাৰ বিভাগলৈ ঘূৰি আহিছে, সোনকালে ৰিপোৰ্ট দাখিল কৰিব পাৰিম।

শ্ৰী হিতেশ ডেকা : মন্ত্ৰী মহোদয়ে বৰ ভাল উত্তৰ দিছে-বিভাগীয় সচিৰ গৰাকী বদলি হৈ গ'ল আজিলৈ ৰিপোৰ্টটো দিব পৰা নাই। এইটো এটা ইমান ডাঙৰ কথা যে বিধান সভাৰ মজিয়াত মন্ত্ৰী মহোদয়ে কৈছিল যে জনস্বাৰ্থৰ খাটিৰত বিষয়টো অনুসন্ধান কৰা হব আৰু অনুসন্ধানৰ প্ৰতিবেদন বিধান সভাত দাখিল কৰা হব কিন্তু ইতিমধ্যে ৬৫ লাখ টকা দিয়াই হ'ল

অসম চৰকাৰে ১৬ কোটি দিবলৈ ওলাইছে। এতিয়া মন্ত্ৰী মহোদয়ে কৈছে যে সচিব বদলি হৈ গ'ল কাৰণে ৰিপোৰ্টটো পোৱা নাই।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : এইটো কব নোৱাৰে যে ব্যৱস্থা লোৱা হোৱা নাই। ব্যৱস্থা লোৱা হৈছে চিৰিয়াচলি। অনুসন্ধান চলি আছে। শ্ৰী গংগোপধ্যায় মই বিষয়া হিচাপে কোৱা নাই ৰাজহৰ এটা অথৰিটি বুলিয়ে কৈছো। তেখেত মাজতে এ, পি, চি, হৈ যোৱাত কামৰ দায়িত্ব বঢ়া কাৰণে হয়তো দেৰি হৈছে। সোনকালে অনুসন্ধান ৰিপোৰ্ট অনাৰ ব্যৱস্থা কৰিম।

শ্ৰী হিতেশ ডেকা : অনুসন্ধানৰ ৰিপোৰ্ট কেতিয়া দিব পাৰিব কওক, সময় কওঁক, দুবছৰ সময় লওঁক।

শ্ৰী মুকুট শৰ্ম্মা : সময় কেনেকৈ দিম, অনুসন্ধান চলি আছে।

শ্ৰী হিতেশ ডেকা : অনুসন্ধান নোহোৱা পৰ্য্যন্ত ফাৰদাৰ পেমেন্ত বন্ধ ৰাখিম বুলি আশ্বাস দিব পাৰে নেকি ?

শ্ৰী শ্ৰীমুকুট শৰ্ম্মা : অফ হেণ্ড একো কব নোৱাৰো, বস্তুটো চাই লওঁ। সদনত আলোচনা হোৱা কথাটো মই তেওঁক নিশ্চয় কম।

শ্ৰী নগেন শৰ্ম্মা : অনুসন্ধান নোহোৱা পৰ্য্যন্ত পেমেণ্ট বন্ধ ৰাখিব পাৰে এইটো নিয়মৰ কথা।

শ্ৰী মুকুট শৰ্ম্মা : প্ৰচেচ্চ হৈছে নে নাই চাই লম। আচলতে এই বিষয় বিলাক ইয়াত আলোচনাৰ কাৰণে স্কোপ নাছিল। অধ্যক্ষৰ আসনত চেয়াৰমেন আহমেদ চাহাব থাকোতে আপত্তি কৰিছিল যদিও ময়ে কৈছিলো কবলৈ কাৰণ ধেমাজী জোনাইত কি হৈ আছে আমি বিষয়া সকলৰ জতিয়তে জনাতকৈ মাননীয় সদস্যয় সকলৰ পৰা জানি লও বুলি। তথাপি আলেচেনা ৩/৪ ঘন্টা চলি গ'ল, নজনা কথা বহুত জানিলো।

Shri Golok Rajbongshi (Minister, Parliamentary Affairs) :

I am going to quote Rule 152 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly "The debate on the supplementary grants shall be continued to the items constituting the same and no Discussion may be raised on the original grants' 'বুজিছে যেতিয়া

ভাল নবুজাকৈ কলেহে দেনজাৰাচ।

শ্ৰী জয়নাথ শৰ্ম্মা : তেখেতে এই কথাখিনি আগতে কব লাগিছিল আগতে নকয় সদনক মিচ লিড কৰিছে।

Mr. Speaker : Will the Honourable members withdraw their cut motions.

শ্ৰী থানেশ্বৰ বড়ো : মাননীয় সদস্য সকলে অন্যান্য বিষয়ত এচু ৰেঞ্চ বিচাৰিছে মই মাত্ৰ কেইটামান কথাৰ কাৰণে ইনচিষ্ট কৰিছো ইমপ্লিমেন্ট কৰিবৰ কাৰণে। মই জনজাতি বেল্ট ব্লক বিলাকৰ কাৰণে এটা লেণ্ড এডভাইজৰী কমিটি গঠন কৰাৰ কাৰণে অনুৰোধ কৰিছিলো যাতে বৰ্ত্তমান যিবিলাক ৰিচেণ্টমেণ্ট হৈছে সেইবিলাক যাতে নহয় তাৰ কাৰণে। মোৰ পৰামৰ্শটো গ্ৰহণ কৰিব নেকি? আনহাতে বন বিভাগ আৰু ৰাজহ বিভাগৰ মন্ত্ৰীৰ মাজত এখন যুটীয়া বৈঠক হব লাগে যাতে অ-ব্যবহৃত বন বিভাগৰ মাটি বিলাক ৰাজহ বিভাগক ঘুৰাই দিব পাৰে মাটিহীনৰ মাজত বিতৰণ কৰিবলৈ। আনহাতে আৰবান লেণ্ড চিলিং আইনখনৰ মোডিফিকেচন কৰিব লাগে কাৰণ গাড়ীগাওঁ আদি ঠাইক গ্ৰেটাৰ গুৱাহাটীলৈ এক্সটেণ্ড কৰিব নালাগে। ইতিমধ্যে কেৰাখনো ৰাজ্যই এইটো কৰিছে।

